www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আপুনি সৃজনশীলতা ব্যৱহাৰ কৰিলে সেয়া শেষ নহয়। অধিক ব্যৱহাৰ কৰিলে অধিক পাব। — মায়া এলনেল্ড

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

দ্বিতীয় বছৰ ❐ সংখ্যা- ৪৭ ❐ সোমবাৰ ❐ ২৬ অক্টোবৰ, ২০২৬ চন ❐ Volume/Year- II ❐ Issue- 47 ❐ Monday ❐ 26th October, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

ধন-ঐশ্বর্য আৰু সৌভাগ্যৰ দেৱী শ্রীশ্রীলক্ষ্মীক আৰাধনা ৰাজ্যবাসীৰ

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাকে আদি কৰি মন্ত্রীসকলৰ শুভেচ্ছা

নিউজ ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ ধন, ঐশ্বর্য, সৌভাগ্য আৰু সমৃদ্ধিৰ অধিষ্ঠাত্রী দেবী শ্রীশ্রীলক্ষ্মীৰ আৰাধনাৰে আজি ৰাজ্যজুৰি পবিত্র লক্ষ্মী পূজা উদযাপিত হৈছে। শাৰদীয় পূর্ণিমাৰ পবিত্র তিথিত ৰাজ্যৰ প্রান্তে প্রান্তে ভক্তি আৰু উলহ-মালহেৰে দেবী লক্ষ্মীক আদৰণি জনোৱা হৈছে। অসমীয়া সমাজ-সংস্কৃতিত লক্ষ্মী পূজাৰ গভীৰ অধ্যাত্মিক, সামাজিক আৰু ❐ ৭ পৃষ্ঠাত



ৰাজ্যৰ প্রতিটো ভোটগ্রহণ কেন্দ্রত কংগ্রেছে নিযুক্তি দিব 'ভোটৰক্ষক'

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৫ অক্টোবৰ ঃ নির্বাচন আয়োগৰ ভূমিকা আৰু ভোটাৰ তালিকাৰ অসংগতি সম্বন্ধতি অসম প্রদেশ কংগ্রেছ কমিটীয়ে পুনৰ সংগঠিত প্রতিবাদ আৰু পর্যবেক্ষণৰ কৌশল গ্রহণ কৰিছে। এইবাৰ ৰাজ্যৰ ৬৬৯৯টা পৌৰসভাৰ বার্ড আৰু ৩১, ৪৮৬টা ভোটগ্রহণ কেন্দ্রৰ প্রতিটোতে দলটোৰে 'ভোটৰক্ষক' নিযুক্তি দিব। ৰাজীৰ ভৱনত অনুষ্ঠিত এখন সংবাদমেলত প্রাক্তন বিধায়ক সত্যব্রত কলিতা, অসম প্রদেশ কংগ্রেছ কমিটিৰ সাধাৰণ সম্পাদক (প্রশাসন) বিপুল গগৈ আৰু সংবাদ মাধ্যম ❐ ৬ পৃষ্ঠাত

জুবিন গার্গৰ ন্যায় আন্দোলনত গৰিমা শইকীয়া গার্গক সমুখৰ পৰা নেতৃত্ব দিয়াৰ আহ্বান

জুবিন ক্ষেত্রত অনুষ্ঠিত ৰাজহুৱা সভাত চাৰিটাকৈ মূল প্রস্তাৱ গৃহীত

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ অক্টোবৰ ঃ হাইগ্রুৱ জুবিন গার্গ ন্যায় দাবী সমিতিৰ উদ্যোগত দেওবাৰে জুবিন ক্ষেত্রত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক অনুপম চক্রবর্তীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জুবিন গার্গৰ ন্যায়ৰ দাবীত গ্রহণ কৰিবলগীয়া কার্যপন্থা আৰু ❐ ৬ পৃষ্ঠাত



■ ৯ বছৰৰ বাবে চৰকাৰী বণ্ড বন্ধকত ৰাখি ল'ব ঋণ ■

পুনৰ ১,০০০ কোটি টকাৰ ঋণ ল'ব ৰাজ্য চৰকাৰে

চলিত বর্ষত লোৱা ঋণৰ পৰিমাণ ১১,৮৫০ কোটি টকালৈ বৃদ্ধি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৫ অক্টোবৰ ঃ অসম চৰকাৰৰ ঋণ লোৱাৰ ধাৰাবাহিকতা অব্যাহত আছে। ৰাজ্যৰ বিত্ত বিভাগে জানি কৰা জাননী অনুসৰি অহা ২৭ অক্টোবৰত ৰাজ্য চৰকাৰে পুনৰ ১,০০০ কোটি টকাৰ ঋণ ল'ব। এই ঋণৰ বাবে ৯ বছৰৰ বাবে চৰকাৰী বণ্ড বন্ধকত ৰখা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১৩ অক্টোবৰতো ৰাজ্য চৰকাৰে ১,০০০ কোটি টকাৰ ঋণ লৈছিল। তাৰ পিছতে কম সময়ৰ ভিতৰতে পুনৰ ১, ০০০ কোটি টকাৰ ঋণ লোৱাৰ বাবে বিত্ত বিভাগে জাননী জাৰি কৰিছে। এইদৰে চলিত বর্ষত ৰাজ্য চৰকাৰে লোৱা ঋণৰ পৰিমাণ ২৭ অক্টোবৰলৈ ঋণৰ পিছত ১১,৮৫০ কোটি টকালৈ বৃদ্ধি পাব। বিত্ত বিভাগৰ তথ্য অনুসৰি, ২০২৬ চনত ৰাজ্য চৰকাৰে এতিয়ালৈকে বিভিন্ন তাৰিখে লোৱা ঋণসমূহৰ পৰিমাণ এনেধৰণৰ-১২ মে'ত ১, ০০০ কোটি টকা, ২৬ মে'ত ৭৫০ কোটি টকা, ১৬ জুনত ১, ০০০ কোটি টকা, ৩০ জুনত ১,০০০ কোটি টকা, ২১ জুলাইত ১, ০০০ কোটি টকা, ৪ আগষ্টত ১,০০০ কোটি টকা, ১৮ আগষ্টত ১, ০০০ কোটি টকা, ১ ছেপ্টেম্বৰত ১, ০০০ কোটি টকা, ১৫ ছেপ্টেম্বৰত দুটা পর্যায়ত ১, ৩০০ কোটি টকা, ২৯ ছেপ্টেম্বৰত ৮০০ কোটি টকা আৰু ১৩ অক্টোবৰত ১, ০০০ কোটি ❐ ৬ পৃষ্ঠাত



বদৰপুৰত বিহু দলৰ ওপৰত বর্বৰ আক্রমণক আছুৰ তীব্র গৰিহণা

দোষীৰ দৃষ্টান্তমূলক শাস্তিৰ দাবী ঃ মুখ্যমন্ত্রীৰ তাৎক্ষণিক হস্তক্ষেপ কামনা

নিউজ ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ শ্রীভূমি জিলাৰ বদৰপুৰত এটা বিহু দলৰ ওপৰত সংঘটিত বর্বৰ আক্রমণৰ ঘটনাক লৈ ৰাজ্যজুৰি তীব্র প্রতিক্রিয়াৰ সৃষ্টি হৈছে। এই ঘটনাক লৈ সদৌ অসম ছাত্র সম্থাৰ শুভাছুৱা সভাপতি উৎপল শর্মাই তীব্র ক্ষোভ ❐ ৬ পৃষ্ঠাত

জুবিন গার্গৰ ন্যায়ৰ দাবীত প্রতিবাদী কার্যসূচীত প্রত্যক্ষভাৱে অংশ নল'ব পৰিয়ালে



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৫ অক্টোবৰ ঃ জুবিন গার্গৰ ন্যায়ৰ দাবীত আয়োজন কৰা কোনো ৰাজহুৱা প্রতিবাদী বা গণতান্ত্রিক কার্যসূচীত জুবিন গার্গৰ পত্নী গৰিমা শইকীয়া গার্গ আৰু তেওঁৰ পৰিয়ালে প্রত্যক্ষভাৱে অংশগ্রহণ নকৰে। আদালতত বিচাৰাধীন জুবিন গার্গৰ মৃত্যুৰ গোচৰত পৰিয়াল পক্ষ হোৱাৰ বাবে ৰাজহুৱা প্রতিবাদী কার্যসূচীত উপস্থিত থকাটো উপযুক্ত নহ'ব বুলি একাধিক অভিজ্ঞ অধিবক্তাৰ পৰা ❐ ৬ পৃষ্ঠাত

ভাৰতীয় নির্বাচন আয়োগে ECINET ছফ্টৱেৰৰ তথ্য গোপনে ৰখাৰ অভিযোগ কংগ্রেছৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ ভাৰতীয় নির্বাচন আয়োগে বিশেষ বিস্তৃত পুনৰীক্ষণ শ্চএছআইআৰ্ত্তাত ব্যৱহৃত ECINET ছফ্টৱেৰ সম্পর্কীয় তথ্য গোপনে ৰাখিছে বুলি কংগ্রেছে অভিযোগ উত্থাপন কৰিছে। বিৰোধী দলটোৰ মতে, আয়োগে বাৰে বাৰে এই তথ্য প্রকাশ কৰিবলৈ অস্বীকৃতি জনাইছে যদিও ইয়াৰ জৰিয়তে এছআইআৰ সংঘটিত বৃহৎ পৰিসৰৰ অনিয়ম প্রকাশ পোৱাৰ আশংকা আছে। লগতে কংগ্রেছে মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণ কৰি এছআইআৰ তৎকালীনভাৱে নিলম্বন কৰাৰ দাবীও পুনৰ উত্থাপন কৰিছে। মিডিয়া বিভাগৰ দায়িত্বত থকা কংগ্রেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সংবাদ মাধ্যমৰ সৈতে এক বিবৃতি শ্বেয়াৰ কৰি এই অভিযোগ তুলিছে। তেওঁৰ বক্তব্য অনুসৰি, ভোটাৰ তালিকাত হোৱা ভুল আৰু অমিল চিনাক্তকৰণৰ ❐ ৬ পৃষ্ঠাত

'চলো দিল্লী' সমাবেশৰ প্রচাৰৰ বাবে বিজেপি-মিত্রদলক ৰাহুল গান্ধীৰ ধন্যবাদ

ভোট চুৰিৰ অভিযোগত ১ নৱেম্বৰত ৰামলীলা ময়দানত ইণ্ডিয়া ব্লকৰ মহাসমাৰেশ



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ বিশেষ বিস্তৃত পুনৰীক্ষণ (এছআইআৰ) আৰু মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে বিৰোধী দলসমূহৰ প্রতিবাদ অব্যাহত আছে। কংগ্রেছ নেতৃত্বাধীন ইণ্ডিয়া ব্লকে শেহতীয়াকৈ নতুন দিল্লীত ব্যাপক প্রতিবাদী কার্যসূচী ৰূপায়ণ কৰাৰ পিছতে অহা ১ নৱেম্বৰত ৰামলীলা ময়দানত 'ভোট চুৰি'ৰ প্রসংগত পুনৰ এক বৃহৎ সমাৰেশ আয়োজনৰ ঘোষণা ❐ ৬ পৃষ্ঠাত

জুবিন গার্গৰ ন্যায়ৰ দাবীত চৰকাৰক কঠোৰ সকীয়নি

২৯ অক্টোবৰত ৰাজ্যজুৰি আছুৰ মমশিখা সমদল



নিউজ ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ প্রাণৰ শিল্পী জুবিন গার্গৰ বহস্যজনক মৃত্যুৰ ঘটনাই এতিয়া এটা বছৰ অতিক্রম কৰিছে। শিল্পীগৰাকীৰ লাখ লাখ অনুৰাগী আৰু সমগ্র অসমবাসীয়ে এতিয়াও তেওঁৰ ন্যায়ৰ অপেক্ষাত আছে। অনুৰাগীসকলে বিভিন্ন ধৰণে ন্যায়ৰ দাবীত প্রতিক্রিয়া প্রকাশ কৰি আহিছে। ইফালে গোচৰটো ফাষ্টট্রেক আদালতত বিচাৰাধীন হৈ আছে আৰু ❐ ৬ পৃষ্ঠাত

'মন কী বাত'ৰ ১৩৯ সংখ্যক খণ্ডত প্রধানমন্ত্রী মোদীৰ স্মৰণ

'মন কী বাত' মোৰ বাবে তীর্থযাত্রাৰ সমান ঃ মোদী



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি তেওঁৰ মাহিলী ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ক এক 'তীর্থযাত্রা'ৰ সৈতে তুলনা কৰে। তেওঁ কয় যে এই অনুষ্ঠানে দেশৰ সাধাৰণ মানুহৰ প্রচেষ্টা আৰু অবদান ওচৰৰ পৰা বুজি পোৱাৰ লগতে তেওঁলোকৰ কর্মৰ স্বীকৃতি দিয়াৰ এক সুযোগ প্রদান কৰিছে। 'মন কী বাত'ৰ ১৩৯সংখ্যক খণ্ডত ভাষণ দি প্রধানমন্ত্রী মোদীয়ে স্মৰণ কৰে যে বচ বছৰ পূর্বে বিজয়া দশমীৰ দিনা এই অনুষ্ঠানৰ আৰম্ভণি হৈছিল। তেতিয়াৰ পৰা ❐ ৬ পৃষ্ঠাত

■ ৰাজ্যজুৰি তীব্র প্রতিক্রিয়া; অসম আৰক্ষীৰ তদন্ত অব্যাহত ■

শ্রীভূমিত বিহু দলক আক্রমণকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ নির্দেশ মুখ্যমন্ত্রীৰ

ষ্টাফ ৰিপৰ্টাৰ, শ্রীভূমি, ২৫ অক্টোবৰ ঃ শ্রীভূমিত প্রতিমা বিসর্জনৰ শোভাযাত্রাত অংশগ্রহণ কৰা এটা বিহু দলৰ শিল্পীসকলৰ ওপৰত সংঘটিত আক্রমণৰ ঘটনাক লৈ ৰাজ্যজুৰি তীব্র প্রতিক্রিয়াৰ সৃষ্টি ❐ ৬ পৃষ্ঠাত



■ বুচানত কর্মৰত ভাৰতীয় পেছাদাৰীসকলৰ সৈতে মত বিনিময় ■

চাৰিদিনীয়া ভ্রমণসূচীৰে দক্ষিণ কোৰিয়ালৈ কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱাল

অনলাইন ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্রালয়ৰ (MoPSW) কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে আজিৰে পৰা দক্ষিণ কোৰিয়ালৈ চাৰিদিনীয়া ভ্রমণ আৰম্ভ কৰিছে। এই ভ্রমণৰ জৰিয়তে তেওঁ কোৰিয়াৰ উদ্যোগসমূহৰ আগত ভাৰতৰ সামুদ্রিক খণ্ডৰ সম্ভাবনাসমূহ দাঙি ধৰিব। দুয়োখন দেশে জাহাজ নির্মাণৰ ক্ষেত্রত সহযোগিতা সম্প্রসাৰণৰ প্রচেষ্টা চলোৱাৰ লগতে ২০৪৭ চনৰ ভিতৰত বিশ্বৰ শীর্ষ পাঁচখন জাহাজ নির্মাণকাৰী দেশৰ ভিতৰত স্থান লাভ কৰাৰ ভাৰতৰ লক্ষ্যক আগবঢ়াই নিয়াৰ ❐ ৭ পৃষ্ঠাত

শৰতৰ চন্দ্রাবলী ৰাতি হ'ব অতি বিতোপন, ১০৫ বছৰীয়া পৰম্পৰা ৰক্ষাৰে অনুষ্ঠিত হ'ব ৰাস

মাজুলীৰ প্রায় ৬৫খন মঞ্চত ৰাসলীলাৰ নাটমেলা পর্ব আৰম্ভ

অসম বার্তা, মাজুলী, উজনী মাজুলী, বনগাঁও, ২৫ অক্টোবৰ ঃ দুর্গোৎসববিহীন মাজুলীত আজিৰ দিনটোৰ পৰাই আৰম্ভ হৈছে শাৰদীয় উৎসব। শৰৎ মানেই শাৰদীয় উৎসৱৰ বতৰ। বিশেষকৈ শৰৎ অহাৰ লগে-লগেই নদীবীপ মাজুলীয়ে ন ৰূপত প্রাণ পাই উঠে। মাজুলীৰ শাৰদীয় মূল উৎসব আউনীআটী সত্রৰ পালনাম আৰু ৰাসোৎসবক লৈ মাজুলীবাসী অধীৰ অপেক্ষাৰে বৈ থাকে। ভগৱান শ্রীকৃষ্ণই মর্ত্যত কৰা কর্মবাজিক ৰাসোৎসৱৰ জৰিয়তে প্রতিফলিত কৰা হয়। তেওঁৰ ৰসপূর্ণ অর্থাৎ তাত্ত্বিক ৰসৰে সমৃদ্ধ কথাবস্তুক ৰাসলীলাৰ মাধ্যমেৰে আত্মাৰ পৰা পৰমাত্মালৈ, দৈনন্দিন জীৱনৰ সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু কাম প্রবৃত্তিসমূহক কলাত্মক ৰূপ প্রদান কৰি ৰাসলীলাত অংকন কৰা হৈছে। এই কৃষ্ণ ৰাস লীলাৰ লগত সত্র দ্বীপ মাজুলীৰ মানুহৰ এক সুকীয়া আধ্যাত্মিক সুখানুভূতি জড়িত হৈ আছে। মাজুলীৰ বাবে শৰৎ বুলিলেই যেন ৰাস-পালনাম। তাতে আজি লক্ষ্মী পূজা। আজি এই লক্ষ্মী পূর্ণিমাৰ পবিত্র ক্ষণতে সমগ্র মাজুলীৰ সমূহ সত্রৰ লগতে ❐ ৬ পৃষ্ঠাত



বায়ুসেনাৰ ৯৪ সংখ্যক প্রতিষ্ঠা দিৱস উপলক্ষে নমো ঘাটত এয়াৰ ডিছপ্লে-২০২৬

ৰাৰাণসীত প্রধানমন্ত্রী মোদীৰ নতুন পোছাক কাৰখানাৰ উদ্বোধন আৰু উইংছ অভাৰ গংগেছ' এয়াৰ শ্বৰ্তত অংশগ্রহণ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ অক্টোবৰ ঃ উত্তৰ প্রদেশৰ ৰাৰাণসীত দেওবাৰে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ৰোড শ'ত অংশগ্রহণ কৰে। নিজৰ সংসদীয় সমষ্টি ভ্রমণলৈ অহা প্রধানমন্ত্রীয়ে অৰবিন্দ লিমিটেডৰ এটা নতুন পোছাক নির্মাণ কাৰখানাৰ উদ্বোধন কৰে। ❐ ৬ পৃষ্ঠাত

বেংকিং ব্যৱস্থাক চাইবাৰ সন্ত্রাসবাদীৰ পৰা সুৰক্ষিত ৰাখিবলৈ আহ্বান

ভুৱনেশ্বৰত আৰবিআইৰ ডাটা চেণ্টাৰ আৰু চাইবাৰ সুৰক্ষা প্রশিক্ষণ প্রতিষ্ঠান উদ্বোধন প্রধানমন্ত্রী

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ অক্টোবৰ ঃ যুদ্ধ আজি কেবল গতানুগতিক অস্ত্র-শস্ত্রৰ জৰিয়তেহে নহয়, অর্থনীতিক লক্ষ্য কৰিও চলোৱা হয়। সেয়ে ভাৰতৰ বেংকিং ব্যবস্থাক 'চাইবাৰ সন্ত্রাসবাদী'ৰ পৰা সুৰক্ষিত ৰখাটো অত্যন্ত প্রয়োজনীয় বুলি মন্তব্য ❐ ৮ পৃষ্ঠাত

দুলীয়াজানত জুবিন গাৰ্গৰ ৫৪তম্ জন্মজয়ন্তী আৰু সন্মিলিত শিল্পী সমাজৰ প্ৰথম প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি তুংগত

অসম বাৰ্তা, দুলীয়াজান, ২৫ অক্টোবৰ ঃ দুলীয়াজানৰ শিল্প-সংস্কৃতিৰ ক্ষেত্ৰখনক এক নতুন মাত্ৰা প্ৰদান কৰাৰ উদ্দেশ্যে যোৱা ২০২৫ চনৰ নৱেম্বৰ মাহত জন্ম লাভ কৰা 'সন্মিলিত শিল্পী সমাজ, দুলীয়াজান'এ এটা গৌৰৱময় বৰ্ষ অতিক্ৰম কৰিছে। এই উপলক্ষে অহা ২৮ আৰু ২৯ নৱেম্বৰত দুলীয়াজান বিহুতলী প্ৰাংগণত সমাজৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আয়োজন কৰা হৈছে। লগতে, এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমৰ শিল্পী জুবিন গাৰ্গৰ ৫৪তম্ জন্মজয়ন্তীও দুদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। সন্মিলিত শিল্পী সমাজে প্ৰকাশ কৰা কাৰ্যসূচী অনুসৰি, মূল অনুষ্ঠানৰ পূৰ্বে অহা ১৫ নৱেম্বৰৰ (দেওবাৰ) পুৱা ৯ বজাত দুলীয়াজানৰ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন 'ঠাইতে ছবি আঁকা প্ৰতিযোগিতা' অনুষ্ঠিত হ'ব। পৰৱৰ্তী সময়ত ২৮ নৱেম্বৰৰ পুৱা ৮:৩০ বজাত সন্মিলিত শিল্পী সমাজৰ সভাপতি অনন্ত গগৈয়ে পতাকা উত্তোলন কৰিব আৰু ৮:৪৫ বজাত কাৰ্যকৰী সভাপতি অনলজ্যোতি শৰ্মাই স্মৃতি তৰ্পণ কৰিব। পুৱা ৯ বজাত জাতীয় সংগীত পৰিৱেশনৰ পাছত ৯:১৫ বজাত সমাজৰ গঠন আৰু উদ্দেশ্য সম্পৰ্কে বক্তব্য আৰু ৯:৩০ বজাত সমূহ সদস্য-সদস্যাৰ দ্বাৰা বৃক্ষ ৰোপণ কৰা হ'ব। আনহাতে, সেইদিনা সন্ধিয়া ৫ বজাত সাংস্কৃতিক মঞ্চ মুকলিৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত সম্বৰ্ধনা, বৰগীত আৰু অসমৰ লোকবাদ্যৰ আধাৰত সংগীতানুষ্ঠান পৰিৱেশন হ'ব। সন্ধিয়া ৬:৪৫ বজাত চিত্ৰাংকন আৰু 'জুবিন সংগীত প্ৰতিযোগিতা'ৰ বিজয়ীসকলক বঁটা প্ৰদান কৰাৰ লগতে নিশা ৭:৪৫ বজাৰ পৰা সমাজৰ শিল্পীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৯ নৱেম্বৰৰ কাৰ্যসূচী বিশেষভাৱে শিল্পী জুবিন গাৰ্গৰ জন্মজয়ন্তীৰ বাবে সজাই তোলা হৈছে। সন্ধিয়া ৫ বজাত জুবিন গাৰ্গৰ ৫৪তম জন্মতিথিৰ বন্তি প্ৰজ্বলন, ৫:১০ বজাত কবিতা আবৃত্তি আৰু ৫:২০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰা হ'ব। সন্ধিয়া ৫:৪০ বজাত শলাগৰ শৰাইৰ পিছতে ৬ বজাত জুবিনৰ গীতৰ আধাৰত সৃষ্টিমূলক নৃত্য, ৬:১৫ বজাত সমাজৰ শিল্পীসকলৰ সাংস্কৃতিক অনুষ্ঠান আৰু নিশা ৮:১৫ বজাত আমন্ত্ৰিত শিল্পীসকলৰ গীতৰ শৰাই অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ সামৰণিত নিশা ১০ বজাত উপস্থিত সমূহ শিল্পী আৰু ৰাইজে একেলগে জুবিন গাৰ্গৰ জনপ্ৰিয় 'মায়াবিনী' গীতটি সমবেত কণ্ঠত পৰিৱেশন কৰিব। দুলীয়াজানৰ সাংস্কৃতিক পৰিৱেশক অধিক সমৃদ্ধ কৰিবলগীয়া এই অনুষ্ঠানত সমূহ শিল্পী, কলা-সংস্কৃতিপ্ৰেমী আৰু শুভাকাংক্ষী ৰাইজৰ উপস্থিতি তথা সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে সমিতিৰ সভাপতি অনন্ত গগৈ, কাৰ্যকৰী সভাপতি অনলজ্যোতি শৰ্মা আৰু সাধাৰণ সম্পাদক ভৰত গগৈয়ে।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ স্মৃতি ৰোমন্থন, শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা আৰু ন-পুৰণিৰ মিলনেৰে মুখৰিত বিদ্যালয়ৰ চৌহদ

পি এম শ্ৰী বৰচিলা উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ সফল সামৰণি



অসম বাৰ্তা, আমগুৰি, ২৫ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত নামতিৰ পিএমশ্ৰী বৰচিলা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ সফল সামৰণি পৰে। বিদ্যালয়খনৰ সৈতে অতীতৰ পৰা জড়িত হৈ থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পুনৰ মিলন, পুৰণি স্মৃতিৰ ৰোমন্থন, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন আৰু বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ সৈতে নতুনকৈ সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে আয়োজিত এই সমাৰোহত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। পুৱা বিদ্যালয়ৰ প্ৰধান শিক্ষক মনোজ কুমাৰ বৰুৱাই পতাকা উত্তোলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে সমাজকৰ্মী ৰূপেশ্বৰ হীৰাই গছপুলি ৰোপণ আৰু স্মৃতি তৰ্পণ কৰে বিদ্যালয়খনৰ প্ৰাক্তন প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী নলিনী বালা দুৱৰাই। প্ৰাক্তন ছাত্ৰ লুহিত বৰুৱাই আঁত ধৰা অনুষ্ঠানটোৰ মুকলি সভাত পৌৰোহিত্য কৰে বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক দীপক ৰঞ্জন শৰ্মাই। সভাৰ আৰম্ভণিতে পি এম শ্ৰী বৰচিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মনোজ কুমাৰ বৰুৱাই আদৰণী ভাষণ আগবঢ়ায়। আদৰণী ভাষণত তেওঁ সমাৰোহত উপস্থিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, আমন্ত্ৰিত অতিথি আৰু শুভাকাংক্ষীসকলক আদৰণি জনোৱাৰ লগতে এনে সমাৰোহে বিদ্যালয় আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰে। আনহাতে, মুকলি সভাত নাজিৰা খণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়া প্ৰণৱ গগৈ, কৰুণাকান্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দুৰ্গেশ্বৰ গগৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নলিনী বালা দুৱৰা, অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেণ শইকীয়া, মদন চেতিয়া আৰু ৰীতামণি চেতিয়াৰ লগতে শিক্ষক শৈশৱ শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পংকজ গায়ন, প্ৰাক্তন ছাত্ৰ সুৰেশ তাঁতী আৰু দীপক কুৰ্মী আদি বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকি ভাষণ প্ৰসঙ্গত বিদ্যালয়ৰ সৈতে জড়িত পুৰণি স্মৃতিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকা আৰু শিক্ষানুষ্ঠানৰ সামাজিক গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। লগতে বিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰা প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সৈতে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ মত-বিনিময়ে নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলিও বক্তাসকলে আশা প্ৰকাশ কৰে। সমাৰোহৰ অন্যতম উল্লেখযোগ্য কাৰ্যসূচী আছিল বিদ্যালয়খনৰ দুগৰাকী কৃতী প্ৰাক্তন শিক্ষাৰ্থীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে, অনুষ্ঠানত দুলীয়াজানৰ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ ড° সুমন্ত ভট্টাচাৰ্য আৰু খোৱাং মহাবিদ্যালয়ৰ অধ্যাপিকা ড° পল্লৱী হাজৰিকাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ড° সুমন্ত ভট্টাচাৰ্যই ভাষণৰ প্ৰসংগত বিদ্যালয়খনৰ পৰা শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত শিক্ষাৰ ক্ষেত্ৰত নিজ নিজ কৰ্মজীৱনত প্ৰতিষ্ঠা লাভ কৰা এই দুই প্ৰাক্তন শিক্ষাৰ্থীৰ উপস্থিতিয়ে সমাৰোহৰ মৰ্যাদা বৃদ্ধি কৰে বুলি মন্তব্য কৰে। ড° পল্লৱী হাজৰিকাক বিদ্যালয়ত কটোৱা শৈশৱ আৰু কৈশোৰৰ দিনবোৰৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে জীৱনৰ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যোৱা আৰু বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ উন্নয়ন, শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশ আৰু শিক্ষানুষ্ঠানখনৰ সৈতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সম্পৰ্ক অটুট ৰখাৰ ক্ষেত্ৰত সকলোৰে সামূহিকভাৱে আগবাঢ়ি অহাটো বিশেষ প্ৰয়োজন বুলি মন্তব্য কৰে। তদুপৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহে কেৱল পুৰণি সহপাঠীসকলৰ পুনৰ মিলনৰ সুযোগেই সৃষ্টি নকৰে, বৰঞ্চ বিদ্যালয়ৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত এক সুদৃঢ় সংযোগ স্থাপনতো সহায় কৰে বুলিও উল্লেখ কৰে। ন-পুৰণিৰ মিলন, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি সন্মান আৰু কৃতী প্ৰাক্তন শিক্ষাৰ্থীৰ স্বীকৃতিৰে বিদ্যালয় চৌহদত সৃষ্টি হোৱা উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে সমাৰোহৰ সফল সামৰণি পৰে।

অসম গৌৰৱ বঁটাৰে সন্মানিত ভাৰতীয় ফুটবল তাৰকা হলিচৰণ নাৰ্জাৰী

অসম বাৰ্তা, বৰপেটাৰোড, ২৫ অক্টোবৰ ঃ অসম চৰকাৰে ঘোষণা কৰা সন্মানীয় 'অসম গৌৰৱ' বঁটা লাভ কৰিছে ভাৰতীয় ফুটবল দলৰ তাৰকা খেলুৱৈ হলিচৰণ নাৰ্জাৰীয়ে। ক্ৰীড়াক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে চৰকাৰে তেওঁক এই সন্মানেৰে ভূষিত কৰিছে। শৈশৱত চৰম অভাৱ-অনাটন আৰু খেলাৰ উপযুক্ত সুবিধা নোহোৱাকৈয়ে সংগ্ৰাম কৰি ডাঙৰ হোৱা হলিচৰণ নাৰ্জাৰীৰ এই যাত্ৰা অত্যন্ত অনুপ্ৰেৰণাদায়ক। জোতা এযোৰ পিন্ধাৰো পৰিস্থিতি নথকা অৱস্থাৰ পৰা নিজৰ অদম্য হেঁপাহ আৰু কঠোৰ পৰিশ্ৰমেৰে তেওঁ ভাৰতীয় জাতীয় দলৰ গুৰুত্বপূৰ্ণ খেলুৱৈ হৈ পৰিছে। তেওঁৰ এই সংগ্ৰামৰ সফলতাই এতিয়া সমগ্ৰ দেশৰ উদীয়মান ক্ৰীড়াবিদসকলৰ বাবে এক ডাঙৰ আদৰ্শ হৈ পৰিছে। নাৰ্জাৰীৰ জন্ম কোকৰাঝাৰত যদিও বৰ্তমান তেখেত বৰপেটাৰোডৰ বাসিন্দা।

ৰাষ্ট্ৰীয় ঘাইপথত তেলভৰ্তি টেংকাৰ দুৰ্ঘটনাগ্ৰস্ত

পুৰণিগুদামৰ অভিশপ্ত কেঁকুৰীত পুনৰ পথ দুৰ্ঘটনা



অসম বাৰ্তা, পুৰণিগুদাম, ২৫ অক্টোবৰ ঃ নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত পুৰণিগুদামৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অভিশপ্ত কেঁকুৰীত যোৱা নিশা প্ৰায় ১-২০ মান বজাত পুনৰ এক পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, নুমলীগড়ৰ পৰা হোজাই অভিমুখী এন-এল-০১-এল-৬৮৭৫ নম্বৰৰ এখন পেট্ৰ'ল ভৰ্তি টেংকাৰে ৰাষ্ট্ৰীয় পথৰ ডিভাইদাৰ আৰু বিদ্যুতৰ খুঁটা ভাঙি দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাত পথৰ কাষৰ উমা ভূঞাৰ শাক-পাছলিৰ দোকান ভাঙি লণ্ড-ভণ্ড হয়। পেট্ৰ'লৰ টেংকাৰখন বাগৰি পৰাত তেল নিৰ্গমন হয়। পাছত অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত অগ্নি নিৰ্বাপন বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰীয় পথ প্ৰাধীকৰণ বিভাগৰ দুৰন্ত গাফিলতি আৰু দুৰ্নীতিৰে আধৰুৱাকৈ অবিজ্ঞানসন্মত নিৰ্মাণ কাৰ্যৰ বাবেই এই এলেকাত পঞ্চাশটাৰো অধিক পথ দুৰ্ঘটনাত প্ৰায় বিশজনৰো অধিক লোকে প্ৰাণ হেৰুৱাৰ লগতে বহুলোক আহত হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইফালে, বিদ্যুতৰ খুঁটা কে'বাবাৰো ভগাৰ লগতে ডিভাইদাৰ ভাঙি টুকুৰা-টুকুৰ হৈ পৰিছে। মানুহৰ প্ৰাণ যোৱাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ষতিসাধন হৈ আছে যদিও পথ নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰৰ কাণসাৰ নোহোৱাত আৰু যান-বাহন নিয়ন্ত্ৰণৰ বাস্তৱ ব্যৱস্থা, সতৰ্কৰণৰ চাইনবৰ্ড, হালধীয়া লাইট, ৪০ কিঃমিঃ গতিবেগৰ নিৰ্দেশনা আদি নোহোৱাৰ কাৰ্যত তীব্ৰ গৰিহণা দিছে স্থানীয় সচেতন নাগৰিকে। উল্লেখ্য যে, ৰাষ্ট্ৰীয় ঘাইপথৰ পুৰণিগুদামৰ কেঁকুৰীত কিছুদিনৰ পূৰ্বে সংঘটিত দুৰ্ঘটনাত বিলাসী গাড়ী জ্বলি গাড়ীৰ ভিতৰতে দুগৰাকী মহিলা জ্বলি গৈছিল এইবাৰ আজি পুৱতি নিশাৰ দুৰ্ঘটনাত বৃহত্তৰ অঞ্চলটোৰ পেট্ৰ'ল টেংকাৰখন জুইত জাহ যোৱাৰ পৰা বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ ৰাইজ ৰক্ষা পৰিল। তেল ভৰ্তি টেংকাৰখন সৌভাগ্যবশতঃ নজ্বলিল যদিও সমগ্ৰ অঞ্চলটো তেলেৰে ওপঙাই পেলায়। উক্ত দুৰ্ঘটনাত টেংকাৰখনৰ চালক, হেন্দিমেন আঘাতপ্ৰাপ্ত হয় বুলি জানিব পৰা গৈছে।

জাপান এছিয়ান গেমছৰ সফলতাৰ পিছত ৰাইজৰ আদৰণি

নাজিৰাত স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁইক বিপুল সম্বৰ্ধনা

অসম বাৰ্তা, গেলেকী, ২৫ অক্টোবৰ ঃ জাপানত সম্প্ৰতি সামৰণি পৰা ২০২৬ বৰ্ষৰ ঐতিহ্যমণ্ডিত এছিয়ান গেমছৰ মহিলা বক্সিঙৰ ৭৫ কেজি শাখাত চমকপ্ৰদ প্ৰদৰ্শনেৰে সোণৰ পদক জয় কৰি দেশ তথা ৰাজ্যলৈ গৌৰৱ কাঢ়িয়া আনিব পৰা অসমৰ স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁইক আজি নাজিৰাত বিপুল উষ্ম সম্বৰ্ধনা জনোৱা হয়। নাজিৰা পৌৰসভা আৰু শিমলুগুৰি পৌৰসভাৰ যৌথ উদ্যোগত নাজিৰা এম চি ক্লাব প্ৰাংগনত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সম্বৰ্ধনা সভাত নাজিৰা আঞ্চলৰ বিভিন্ন



সামাজিক-সাংস্কৃতিক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা সহস্ৰাধিক উৎসাহিত ৰাইজে উপস্থিত থাকি ক্ৰীড়াবিদগৰাকীক উষ্ম আদৰণি আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। উক্ত অৰ্থপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত বিশ্ববিজয়ী ক্ৰীড়াবিদ লাভলীনা বৰগোহাঁইৰ পিতৃ-মাতৃৰ উপৰি নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁই, নাজিৰা সমজিলাৰ আয়ুক্ত প্ৰতীভা মেশ্ৰাম আৰু অঞ্চলটোৰ বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উপস্থিত বক্তাসকলে লাভলীনাৰ এই ঐতিহাসিক সফলতাৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে তেওঁৰ কঠোৰ সাধনা আৰু একাগ্ৰতাই উদীয়মান ক্ৰীড়াবিদসকলক সদায় প্ৰেৰণা যোগাই যাব বুলি ব্যক্ত কৰে। সংবৰ্ধনা গ্ৰহণ কৰি স্বৰ্ণকন্যা লাভলীনাই নাজিৰাবাসী ৰাইজৰ এনে মৰম আৰু আদৰণিৰ বাবে গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰে।

বৰাকত অসমীয়া গান নচলিব ! শ্ৰীভূমিত বিহু দলৰ ওপৰত বৰ্বৰ আক্ৰমণক তীব্ৰ গৰিহণা জাফাৰ

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৫ অক্টোবৰ ঃ শ্ৰীভূমি জিলাৰ হিন্দুস্তান ক্লাবত দুৰ্গা পূজাৰ সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত বিহু দল এটাৰ ওপৰত সংঘটিত বৰ্বৰ আক্ৰমণৰ ঘটনাই সমগ্ৰ অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাক জাৰ্নালিষ্ট এছোচিয়েচন ফৰ আসাম (জাফা) য়ে অসমীয়া জাতি, ভাষা আৰু সংস্কৃতিৰ ওপৰত পোনপটীয়া আক্ৰমণ বুলি অভিহিত কৰি তীব্ৰ গৰিহণা দিছে। জাফাৰ অভিযোগ অনুসৰি, অনুষ্ঠান চলি থকাৰ মাজতে এচাম দুষ্কৃতিকাৰীয়ে "বৰাক উপত্যকাত অসমীয়া গান নচলিব" বুলি সাম্প্ৰদায়িক শ্লʼগান দি বিহুৱা শিল্পীসকলক আক্ৰমণ কৰে। আক্ৰমণত দলৰ সকলো সদস্য আঘাতপ্ৰাপ্ত হয়। দুষ্কৃতিকাৰীয়ে বিহুৰ পবিত্ৰ ঢোল-পেঁপা-গগণা ভাঙি লণ্ডভণ্ড কৰে আৰু এজন শিল্পীৰ সোণৰ চেইন লুট কৰি নিয়ে। এই সন্দৰ্ভত জাফাৰ কেন্দ্ৰীয় সভাপতি অভিদ্বীপ চৌধুৰী, কাৰ্যকৰী সভাপতি পংকজ ডেকা, প্ৰধান সম্পাদক কুঞ্জ মোহন ৰায় আৰু মুখ্য সাংগঠনিক সম্পাদক কুশল শইকীয়াই এক যৌথ বিবৃতিত কয়, "বৰাক-ব্ৰহ্মপুত্ৰৰ মাজত বিভাজনৰ বীজ সিঁচি অসমৰ শান্তি-সম্প্ৰীতি বিনষ্ট কৰাৰ চেষ্টা কোনো কাৰণতে সহ্য কৰা নহ'ব। বৰাক অসমৰ অবিচ্ছেদ্য অংগ। অসমীয়া গান বৰাকত নচলিব বুলি কোৱাৰ অধিকাৰ কাৰো নাই।'চ জাফাই অসমৰ মুখ্যমন্ত্ৰী আৰু শ্ৰীভূমি জিলা প্ৰশাসনক ঘটনাৰ নিৰপেক্ষ আৰু দ্ৰুত তদন্ত কৰা, দোষীক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰা, আহত শিল্পীসকলৰ চিকিৎসা আৰু ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে। "বিহু অসমীয়াৰ আত্মা, বিহুক অপমান কৰা মানে অসমীয়া জাতিক অপমান কৰা", বুলি জাফাই ক্ষোভ প্ৰকাশ কৰে।

বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীলৈ আগবঢ়াব এই বৰ্ষৰ সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা

শিৱসাগৰত আছুৰ সাহিত্যৰথীৰ ওপজা দিন উদ্‌যাপন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৫ অক্টোবৰ ঃ সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানত আজি সমগ্ৰ শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত আছুৱে উদ্‌যাপন কৰে সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ওপজা দিন। সাহিত্যৰথীৰ আত্মজীৱনীত উল্লিখিত ধৰণেৰে বিগত ছয়টা বৰ্ষ ধৰি শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰত্যেক বছৰে লক্ষ্মী পূৰ্ণিমাৰ দিনটো তেখেতৰ ওপজা দিনৰূপে পালন কৰি আহিছে। জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰস্থ লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত জিলা ছাত্ৰ সন্থাই শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কেন্দ্ৰীয় ভাৱে পালন কৰে ওপজা দিনৰ কাৰ্যসূচী। শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম বৰুৱা আৰু সাধাৰণ সম্পাদক তানজিল আশ্ৰফ আহমেদে আঁতধৰা অনুষ্ঠানটি বেজবৰুৱাৰ আজো পৰিনাতি বোৱাৰী অৰুন্ধতী বেজবৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলিৰে মুকলি কৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সমীৰণ ফুকন, সদৌ অসম ছাত্ৰ সন্থাৰ নব-নিৰ্বাচিত কাৰ্যনিৰ্বাহক সদস্য দীপাংকৰ শইকীয়া, জিলা ছাত্ৰ সন্থাৰ সভাপতি জীপম বড়া আৰু সাধাৰণ সম্পাদক প্ৰীতম বৰগোহাঁই বেজবৰুৱালৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অনুষ্ঠানটিত আছু'ৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন ডাঙৰীয়াই কয়- সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা অসমৰ এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি, শিৱসাগৰৰ সুসন্তান গৰাকীৰ জীৱন চৰ্যা সুকীয়া। তেখেতৰ কলমৰ কাপেৰে নিগৰা শব্দ বাক্যই জাতিটোক নতুন দিগন্তৰ সন্ধান দি গৈছে। তেওঁৰ ৰচনাৱলীক নতুন পুৰুষে অধ্যয়ন কৰি তাৰ চিন্তণ, মন্থনৰ জৰিয়তে আহিব লগা দিনৰ বাট মোকলাব লাগিব। তেখেতৰ আপুৰুগীয়া সৃষ্টিক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বোৱাই নিবৰ বাবে যুগসাপেক্ষ ব্যৱস্থা ৰূপায়ণৰ উদ্দেশ্যে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। ছাত্ৰ সন্থায়ো এই দিশত নিজৰ সাধ্যানুসৰি পদক্ষেপ গ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা শিৱসাগৰৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পংকজজ্যোতি হাজৰিকাই লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন সন্দৰ্ভত আলোকপাত কৰি তেখেতলৈ গভীৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰি শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ এনে ইতিবাচক পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে। ভাষণ প্ৰসংগত ড° হাজৰিকাই কয়- এটা জাতিৰ অস্তিত্ব কিহেৰে নিৰ্ধাৰিত হয়? মাটিৰে, মানুহেৰে, নে কেৱল এখন ৰাজনৈতিক মানচিত্ৰৰে। বেজবৰুৱাদেৱ কেৱল এজন সাহিত্যিক নাছিল, তেওঁ আছিল এটা জাতিৰ আত্মবিশ্বাসৰ নিৰ্মাতা, তেওঁৰ প্ৰকৃত কৃতিত্ব আছিল অসমীয়া মানুহক নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতিক লৈ গৌৰৱ কৰিবলৈ শিকোৱা। লগতে এটা জাতিৰ জাতীয়তাবোধ জীয়াই ৰাখিবলৈ হলে অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিব লাগিব যত কৰ্মসংস্কৃতিহে আচল উৎস। 'অ' মোৰ আপোনাৰ দেশ' এটি গীত নহয়, জাতিৰ আত্মাৰ ভাষা। অসমীয়া জাতীয়তাবাদৰ অৰ্থ সংকীৰ্ণতা নহয়, আত্মমৰ্যাদা। অসমীয়া ভাষাৰ ভৱিষ্যৎ আমাৰ হাতত, আমাৰ ঘৰত, আমাৰ শিক্ষানুষ্ঠানত আছে বুলি মন্তব্য আগবঢ়ায়। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰদান কৰা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা সন্দৰ্ভত ঘোষণা কৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি-সাধাৰণ সম্পাদকে কয়, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক আমাৰ মাজত জীয়াই ৰাখিবৰ বাবে আৰু তেখেতক নতুন পুৰুষৰ স'তে পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে শিৱসাগৰৰ সু-সন্তান গৰাকীৰ নামেৰে জিলা ছাত্ৰ সন্থাই প্ৰতিবছৰে এটি বঁটা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা শীৰ্ষকেৰে প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰি বিগত চাৰিটা বৰ্ষত এই বঁটা প্ৰদান কৰিছে। অসমৰ সমাজ জীৱন, সাহিত্য-সংস্কৃতিলৈ প্ৰতিভূ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত জিলা ছাত্ৰ সন্থাই কাৰ্যকৰী কৰি আহিছে। এই বৰ্ষৰ বঁটা অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীলৈ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। হৃদয় এক বিজ্ঞাপন, নাহৰৰ নিৰিবিলি ছাঁ, চাহেবপুৰাৰ বৰযুণ আদি গ্ৰন্থৰ প্ৰণেতা অনুৰাধা শৰ্মা পূজাৰীক চলিত বৰ্ষতে শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰা হ'ব বুলি আছু নেতৃত্বই অৱগত কৰিছে।

বৰক্ষেত্ৰীৰ ১নং নাৰুৱাত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ সোণালী জয়ন্তী বৰ্ষ পাঁচদিনীয়াকৈ পালন

অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ অক্টোবৰ ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ১নং নাৰুৱা গাঁৱত লক্ষ্মী পূজা উপলক্ষে আজিৰে পৰা পাঁচদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। ১৯৭৭ চনত নাৰুৱা গাঁৱত স্থাপিত লক্ষ্মী মন্দিৰৰ পূজাভাগে এইবেলি ৫০ বৰ্ষত ভৰি দিয়াত গাঁওবাসীয়ে লক্ষ্মী পূজাৰ সোণালী জয়ন্তী পালন কৰিছে। লক্ষ্মী দেৱীৰ প্ৰতিমা লৈ অঞ্চলটোত এক ধৰ্মীয় আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰিছে সমূহ গাওঁবাসীয়ে। ১ নং নাৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত ১২ লক্ষাধিক টকাৰ বাজেটেৰে ধৰ্মীয়, আধ্যাত্মিক, সাংস্কৃতিক আৰু বিভিন্ন কাৰ্যসূচীৰ মাজেৰে পাঁচদিনীয়াকৈ লক্ষ্মী পূজাৰ সোণালী জয়ন্তী আজিৰে পৰা আৰম্ভ হৈছে। পূজা পৰিচালনা সমিতিৰ সম্পাদক কৰ্ণধৰ দাসে জনোৱা অনুসৰি আজি ২৫ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ আৰম্ভ হোৱা লক্ষ্মী পূজাৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী মৰ্মে ২৫ অক্টোবৰত পুৱা ৮.৩০ বজাত পতাকা উত্তোলন কৰে পূজা পৰিচালনা সমিতিৰ সভাপতি মহীধৰ দাসে আৰু ধৰ্মধ্বজা উত্তোলন কৰে ব্ৰজেন্দ্ৰ নাথ শৰ্মাই। পুৱা ৯ বজাত লক্ষ্মী পূজাৰ ৫০ বছৰ উপলক্ষ্যে অঞ্চলটোৰ ৫০গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০খন পতাকা উত্তোলন কৰা হ'য়। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কৰা হ'য়। দিনৰ ১০.৩০ বজাত গাঁওখনত উলিওৱা হ'য় ধৰ্মীয়-সাংস্কৃতিক শোভাযাত্ৰা। আনহাতে, সন্ধিয়া ৫০ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। নিশা ৯ বজাত জনসেৱা কামৰূপীয়া ঢুলীয়া দলৰ নাট প্ৰদৰ্শন কৰিব। ২৬ অক্টোবৰৰ পুৱা ১১ বজাৰ পৰা অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত কলাগুৰু



থিয়েটাৰৰ প্ৰথম নিশাৰ নাট নিবেদন কৰিব। নিশা ১০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। নিশা গীত পৰিৱেশন কৰিব ৰহিম ৰাজ আৰু প্ৰিয়ংকা কলিতাই। ২৭ অক্টোবৰত পুৱা ১০ বজাত ভাগৱত পাঠ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত কলাগুৰু থিয়েটাৰৰ দ্বিতীয় নিশাৰ নাট প্ৰদৰ্শন কৰিব। নিশা ৯ বজাত মা মনসা পুতলা থিয়েটাৰৰ নাট প্ৰদৰ্শন কৰা হ'ব। ২৮ অক্টোবৰত দুপৰীয়াৰ ভাগত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। গ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট কবি ড° বিনয় কুমাৰ মজুমদাৰে। আবেলি ৩ বজাত নাগাৰা নাম পৰিৱেশন কৰিব নাগাৰা নামৰ জনপ্ৰিয় পাঠক মহেশ ডেকা আৰু বৈজয়ন্তী নাথ তালুকদাৰে। ২৯ অক্টোবৰৰ পুৱা ১১ বজাত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া ২ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, আবেলি ৪ বজাৰ পৰা অসম ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশা ৯ বজাত পাপৰি মিনি থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব।

মাজুলীৰ ভকত চাপৰিত ১২ দিনীয়া মুখা নিৰ্মাণ প্ৰশিক্ষণ সম্পন্ন; প্ৰমাণ পত্ৰ বিতৰণ



অসম বাৰ্তা, উজনী মাজুলী, ২৫ অক্টোবৰ ঃ মাজুলীৰ ভকতচাপৰিত মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে আয়োজিত ১২ দিনীয়া বিনামূলীয়া মুখা নিৰ্মাণ প্ৰশিক্ষণ শিবিৰটোৰ আজি সফল সমাপ্তি ঘটে। মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ বিশেষ প্ৰচেষ্টা আৰু আঞ্চলিক ৰাইজৰ সহযোগিতাত অনুষ্ঠিত এই প্ৰশিক্ষণত অঞ্চলটোৰ মুঠ ৪৭ গৰাকী উৎসাহী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। সেই উপলক্ষে আজি পুৱা ১১ বজাৰ পৰা মদাৰগুৰি প্ৰাথমিক বিদ্যালয়ৰ সভাগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত এই সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ শুভাৰম্ভণি কৰে অঞ্চলটোৰ বয়োজ্যেষ্ঠ ব্যক্তি নবীন চন্দ্ৰ ভূএগাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সাংবাদিক তথা মাজুলী ৰূপ বৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰাই আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক। তেওঁ নিজৰ ভাষণত মহিলাসকলৰ আত্মনিৰ্ভৰশীলতা আৰু আৰ্থিক স্বাৱলম্বনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এই প্ৰশিক্ষণৰ জৰিয়তে স্থানীয় মহিলাসকলে নিজৰ পৰম্পৰাগত শিল্পকৰ্মৰ জৰিয়তে স্বাৱলম্বী হৈ সমাজত এক নতুন পথ প্ৰদৰ্শন কৰিব পাৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। অনুষ্ঠানত উদ্যোগী যুৱক প্ৰাঞ্জল বৰা আৰু পিংকি শইকীয়াইও বক্তব্য প্ৰদান কৰে। ইয়াৰ লগতে প্ৰশিক্ষক অনন্ত কলিতা আৰু বুলবুলি হাজৰিকাই প্ৰশিক্ষণৰ অভিজ্ঞতা সম্পৰ্কে মত প্ৰকাশ কৰে। প্ৰশিক্ষাৰ্থীসকলৰ ফালৰ পৰা নিহা কলিতা, মঞ্জু ফুকন আৰু জোনমণি চেকনি ধৰাই নিজৰ মনৰ অনুভৱ প্ৰকাশ কৰি এই প্ৰশিক্ষণ লাভ কৰি তেওঁলোক অত্যন্ত উপকৃত হোৱা বুলি উল্লেখ কৰে। অনুষ্ঠানত অংশগ্ৰহণ প্ৰশিক্ষণত কৰা মহিলা সকলক মানপত্ৰ প্ৰদান কৰা হয়। মাজুলীৰ চহকী সংস্কৃতিৰ সংৰক্ষণ আৰু স্থানীয় লোকৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত আয়ুক্তগৰাকীৰ এই প্ৰচেষ্টাক অঞ্চলটোৰ ৰাইজে শলাগ লয়। অনুষ্ঠানত কণমানি শিল্পী ৰক্তিমা বৰাই এটি জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

চাকৰিমুখী মানসিকতাক একাষৰীয়া কৰি স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে দুই ভাতৃয়ে

গহপুৰৰ দুই ভাতৃৰ কৰ্মমুখী যাত্ৰা; ঐকান্তিক প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম আৰু আত্মবিশ্বাসেৰে কম দিনতে প্ৰতিষ্ঠা বিদ্যুৎপন-প্ৰান্তিকৰ

অসম বাৰ্তা, গহপুৰ, ২৫ অক্টোবৰ ঃ দৃঢ় ইচ্ছাশক্তি, কঠোৰ পৰিশ্ৰম আৰু আত্মবিশ্বাস থাকিলে যে নিজেই নিজৰ কৰ্মসংস্থাপনৰ পথ মুকলি কৰাৰ লগতে আন বহুজনৰ জীৱনলৈও আশাৰ পোহৰ কঢ়িয়াই আনিব পাৰি, তাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে গহপুৰৰ দুই সহোদৰ ভাতৃ বিদ্যুৎপন ভূএগ আৰু প্ৰান্তিক ভূএগাই। গহপুৰ নগৰৰ নিজ গহপুৰৰ ধেনুধৰাৰ এই দুই ভাতৃয়ে ব্যৱসায়ৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ লগতে বৰ্তমান প্ৰায় ৪৫গৰাকী লোকক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ সক্ষম হৈছে। নিজ গহপুৰ নিবাসী নবীন ভূএগ আৰু মামনি ভূএগৰ পুত্ৰ বিদ্যুৎপন ভূএগৰ বয়স ৩২ বছৰ আৰু প্ৰান্তিক ভূএগৰ বয়স ২৬ বছৰ। কম বয়সতে নিজৰ কৰ্মদক্ষতা, অধ্যৱসায় আৰু ভৱিষ্যৎমুখী চিন্তাধাৰাৰে ব্যৱসায়িক ক্ষেত্ৰখনত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হোৱা দুই ভাতৃৰ এই যাত্ৰা সম্প্ৰতি অঞ্চলটোৰ যুৱ প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণাদায়ক কাহিনী হৈ পৰিছে। চাকৰিৰ পিছত দৌৰাৰ পৰিৱৰ্তে নিজেই কৰ্মসংস্থাপনৰ পথ সৃষ্টি কৰাৰ লক্ষ্যৰে ২০২৩ চনত ৰেডিমেড বাউণ্ডেৰী ৱাল নিৰ্মাণৰ জৰিয়তে ব্যৱসায়িক যাত্ৰা আৰম্ভ কৰিছিল দুই ভাতৃয়ে। আৰম্ভণিৰ এই প্ৰচেষ্টাক ক্ৰমে সম্প্ৰসাৰিত কৰি আজি তেওঁলোকে নিৰ্মাণ খণ্ডৰ বিভিন্ন ক্ষেত্ৰত নিজৰ কৰ্মৰ পৰিসৰ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। ৰেডিমেড বাউণ্ডেৰী ৱালৰ উপৰি বৰ্তমান তেওঁলোকে পেভাৰ্ছ ব্লক নিৰ্মাণ আৰু স্থাপন, গৃহ নিৰ্মাণৰ লগতে ইণ্টেৰিয়ৰ আৰু এ'টেৰিয়ৰ ডিজাইনৰ কামো কৰি আহিছে তেওঁলোকে। বৃহৎ বৃহৎ পৰিসৰত কাম কৰি ৰাইজৰ মাজত আস্থাভাজন হৈ পৰিছে বিদ্যুৎপন আৰু প্ৰান্তিক। বিশ্বনাথ জিলাতে সীমাবদ্ধ নাথাকি তেওঁলোকৰ কৰ্মৰ পৰিসৰ সম্প্ৰতি মাজুলী আৰু লখিমপুৰ জিলাৰ বিভিন্ন অঞ্চললৈও সম্প্ৰসাৰিত হৈছে। এইদৰে ক্ৰমাগতভাৱে আগবাঢ়ি যোৱা দুই ভাতৃয়ে নিজৰ ব্যৱসায়িক লক্ষ্যক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে 'জয় গণেশ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড' নামৰ প্ৰতিষ্ঠানটোৰ জৰিয়তে কৰ্মযাত্ৰাক এক নতুন ৰূপ প্ৰদান কৰিছে। এই যাত্ৰাৰ আন এক উল্লেখযোগ্য অধ্যায় হিচাপে আজি ধেনুধৰাত প্ৰতিষ্ঠানটোৰ স্থায়ী কাৰ্যালয় গৃহ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে কাৰ্যালয় গৃহটোৰ শুভাৰম্ভ কৰা হয়। নতুন কাৰ্যালয়টোৰে প্ৰতিষ্ঠানটোৰ কাম-কাজ অধিক সুসংগঠিত কৰাৰ লগতে ব্যৱসায় সম্প্ৰসাৰণৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, দুই ভাতৃয়ে নিজৰ কষ্টোপাৰ্জিত ধন বিনিয়োগ কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ ৰাজসাহায্যযুক্ত প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি কাৰ্যসূচী (PMEGP)ৰ অধীনত ঋণৰ সহায় লৈ নিজৰ কৰ্মমুখী যাত্ৰাক বাস্তৱ ৰূপ দিবলৈ সক্ষম হৈছে। চালুকীয়া অৱস্থাৰ মাজেৰে আগুৱাই গৈ পৰিকল্পিত প্ৰচেষ্টা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে ব্যৱসায় গঢ়ি তোলাৰ এই উদাহৰণে প্ৰমাণ কৰিছে যে সঠিক পৰিকল্পনা আৰু একাগ্ৰতা থাকিলে প্ৰত্যাহ্বানকো সফলতাৰ ছিৰি হিচাপে ব্যৱহাৰ কৰিব পাৰি। আজিৰ সময়ত বহু যুৱক-যুৱতীয়ে চৰকাৰী বা ব্যক্তিগত চাকৰিৰ সন্ধানত থকাৰ বিপৰীতে বিদ্যুৎপন আৰু প্ৰান্তিক ভূএগাই নিজাববীয়াকৈ ব্যৱসায় আৰম্ভ কৰি আন ৪৫গৰাকী লোকৰ কৰ্মসংস্থাপনৰ পথ মুকলি কৰাটো বিশেষ তাৎপৰ্যপূৰ্ণ। তেওঁলোকৰ এই প্ৰচেষ্টাই কেৱল এটা ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি তোলাই নহয়, স্থানীয় পৰ্যায়ত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰতো ইতিবাচক ভূমিকা পালন কৰিছে। দুই ভাতৃৰ এই কৰ্মমুখী যাত্ৰাই এটা কথাই স্পষ্ট কৰি দিয়ে—সফলতাৰ বাবে কেৱল সুযোগৰ অপেক্ষাত থাকিলেই নহ'ব, বৰঞ্চ নিজৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস ৰাখি সুযোগ সৃষ্টি কৰাৰ মানসিকতাও গঢ়ি তুলিব লাগিব। বিদ্যুৎপন আৰু প্ৰান্তিক ভূএগৰ এই প্ৰচেষ্টা আগন্তুক দিনত অধিক সম্প্ৰসাৰিত হোৱাৰ লগতে গহপুৰৰ আন বহু যুৱক-যুৱতীকো স্বাৱলম্বিতাৰ পথত আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰি।

মাকুম-লাংকাছী আৰক্ষীক বিধায়ক সঞ্জয় কিষানৰ সম্বৰ্ধনা


অসম বাৰ্তা, মাকুম, ২৫ অক্টোবৰ ঃ শাৰদীয় দুৰ্গাপূজাৰ আনন্দমুখৰ পৰিৱেশত ভক্তৰ বিপুল সমাগমৰ মাজটো নিৰাপত্তা সুনিশ্চিত কৰা, যান-বাহন নিয়ন্ত্ৰণৰ জৰিয়তে যাতায়াত ব্যৱস্থা সুচল কৰি ৰখা আৰু সমগ্ৰ অঞ্চলটোত শান্তি-শৃংখলা অটুট ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মাকুম থানাৰ আৰক্ষী আৰু লাংকাছী আৰক্ষী চকীৰ আৰক্ষী সকলৰ লগতে যান-বাহন শাখাৰ জোৱানসকলক আজি বিশেষভাৱে সন্মান জনায় মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষানে। মাকুম আৰক্ষী থানাৰ চৌহদত আয়োজিত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানত বিধায়কগৰাকীয়ে আৰক্ষী আৰু যান-বাহন শাখাৰ জোৱানসকলক অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই তেওঁলোকৰ কৰ্তব্যনিষ্ঠা, ত্যাগ, নিষ্ঠা আৰু নিৰালস্য সেৱাৰ ভূয়সী প্ৰশংসা কৰে। উৎসৱৰ উলাহ আৰু আনন্দৰ মাজত সাধাৰণ জনতাৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আৰক্ষীৰ জোৱানসকলে আগবঢ়োৱা অৱদানৰ শলাগ লৈ বিধায়কগৰাকীয়ে তেওঁলোকৰ সেৱাক এক প্ৰশংসনীয় পদক্ষেপ হিচাপে অভিহিত কৰে। একেদৰে, সমাজৰ আগত বাস্তৱ ছবি দাঙি ধৰি জনসাধাৰণক তথ্যসমৃদ্ধ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সংবাদকৰ্মীসকলকো উক্ত অনুষ্ঠানতে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি তীৰ্থৰাজ প্ৰসাদ, ৱাৰ্ড আয়ুক্ত সকল, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ, মাকুম মণ্ডলৰ সভাপতি উদয় বড়া আৰু মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পুলক কুমাৰ, লাংকাঁচী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰেমেশ্বৰ শইকীয়া আৰু পৰিৱেশ কৰ্মী ঋতুৰাজ বৰুৱা উপস্থিত থাকে।

মঙলদৈৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ বিবাহক লৈ জিলাজুৰি তীব্ৰ চাঞ্চল্য

সনাতনী অনুষ্ঠানৰ শীৰ্ষত থকা পৰিয়ালৰ সিদ্ধান্তক লৈ ধৰ্মপ্ৰাণ ৰাইজৰ মাজত আলোড়ন; জিলা পুথিভঁৰালত দৰঙী সনাতনী সমাজৰ ৰাজহুৱা সভা

অসম বাৰ্তা, মঙলদৈ, ২৫ অক্টোবৰ ঃ মঙলদৈত শেহতীয়াকৈ ঠিক হোৱা এক বিবাহক লৈ সমগ্ৰ দৰং জিলাতে তীব্ৰ প্ৰতিক্ৰিয়া আৰু চাঞ্চল্যৰ সৃষ্টি হৈছে। মঙলদৈ তথা ৰাজ্যৰ এটি অন্যতম সম্ভ্ৰান্ত, সুপৰিচিত আৰু সাংস্কৃতিকভাৱে প্ৰভাৱশালী পৰিয়ালৰ এগৰাকী যুৱতীয়ে পৰম্পৰাগত সামাজিক সীমাৰ বাহিৰত গৈ এজন মুছলিম যুৱকৰ সৈতে বিবাহপাশত আৱদ্ধ হ'বলৈ ওলোৱা ঘটনাই এই বিতৰ্কৰ সূত্ৰপাত কৰিছে। জানিব পৰা মতে, উক্ত পৰিয়ালটোৱে এই সম্পৰ্কক সামাজিক স্বীকৃতি দি কেৱল আঁকোৱালি লোৱাই নহয়, অহা ডিচেম্বৰ মাহত এক ৰাজহুৱা আৰু গাম্ভীৰ্যপূৰ্ণ বিবাহ অভ্যৰ্থনা অনুষ্ঠানৰো পূৰ্ণ প্ৰস্তুতি চলাইছে। পৰিয়ালৰ তৰফৰ পৰা এই বিবাহক এক উদাৰ আৰু প্ৰগতিশীল পদক্ষেপ হিচাপে প্ৰক্ষেপ কৰাৰ চেষ্টা চলিছে। কিন্তু এই সমগ্ৰ পৰিস্থিতিক লৈ অঞ্চলটোৰ সচেতন নাগৰিক, বৌদ্ধিক মহল আৰু বিশেষকৈ ধৰ্মীয় মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, এই সম্ভ্ৰান্ত পৰিয়ালটোৰ ব্যক্তিসকল মঙলদৈ তথা সমগ্ৰ দৰং জিলাৰ বিভিন্ন আগশাৰীৰ সনাতনী ধৰ্মীয় অনুষ্ঠান, নামঘৰ, মন্দিৰ পৰিচালনা সমিতি, ভাওনা সমিতি আৰু অন্যান্য সামাজিক কাম-কাজৰ মূল বিষয়বাব তথা গুৰু দায়িত্বত ওতপ্ৰোতভাৱে জড়িত হৈ আছে। সনাতনী ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত সদায় আগভাগ লৈ অহা এনে এখন বিশিষ্ট পৰিয়ালৰ পৰাই এনে পদক্ষেপ অহাৰ পিছত জিলাখনৰ ধৰ্মপ্ৰাণ ৰাইজৰ মাজত তীব্ৰ আলোড়নৰ সৃষ্টি হৈছে। একাংশ সচেতন ৰাইজৰ মতে, যিহেতু পৰিয়ালটোৰ ব্যক্তিসকল নিজেই ধৰ্মীয় অনুষ্ঠানৰ শীৰ্ষ স্থানত অধিষ্ঠিত হৈ আছে আৰু ৰাইজক সনাতনী পৰম্পৰা ৰক্ষাৰ আহ্বান জনাই আহিছে, তেনেস্থলত তেওঁলোকৰ এই ব্যক্তিগত সিদ্ধান্তই সমাজলৈ এক বিপৰীত আৰু বিভ্ৰান্তিকৰ বাৰ্তা প্ৰেৰণ কৰিছে। এই বিবাহৰ বিৰোধিতা কৰি যোৱা কালি মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত দৰঙী সনাতনী সমাজৰ উদ্যোগত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ প্ৰতিনিধি, জ্যেষ্ঠ নাগৰিক আৰু যুৱ সমাজে অংশগ্ৰহণ কৰি এই বিষয়ক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সভাত এই বিবাহে ভৱিষ্যত প্ৰজন্মৰ ওপৰত কি প্ৰভাৱ পেলাব, সেই সন্দৰ্ভতো আলোচনা কৰা হয়।

হাজোত বিশিষ্ট সাহিত্যিক, সাংবাদিক সমীন কলিতাৰ প্ৰবন্ধ সংকলন 'পাপৰ পৃথিৱী' উন্মোচন



অসম বাৰ্তা, হাজো, ২৫ অক্টোবৰ ঃ দৈনিক অসম কাকতৰ প্ৰাক্তন সাংবাদিক তথা বিশিষ্ট সাহিত্যিক, ক্ষুদ্ৰ দধি নিবাসী সমীন কলিতাৰ নতুন প্ৰবন্ধ সংকলন 'পাপৰ পৃথিৱী'খনি আজি হাজোস্থিত চন্দ্ৰমা হোটেলৰ সভাগৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। হাজো সাংবাদিক সন্থাৰ সভাপতি গোবিন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ড° জগদীশ পাটগিৰিয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি গ্ৰন্থখনি উন্মোচন কৰে। গ্ৰন্থ উন্মোচন কৰি ড° পাটগিৰিয়ে তেওঁৰ দীঘলীয়া ভাষণত লেখক সমীন কলিতাৰ বিভিন্ন ৰচনাৱলী, সাহিত্য-সাধনা আৰু তেওঁৰ বহুমূলীয়া প্ৰতিভাৰ ওপৰত এক পৰ্যালোচনা আগবঢ়ায়। তেওঁ উল্লেখ কৰে যে ২৩টা প্ৰবন্ধৰে চহকী এই সংকলনখনি পঢ়ুৱৈ সমাজৰ বাবে অতি তাৎপৰ্যপূৰ্ণ আৰু গ্ৰহণযোগ্য হ'ব। অনুষ্ঠানত কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি খগেন্দ্ৰ নাথ তালুকদাৰ, সম্পাদক ৰজনী শালৈ, মহানগৰ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ভৃগু দত্তৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি, সাহিত্য অনুৰাগী আৰু সাংবাদিক উপস্থিত থাকে। সভাত বক্তাসকলে লেখকৰ সাংবাদিকতা আৰু সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ ভূয়সী প্ৰশংসা কৰে।

মন্ত্ৰী বিশ্বজিৎ দৈমাৰীক প্ৰদান কৰিব 'বেংমৰা সমন্বয় বঁটা-২০২৬'

২৭ অক্টোবৰত কাকপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ ৮৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ অক্টোবৰ ঃ প্ৰাক স্বাধীনতা-উত্তৰ কালত অৰ্থাৎ ১৯৪০ চনত জন্মলাভ কৰা অসমৰ এক অন্যতম ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ শক্তিশালী জাতীয় সংগঠন সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ ৮৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি অহা ২৭ অক্টোবৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কাকপথাৰ ডিৰাক গেটৰ সমীপৰ নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰ (গোধা বৰবৰুৱা সমন্বয় ক্ষেত্ৰ)ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলা মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোগত কৈলাসপুৰ, ডিৰাক, কাকপথাৰ, ডুমডুমা, বুঢ়ীদিহিং আৰু ধলা-ছৈখোৱা আঞ্চলিক সমিতিৰ সহযোগত তথা স্থানীয় ৰাইজৰ আতিথ্যত দিনজোৱা বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা উক্ত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি স্বৰূপ গোহাঁই আৰু উদযাপন সমিতিৰ সভাপতি ভাদেশ্বৰ মৰাণে। স্মৃতি তৰ্পণ কৰিব সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক অমলেন্দু ফুকন আৰু উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক কেশৱ দত্তই। সহযোগ কৰিব মটক যুৱ-ছাত্ৰ সন্মিলনৰ সহকাৰী সম্পাদক কমলদ্বীপ বৰুৱাই। স্বৰ্গীয় সৰ্বানন্দ সিংহৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সৰোজ গোহাঁইয়ে। আনহাতে বৃক্ষৰোপণ কৰিব মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপদেষ্টা ৰমেশ গোহাঁই আৰু সন্মিলনৰ পৰিৱেশ আৰু পৰ্যটন সম্পাদক মনোৰঞ্জন বৰপাত্ৰই। ইন্দ্ৰেশ্বৰ গোহাঁই সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব সন্মিলনৰ উপদেষ্টা কুলদ্বীপ গোহাঁইয়ে। পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া চিত্ৰাংকন, কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰ উদ্বোধন কৰিব সন্মিলনৰ উপদেষ্টাদ্বয় অৰূপ বৰুৱা আৰু নিৰঞ্জন চেতিয়াই। আবেলি ২ বজাৰ পৰা মটক জনগোষ্ঠীৰ লগতে বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক দলৰ কলা-কৃষ্টি প্ৰদৰ্শন, লখিমী খেৰী পৰিৱেশন আৰু মটক জনগোষ্ঠীৰ পৰম্পৰাগত গছতলৰ বিহু প্ৰদৰ্শন কৰা হ'ব। আবেলি ৩.৩০ বজাৰ পৰা মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি স্বৰূপ গোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাতেই অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীক 'বেংমৰা সমন্বয় বঁটা-২০২৬' প্ৰদান কৰিব সন্মিলনে। উল্লেখ্য যে, প্ৰবল প্ৰতাপী মটক ৰজা সৰ্বানন্দ সিংহই 'বেংমৰা মটক ৰাজ্য' প্ৰতিষ্ঠা কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু গঢ়ি যিধৰণে সু-শাসন, বীৰত্ব আৰু আদৰ্শ দেখুৱাই গৈছিল সেই আদৰ্শক সাৰোগত কৰিয়েই সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে অসমৰ সমাজ জীৱনলৈ বিশেষভাৱে অৱদান আগবঢ়াই যোৱা একোজন সমাজহিতৈষী ব্যক্তিক 'বেংমৰা সমন্বয় বঁটা' নামেৰে এটি বঁটা প্ৰদান কৰি আহিছে। সভাত অসম চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰী, বিধায়ক, সাংসদ আৰু বিভিন্ন জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকিব। এই সভাতেই বিতোপন বৰুৱা আৰু পৰিস্মিতা ফুকনৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া সন্মিলনৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব। নিশা ৯ বজাত সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰ উদ্বোধন কৰিব তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁইয়ে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙৰ গীতৰ শৰাই। দিনজোৱা প্ৰতিষ্ঠা দিৱসৰ সমূহ কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিতি তথা সৰ্বতো প্ৰকাৰৰ সহায়-সহযোগিতা উদযাপন সমিতিয়ে কামনা কৰিছে।

বৰপেটাৰ ছাপৰাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান; আটক দুই যুৱক



অসম বাৰ্তা, কুমুল্লী পাৰা, ২৫ অক্টোবৰ ঃ বৰপেটা জিলাৰ ছাপৰাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই ১২.১৮ গ্ৰাম সন্দেহজনক ড্ৰাগছসহ দুজন যুৱকক আটক কৰে। আৰক্ষীৰ এই অভিযানক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ছাপৰাৰ শিকদাৰ ষ্টোৰত আৰক্ষীয়ে অভিযান চলাই সন্দেহজনক ড্ৰাগছখিনি উদ্ধাৰ কৰে। এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে দুজন যুৱকক আটক কৰে। উদ্ধাৰ হোৱা সন্দেহজনক ড্ৰাগছখিনিৰ প্ৰকৃত পৰিচয় আৰু ইয়াৰ সৈতে জড়িত আন কোনো লোক আছে নেকি, সেই সন্দৰ্ভত আৰক্ষীৰ তদন্তৰ পিছত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, বৰ্তমান সময়ত ড্ৰাগছৰ অবাধ প্ৰচলনে যুৱ-প্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি গভীৰ ভাবুকি কঢ়িয়াই আনিছে। সেয়েহে ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ এনে অভিযানক লৈ সচেতন মহলে গুৰুত্ব আৰোপ কৰিছে।

চেলেংহাটৰ অৰ্ণৱ দত্তলৈ 'সত্ৰাধিকাৰ গহন চন্দ্ৰ মহন্ত সোঁৱৰণি শৈক্ষিক বঁটা'

অসম বাৰ্তা, চেলেংহাট, ২৫ অক্টোবৰ ঃ যোৰহাট জিলাৰ টীয়কৰ মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত চেলেংহাটৰ সন্তান অৰ্ণৱ দত্তই ২০২৫-২৬ বৰ্ষৰ 'সত্ৰাধিকাৰ গহন চন্দ্ৰ মহন্ত সোঁৱৰণি শৈক্ষিক বঁটা' লাভ কৰে। চেলেংহাট কুকুৰাচোৱা গাঁৱৰ সাংস্কৃতিক কৰ্মী সুনীল দত্ত আৰু শিক্ষয়িত্ৰী প্ৰিয়ংকা শইকীয়াৰ সন্তান অৰ্ণৱ টীয়ক বেন গাৰ্ডেন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। তেওঁ এজন সুদক্ষ শিশু অভিনেতাৰ লগতে এজন খোলবাদকো। অনুষ্ঠানত শৈক্ষিক ক্ষেত্ৰত কৃতিত্ব প্ৰদৰ্শন কৰা অৰ্ণৱক এই সন্মান প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰা আৰু তেওঁলোকৰ কৃতিত্বক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে আগবঢ়োৱা এনে সন্মানে নৱপ্ৰজন্মক অধ্যয়নৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিব বুলি আশা কৰা হৈছে। অৰ্ণৱৰ এই সাফল্যই পৰিয়ালবৰ্গৰ লগতে অঞ্চলটোৰ শুভাকাংক্ষীসকলৰ মাজত আনন্দৰ সৃষ্টি কৰিছে। এই কৃতিত্বই ভৱিষ্যতে তেওঁৰ শৈক্ষিক জীৱন অধিক উজ্জ্বল কৰি তোলাৰ লগতে আন শিক্ষাৰ্থীসকলকো অধ্যৱসায় আৰু নিষ্ঠাৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

মাদ্ৰাছাত অধ্যয়ন কৰিও চিকিৎসক-অভিযন্তা হ'ব পাৰি ঃ ই.এম বেগম আখতাৰা আহমেদ

গোসাঁইগাঁৱৰ মান্দাৰপাৰাত দুদিনীয়া পৱিত্ৰ কোৰান প্ৰতিযোগিতা

অসম বাৰ্তা, গোসাঁইগাঁও, ২৫ অক্টোবৰ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাওঁৰাগুৰীৰ মান্দাৰপাৰাত উলামা কাউন্সিল অৱ বিটিচিৰ উদ্যোগত আৰু কোকৰাঝাৰ, পশ্চিম কোকৰাঝাৰ, পৰ্বতঝোৰা তথা গোসাঁইগাঁও জিলা সমিতিৰ সহযোগত দুদিনীয়া কাৰ্য্যসূচীৰে পৱিত্ৰ কোৰআন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৪ আৰু ২৫ অক্টোবৰত দাৰুল উলুম মহম্মদীয়া মাদ্ৰাছা প্ৰাংগণত অনুষ্ঠিত এই প্ৰতিযোগিতাত কোকৰাঝাৰ জিলাৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২০খন মাদ্ৰাছাৰ ছাত্ৰ অংশগ্ৰহণ কৰে। এই কাৰ্য্যসূচীৰ অংশ হিচাপে পৱিত্ৰ কোৰআন তিলাৱত, কুইজ প্ৰতিযোগিতা আৰু ধৰ্মীয় সভাৰ আয়োজন কৰা হয়। পৱিত্ৰ কোৰআনৰ শিক্ষা, তিলাৱত আৰু ধৰ্মীয় জ্ঞানৰ প্ৰসাৰ সাধনৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। অনুষ্ঠানৰ প্ৰথম দিনাৰ কাৰ্য্যসূচীত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বিটিচিৰ কাৰ্যবাহী সদস্যা ই. এম. বেগম আখতাৰা আহমেদ। ভাষণ প্ৰসংগত তেওঁ কয় যে মাদ্ৰাছাত কেৱল ধৰ্মীয় শিক্ষাই নহয়, সাধাৰণ শিক্ষাও প্ৰদান কৰা হয়। মাদ্ৰাছাত অধ্যয়ন কৰিও শিক্ষাৰ্থীসকলে চিকিৎসক, অভিযন্তাকে ধৰি বিভিন্ন পেছাত প্ৰতিষ্ঠা লাভ কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। আনহাতে, অনুষ্ঠানৰ অন্তিম দিনা অৰ্থাৎ আজি বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰকাশ বসুমতাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকি সন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয় যে মাদ্ৰাছাত কেৱল কোৰআনৰ শিক্ষাই প্ৰদান কৰা হয় বুলি সাধাৰণতে ধাৰণা কৰা হয়। কিন্তু এই অনুষ্ঠানত উপস্থিত হৈ ধৰ্মীয় শিক্ষাৰ লগতে সাধাৰণ শিক্ষাও প্ৰদান কৰা হয় বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ বুলি মন্তব্য কৰে। উল্লেখ্য যে দুদিনীয়া এই কাৰ্য্যসূচীক কেন্দ্ৰ কৰি মান্দাৰপাৰা অঞ্চলত এক ধৰ্মীয় পৰিৱেশৰ সৃষ্টি হয়। এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ সকলৰ মাজত পৱিত্ৰ কোৰআনৰ জ্ঞান, তিলাৱত, ইছলাম ধৰ্মীয় শিক্ষা আৰু জেনেৰেল শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত কোকৰাঝাৰ জিলা আঁচনি বিষয়া জাহাংগীৰ হুছেইন, উলামা কাউন্সিল অৱ বিটিচিৰ সভাপতি মৌলানা কেৰামত আলী, সাধাৰণ সম্পাদক হাফিজ জহিৰুল ইছলামৰ লগতে ভাওঁৰাগুৰী আৰু মান্দাৰপাৰাৰ স্থানীয় ৰাইজ উপস্থিত থাকে।

শ্ৰীভূমিত বিহু শিল্পীক বৰ্বৰ আক্ৰমণক বৰাক-ব্ৰহ্মপুত্ৰৰ সম্প্ৰীতি বিনষ্টৰ ষড়যন্ত্ৰৰ অভিযোগ চুতীয়া ছাত্ৰ সন্থাৰ

অসম বাৰ্তা, দুলীয়াজান, ২৫ অক্টোবৰ ঃ শ্ৰীভূমি জিলাত দুৰ্গাপূজাৰ বিসৰ্জন অনুষ্ঠানত অসমীয়া গীত পৰিৱেশনক লৈ শিল্পীৰ ওপৰত সংঘটিত হোৱা নিৰ্মম আক্ৰমণৰ ঘটনাই সমগ্ৰ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা ২৩ অক্টোবৰৰ নিশা হিন্দুস্থান ক্লাবৰ আমন্ত্ৰণমৰ্মে গৈ বিহু পৰিৱেশন কৰি থকা অৱস্থাত বৰগুল-আদৰকোনা বিহুদলৰ ওপৰত একাংশ উচ্ছৃঙ্খল লোকে অতৰ্কিতে আক্ৰমণ চলায়। দুৰ্বৃত্তৰ দলটোৱে "বৰাক উপত্যকাত অসমীয়া গান নচলিব" বুলি শ্ল'গান দি শিল্পীসকলক বাঁহ-লাঠিৰে প্ৰহাৰ কৰাৰ লগতে বিহুত ব্যৱহৃত আপুৰুগীয়া বাদ্যযন্ত্ৰসমূহো ভাঙি লণ্ডভণ্ড কৰে। এই ঘটনাক সদৌ অসম চুতীয়া ছাত্ৰ সন্থাই তীব্ৰ ভাষাৰে গৰিহণা দিছে। সন্থাৰ সভাপতি মহেন বৰা আৰু সম্পাদক ৰাজু চুতীয়াই এই ঘটনাক বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত থকা সম্প্ৰীতিৰ বান্ধোন ছিঙি পেলোৱাৰ এক সুপৰিকল্পিত ষড়যন্ত্ৰ বুলি অভিহিত কৰে। অসমত অসমীয়া ভাষা আৰু সংস্কৃতিৰ ওপৰত এনে আক্ৰমণ কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি স্পষ্ট কৰি দি ছাত্ৰ সংগঠনটোৱে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। দোষীসকলক শীঘ্ৰে চিনাক্ত কৰি কঠোৰতম শাস্তি বিহাৰ বাবে তেওঁলোকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আহ্বান জনায়। ইয়াৰ লগতে আহত শিল্পীসকলৰ উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰা আৰু ক্ষতিগ্ৰস্ত বাদ্যযন্ত্ৰৰ ক্ষতিপূৰণ প্ৰদান কৰিবলৈয়ো সন্থাই চৰকাৰ তথা জিলা প্ৰশাসনৰ ওচৰত দাবী উত্থাপন কৰিছে।

আমগুৰিত চিলনী চোৰৰ উপদ্ৰৱ

মহিলাৰ ডিঙিৰ সোণৰ চেইন থপিয়াই নিয়াৰ অপচেষ্টা; কথমপি ৰক্ষা

অসম বাৰ্তা, আমগুৰি, ২৫ অক্টোবৰ ঃ আমগুৰি নগৰতো চিলনী চোৰৰ উপদ্ৰৱ পৰিলক্ষিত হৈছে। আজি পুৱা এগৰাকী মহিলা এনে চিলনী চোৰৰ কবলৰ পৰা কথমপি ৰক্ষা পৰে। প্ৰাপ্ত তথ্যমতে, আজি পুৱা আমগুৰি বালিকা বিদ্যালয় পথেৰে এগৰাকী মহিলা খোজকাঢ়ি গৈ থাকোঁতে মটৰ চাইকেলত অহা দুজন যুৱকে তেওঁৰ ডিঙিৰ সোণৰ চেইনডাল থপিয়াই নিবলৈ চেষ্টা কৰে। কিন্তু মহিলাগৰাকীৰে হোৱা টনা আজোৰাত চেইনডাল মাটিত পৰি যায়। ফলত চোৰ দুটাই চেইনৰ আশা বাদ দি পলায়ন কৰে। হেলমেট পিন্ধি থকা চোৰ দুটাই তৎক্ষণাত তীব্ৰ বেগত মটৰ চাইকেলেৰে পলায়ন কৰে। পিছত মহিলাগৰাকীয়ে ঘটনাটোৰ বিষয়ে আৰক্ষীক অৱগত কৰে। নগৰত এনেদৰে চিলনী চোৰৰ উপদ্ৰৱ হোৱাত স্থানীয় লোকৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

সম্পাদকীয়

শ্ৰীভূমিৰ বদৰপুৰৰ ঘটনা আৰু আমাৰ সামাজিক দায়িত্ব

অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ বিহু আৰু ইয়াৰ ঐতিহ্যৰ ওপৰত চলা আক্ৰমণ কেৱল কেইগৰাকীমান শিল্পীৰ ওপৰত হোৱা শাৰীৰিক নিৰ্যাতনেই নহয়, এয়া আমাৰ সামগ্ৰিক সভ্যতা, স্বাভিমান আৰু সাংস্কৃতিক সমন্বয়ৰ প্ৰতি এক পোনপটীয়া প্ৰত্যাহ্বান। যোৱা ২৩ অ'ক্টোবৰৰ নিশা শ্ৰীভূমি জিলাৰ বদৰপুৰৰ বিসৰ্জন ঘাটত স্থানীয় 'হিন্দুস্তান ক্লাব'ৰ উদ্যোগত আয়োজিত এক সাংস্কৃতিক অনুষ্ঠানত 'বৰগুল-আদৰকোনা বিহু দল'ৰ ওপৰত যি বৰ্বৰ আক্ৰমণ সংঘটিত হ'ল, তাক লৈ ৰাজ্যৰ সচেতন মহৰ্কত তীব্ৰ প্ৰতিক্ৰিয়া আৰু শোকৰ ঢৌ তুলিছে। অসমীয়া গীত-মাত পৰিৱেশন কৰাৰ অপৰাধত শিল্পীসকলক বাঁহ-লাঠিৰে নিৰ্মমভাৱে প্ৰহাৰ কৰা আৰু অসমীয়াৰ স্বাভিমানৰ প্ৰতীক ঢোল-বাদ্যযন্ত্ৰ ভাঙি চূড়মাৰ কৰা কাণ্ড কোনোকাৰণতে মানি লোৱা যায় নহয়।

এই ঘটনাৰ পিছতে সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) সভাপতি উৎপল শৰ্মাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰি প্ৰশ্ন কৰিছে— অসমৰ মাটিতে অসমীয়া গীত-মাত পৰিৱেশন কৰাৰ বাবে শিল্পীক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰাৰ সাহস দুৰ্বৃত্তই পালে ক'ৰ পৰা? আছু নেতৃত্বই সঠিকভাৱেই আঙুলিয়াই দিছে যে এই ধৰণৰ অপৰাধৰ নেপথ্যত কোনোবা প্ৰভাৱশালী ব্যক্তি বা শক্তিক আশীৰ্বাদ বা পৃষ্ঠপোষকতা থকাৰ সন্দেহ নুই কৰিব নোৱাৰি। বিশেষকৈ, আৰক্ষীয়ে কেইজনমান লোকক গ্ৰেপ্তাৰ কৰাৰ পাছতো নিশাৰ ভিতৰতে একাংশক মুকলি কৰি দিয়াৰ গুৰুতৰ অভিযোগ পোহৰলৈ অহাটো প্ৰশাসনীয় নিৰপেক্ষতাৰ প্ৰতি এক ডাঙৰ প্ৰশ্নবোধক চিন। এনে পৰিস্থিতিত আইনৰ শাসন আৰু ন্যায়ৰ ওপৰত জনসাধাৰণৰ আস্থা অক্ষুণ্ণ ৰাখিবলৈ চৰকাৰ তথা প্ৰশাসনৰ ভূমিকা অতি কঠোৰ হোৱাটো বাঞ্ছনীয়।

ইফালে, ঘটনাৰ গম্ভীৰতা উপলব্ধি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তাৎক্ষণিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ স্পষ্টভাৱে জনাইছে যে বিহু হৈছে অসমৰ গৌৰৱ, আত্মা আৰু পৰিচয়; আমাৰ সংস্কৃতিৰ প্ৰতি কোনো অপমান সহ্য কৰা নহ'ব। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে অসম আৰক্ষীয়ে তৎপৰতা অৱলম্বন কৰি ইতিমধ্যে ১৩জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে আৰু তদন্ত অব্যাহত ৰাখিছে। প্ৰশাসনে লোৱা এই দ্ৰুত পদক্ষেপে কিঞ্চিৎ হ'লেও স্বস্তি প্ৰদান কৰিছে যদিও এই আক্ৰমণৰ উচটনিদাতা আৰু মূল দোষীসকলক আইনৰ কাঠগড়াত থিয় কৰোৱাটো অতি জৰুৰী।

বৰাক উপত্যকা হওক বা ব্ৰহ্মপুত্ৰ উপত্যকা— অসমৰ প্ৰতিটো কোণতে বিভিন্ন জাতি-জনগোষ্ঠী আৰু ভাষাভাষীৰ লোক যুগ যুগ ধৰে শান্তিপূৰ্ণভাৱে বাস কৰি আহিছে। পাৰস্পৰিক সৌহাৰ্দ্য, মৰম আৰু সম্ভাৱেই আমাৰ সমাজৰ মূল ভিত্তি। কিন্তু শেহতীয়া এই ঘটনাই সেই সমন্বয়ৰ মাজত ফাট মেলি বৰ্বৰতা প্ৰদৰ্শন কৰাৰ অপচেষ্টা চলাইছে। এদল দুৰ্বৃত্তৰ সংকীৰ্ণ মানসিকতা আৰু উগ্ৰপন্থী আচৰণৰ বাবে সমগ্ৰ অঞ্চলটোৰ শান্তিপূৰ্ণ পৰিৱেশ বিঘ্নিত হ'ব নালাগে।

সেয়েহে, এই সংবেদনশীল প্ৰসংগত কেৱল গ্ৰেপ্তাৰতে সীমাবদ্ধ নাথাকি চৰকাৰে এক দৃষ্টান্তমূলক আৰু কঠোৰতম আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব, যাতে ভৱিষ্যতে কোনেও আমাৰ ভাষা, সংস্কৃতি আৰু শিল্পী সমাজৰ গাত হাত তুলিবলৈ সাহস নকৰে। অসমীয়া সংস্কৃতিৰ মৰ্যাদা ৰক্ষা আৰু সামাজিক সম্প্ৰীতি ঘূৰাই আনিবলৈ চৰকাৰ, প্ৰশাসন, বিভিন্ন সামাজিক সংগঠন আৰু সচেতন নাগৰিক সমাজ— সকলোৰে একাগ্ৰ হৈ কাম কৰাৰ সময় এয়াই। দোষীয়ে উচিত শাস্তি পোৱাটোৱেই আজিৰ প্ৰতিজন অসমবাসীৰ একমাত্ৰ আৰু তীব্ৰ দাবী।



সংবাদ মাধ্যমৰ সামাজিক দায়বদ্ধতা

এখন সমাজৰ বৌদ্ধিক আৰু সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰতো সংবাদ মাধ্যমৰ এক বিশেষ ভূমিকা আছে। ভাষা, সাহিত্য, কলা আৰু সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ জৰিয়তে সংবাদ মাধ্যমে সমাজৰ গঠনমূলক দিশবোৰক সমৃদ্ধ কৰিব পাৰে। সমাজৰ বিশিষ্ট ব্যক্তি সকলৰ চিন্তা আৰু আদৰ্শ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাৰ লগতে নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰিব পৰা লেখাসমূহ প্ৰকাশ কৰাত গুৰুত্ব দিব লাগে। এক সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত সংবাদ মাধ্যম আৰু জনসাধাৰণৰ মাজত এক পাৰস্পৰিক সুসম্পৰ্ক থকাটো প্ৰয়োজন। জনসাধাৰণেও সংবাদ মাধ্যমৰ পৰা মনোৰঞ্জন নিবিচাৰি সমাজৰ প্ৰকৃত খবৰ আৰু বিশ্লেষণাত্মক লেখা পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে। মানুহৰ সজাগতা আৰু সচেতনতাই সংবাদ মাধ্যমক নিজৰ দায়িত্ব পালনত অধিক বাধ্য কৰি তোলে। সমাজৰ প্ৰতিটো ইতিবাচক পৰিৱৰ্তনৰ আঁৰত সংবাদ মাধ্যমৰ অৱদান স্বীকাৰ কৰিবই লাগিব। এখন সমাজৰ সামগ্ৰিক বিকাশৰ যাত্ৰাত সংবাদ মাধ্যম সদায় এক নিৰ্ভৰযোগ্য সংগী হৈ থকাটো বাঞ্ছনীয়। সমাজৰ প্ৰতি থকা নিজৰ কৰ্তব্য আৰু দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ জৰিয়তে সংবাদ মাধ্যমে এক সুস্থ, সুন্দৰ আৰু প্ৰগতিশীল সমাজ নিৰ্মাণত গুৰুত্বপূৰ্ণ বৰঙণি যোগাব পাৰে।

সংবাদ মাধ্যম হৈছে এখন সমাজৰ দাপোণ স্বৰূপ আৰু এক সুস্থ, সজাগ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এই মাধ্যমৰ ভূমিকা অপৰিসীম। গণতান্ত্ৰিক ব্যৱস্থা এটাত সংবাদ মাধ্যমক চতুৰ্থ স্তম্ভ হিচাপে গণ্য কৰা হয়। ই চৰকাৰ আৰু সাধাৰণ জনতাৰ মাজত এক মজবুত সাঁকোৰ দৰে কাম কৰে। বাতৰিকাকত, আলোচনী বা বৈদ্যুতিন মাধ্যমসমূহৰ মূল কাম হৈছে সমাজৰ প্ৰকৃত ছবিখন জনসাধাৰণৰ আগত তুলি ধৰা। এই কাম সহজ নহয়। ইয়াৰ সৈতে এক গভীৰ সামাজিক দায়বদ্ধতা সাঙোৰ খাই থাকে। এজন সাংবাদিকে যেতিয়া এটা বাতৰি প্ৰস্তুত কৰে, তেতিয়া তেওঁৰ কান্ধত সমগ্ৰ সমাজখনৰ প্ৰতি এক অদৃশ্য দায়িত্ব আহি পৰে। বাতৰি এটা সঁচা আৰু নিৰপেক্ষ হোৱাটোৱেই যথেষ্ট নহয়। ই সমাজৰ বাবে কিমান হিতকৰ বা ক্ষতিকাৰক হ'ব পাৰে, সেই বিষয়েও গভীৰভাৱে চিন্তা কৰিবলগীয়া হয়। সমাজৰ বিভিন্ন স্তৰৰ মানুহে বাতৰি পঢ়ি বা চাই নিজৰ মতামত গঢ়ি তোলে। এটা ভুল বা পক্ষপাতদুষ্ট বাতৰিয়ে সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। সংবাদ মাধ্যমৰ প্ৰতিটো শব্দ, প্ৰতিটো বাক্যই মানুহৰ মনস্তত্ত্বত প্ৰভাৱ পেলায়। সমাজৰ ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দিয়াৰ লগতে ভাল কামবোৰকো উৎসাহিত কৰাটো সংবাদ মাধ্যমৰ এক ঘাই দায়িত্ব। সাধাৰণ মানুহৰ অভাৱ-অভিযোগ, দুখ-কষ্ট আৰু আশা-আকাংক্ষাক সঠিক ৰূপত প্ৰতিফলিত কৰিব পাৰিলেহে সংবাদ মাধ্যমৰ প্ৰকৃত উদ্দেশ্য সফল হয়। সমাজৰ প্ৰতিটো শ্ৰেণীৰ মানুহে সংবাদ মাধ্যমক বিশ্বাস কৰে। এই বিশ্বাস ভংগ নোহোৱাকৈ ৰখাটো এক ডাঙৰ প্ৰত্যাহ্বান। সংবাদ মাধ্যমে নিজৰ দায়িত্ব পালন কৰোঁতে সদায় জনসাধাৰণৰ স্বাৰ্থক আগস্থান দিব লাগে। ব্যৱসায়িক লাভালাভ বা অন্য কোনো প্ৰলোভনৰ বশৱৰ্তী হৈ সমাজৰ ক্ষতি কৰা কোনো ধৰণৰ বাতৰি পৰিৱেশন কৰাৰ পৰা বিৰত থকাটো নিতান্তই প্ৰয়োজনীয়। সমাজ এখনক সঠিক দিশত আগুৱাই নিয়াৰ বাবে সংবাদ মাধ্যমে এক পথপ্ৰদৰ্শকৰ ভূমিকা পালন কৰিব লাগে। অন্যায়, দুৰ্নীতি আৰু সমাজ বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে নিৰ্ভীকভাৱে মাত মাতিব পৰা সাহস সংবাদ মাধ্যমৰ থাকিব লাগে। একে সময়তে, সমাজৰ গঠনমূলক দিশবোৰকো সমানে গুৰুত্ব প্ৰদান কৰিব লাগে। এখন সমাজৰ সামগ্ৰিক বিকাশৰ বাবে সংবাদ মাধ্যমৰ সক্ৰিয় আৰু নিৰপেক্ষ ভূমিকা অতিশয় আৱশ্যক। সংবাদ মাধ্যমৰ সামাজিক দায়বদ্ধতা আওকাণ কৰিব নোৱাৰি। ই এক নিৰন্তৰ প্ৰক্ৰিয়া, য'ত সমাজৰ প্ৰতি দায়বদ্ধ হৈ কাম কৰাৰ মানসিকতা সদায় জাগ্ৰত হৈ থাকিব লাগে।

সমাজৰ প্ৰকৃত সত্য উদঘাটন কৰাটো সংবাদ মাধ্যমৰ অন্যতম প্ৰধান কৰ্তব্য। বাতৰি পৰিৱেশনৰ নামত সত্যক লুকুৱাই ৰখা বা বিকৃত ৰূপত উপস্থাপন কৰাটো সমাজৰ প্ৰতি এক চৰম বিশ্বাসঘাটকতা। বহু সময়ত দেখা যায় যে চমকপ্ৰদ বাতৰি প্ৰস্তুত কৰাৰ আশাত প্ৰকৃত সত্যটো হেৰাই যায়। এনে কাৰ্যই সমাজত অস্থিৰতা আৰু অবিশ্বাসৰ বাতাবৰণ সৃষ্টি কৰে। এখন সুস্থ সমাজত মানুহে সদায় সত্য আৰু নিৰপেক্ষ বাতৰি বিচাৰে। সংবাদ মাধ্যমে কোনো এটা বিষয়ৰ গভীৰতালৈ গৈ তাৰ প্ৰকৃত কাৰণ আৰু প্ৰভাৱ বিশ্লেষণ কৰিব লাগে। এই বিশ্লেষণ আৱেগবৰ্জিত আৰু যুক্তিনিষ্ঠ হোৱাটো বাঞ্ছনীয়। কোনো ব্যক্তি বা গোষ্ঠীৰ প্ৰতি থকা পূৰ্বধাৰণাৰ বশৱৰ্তী হৈ বাতৰি পৰিৱেশন কৰিলে সংবাদ মাধ্যমৰ নিৰপেক্ষতা প্ৰশ্নবোধক হৈ পৰে। সমাজৰ বিভিন্ন সমস্যা যেনে দৰিদ্ৰতা, নিবনুৱা সমস্যা, স্বাস্থ্য ব্যৱস্থাৰ দুৰৱস্থা, শিক্ষা ব্যৱস্থাৰ ত্ৰুটি আদি বিষয়বোৰ সংবাদ মাধ্যমে ধাৰাবাহিকভাৱে জনসাধাৰণ আৰু প্ৰশাসনৰ দৃষ্টিগোচৰ কৰিব লাগে। এই সমস্যাবোৰৰ সমাধানৰ বাবে এক গঠনমূলক আলোচনাৰ পৰিৱেশ সৃষ্টি কৰাটোও সংবাদ মাধ্যমৰ দায়িত্বৰ ভিতৰত পৰে। সমস্যাবোৰ আঙুলিয়াই দিয়াই নহয়, সেইবোৰৰ সম্ভাৱ্য সমাধানৰ উপায় সম্পৰ্কেও বিশেষজ্ঞৰ মতামত দাঙি ধৰিব লাগে। তেতিয়াহে সংবাদ মাধ্যমে সমাজৰ উত্তৰণত এক সক্ৰিয় অংশগ্ৰহণ কৰা বুলি ক'ব পৰা যাব। সমাজৰ দুৰ্বল আৰু নিষ্পেষিত শ্ৰেণীৰ মাত হোৱাটো সংবাদ মাধ্যমৰ এক পবিত্ৰ কৰ্তব্য। যিসকল লোকৰ মাত প্ৰশাসনৰ কাণত নপৰে, তেওঁলোকৰ দুখ-কষ্টৰ কথা সংবাদ মাধ্যমে সাহসেৰে প্ৰকাশ কৰিব লাগে। সমাজৰ প্ৰতিটো ঘটনাৰ আঁৰত থকা সত্যটোক পোহৰলৈ অনাৰ লগতে সমাজৰ মংগলৰ বাবে কাম কৰা ব্যক্তিসকলকো উৎসাহিত কৰিব লাগে। বাতৰি কাকত বা আন সংবাদ মাধ্যমৰ পাতত প্ৰকাশ পোৱা প্ৰতিটো কথাই পঢ়ুৱৈৰ মনত এক গভীৰ চাপ পেলায়। সেয়েহে, বাতৰি প্ৰস্তুত কৰোঁতে শব্দ নিৰ্বাচন আৰু বাক্য গাঁথনিৰ ক্ষেত্ৰত যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে। কোনো এটা বাতৰিয়ে যাতে সমাজৰ কোনো এটা শ্ৰেণীৰ মনত আঘাত নিদিয়ে বা সমাজত বিভাজনৰ সৃষ্টি নকৰে, তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে। সমাজক একত্ৰিত কৰি ৰখা আৰু সমাজৰ মাজত সম্প্ৰীতিৰ ভাব গঢ়ি তোলাৰ ক্ষেত্ৰতো সংবাদ মাধ্যমৰ বিশেষ ভূমিকা আছে। সাম্প্ৰদায়িক বা গোষ্ঠীগত সংঘৰ্ষৰ দৰে স্পৰ্শকাতৰ বিষয়বোৰ পৰিৱেশন কৰোঁতে সংবাদ মাধ্যমে চৰম সংযম আৰু দায়িত্বশীলতাৰ পৰিচয় দিব লাগে। অলপ অসাৱধানতা বা উত্তেজনাপূৰ্ণ বাতৰিয়ে সমাজত এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। সত্যনিষ্ঠা আৰু সামাজিক দায়বদ্ধতা সদায় সমান্তৰালভাৱে চলিব লাগে।



হিমাংশু ৰঞ্জন ভূঞা

জনমত গঠন কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ অৱদান স্বীকাৰ্য। এখন সমাজৰ নাগৰিকসকলক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক বিষয়সমূহৰ ওপৰত সজাগ কৰি তোলাটো সংবাদ মাধ্যমৰ এক বৃহৎ দায়িত্ব। সঠিক তথ্য আৰু নিৰপেক্ষ বিশ্লেষণৰ জৰিয়তে জনসাধাৰণক কোনো এটা বিষয়ৰ সপক্ষে বা বিপক্ষে নিজৰ মত গঠন কৰাত সংবাদ মাধ্যমে সহায় কৰে। গণতন্ত্ৰৰ ধাৰণাটো সফল হ'বলৈ হ'লে নাগৰিকসকল ৰাজনৈতিকভাৱে সজাগ আৰু সচেতন হোৱাটো প্ৰয়োজন। নিৰ্বাচনৰ সময়ত বা আন প্ৰশাসনীয় সিদ্ধান্ত গ্ৰহণৰ সময়ত সংবাদ মাধ্যমে প্ৰাৰ্থী বা ৰাজনৈতিক দলসমূহৰ কাম-কাজৰ এক বস্তুনিষ্ঠ পৰ্যালোচনা দাঙি ধৰিব লাগে। ইয়াৰ ফলত ভোটাৰসকলে সঠিক সিদ্ধান্ত ল'বলৈ সক্ষম হয়। একেদৰে, চৰকাৰৰ বিভিন্ন আঁচনি আৰু প্ৰকল্পসমূহৰ লাভালাভ আৰু ত্ৰুটিসমূহ জনসাধাৰণৰ আগত উদঙাই দিয়াটো সংবাদ মাধ্যমৰ কৰ্তব্য। ৰাজহুৱা ধনৰ সঠিক ব্যৱহাৰ হৈছে নে নাই, সেয়া চোৰা-চিতা কৰাৰ ক্ষেত্ৰতো সংবাদ মাধ্যমে এক চকীদাৰৰ ভূমিকা পালন কৰে। সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু অযুক্তিকৰ প্ৰথাৱলীৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰাটোও সংবাদ মাধ্যমৰ সামাজিক দায়বদ্ধতাৰ এক এৰাব নোৱৰা অংগ। বৈজ্ঞানিক মানসিকতা আৰু যুক্তিপূৰ্ণ চিন্তাধাৰাৰ প্ৰসাৰ ঘটোৱাত সংবাদ মাধ্যমে প্ৰভাৱশালী অৱদান আগবঢ়াব পাৰে। সমাজৰ উন্নয়নৰ বাবে নতুন নতুন চিন্তা আৰু ধাৰণাৰ প্ৰয়োজন। সংবাদ মাধ্যমে এনে চিন্তাধাৰাসমূহক উৎসাহিত কৰাৰ লগতে সমাজত এক বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰাত সহায় কৰিব লাগে। শিক্ষা, স্বাস্থ্য, পৰিৱেশ সংৰক্ষণ আদি বিষয়বোৰত জনসাধাৰণক শিক্ষিত কৰি তোলাটো সংবাদ মাধ্যমৰ আন এক কাম। বৰ্তমান সময়ত পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাটো এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। এই ক্ষেত্ৰত সাধাৰণ মানুহৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবে সংবাদ মাধ্যমে অহৰহ প্ৰচেষ্টা চলাব লাগে। গছ-গছনি কটা, প্ৰদূষণ বৃদ্ধি, বন্যপ্ৰাণী নিধন আদি সমস্যাবোৰৰ ভয়াবহতা সম্পৰ্কে জনসাধাৰণক অৱগত কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ উপায়সমূহো বাতৰিৰ জৰিয়তে প্ৰচাৰ কৰিব লাগে। ঠিক একেদৰে, স্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো সংবাদ মাধ্যমৰ দায়িত্ব আছে। মহামাৰী বা আন ৰোগৰ সময়ত সঠিক তথ্য প্ৰদান কৰি জনসাধাৰণক আতংকিত হোৱাৰ পৰা ৰক্ষা কৰাটো সংবাদ মাধ্যমৰ এক অতিশয় জৰুৰী কৰ্তব্য। এনে সময়ত উৰাবাতৰি বিয়পোৱাৰ পৰা বিৰত থকা আৰু বিজ্ঞানসন্মত তথ্য জনসাধাৰণৰ মাজলৈ লৈ যোৱাটো সংবাদ মাধ্যমৰ প্ৰধান কাম। সমাজ এখনক সুস্থ আৰু সবল কৰি ৰাখিবলৈ হ'লে সংবাদ মাধ্যমৰ এই সকলোবোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাটো অত্যন্ত আৱশ্যক।

সম্প্ৰতি প্ৰতিযোগিতামূলক যুগত সংবাদ মাধ্যমসমূহৰ সন্মুখত নিজৰ অস্তিত্ব ৰক্ষা কৰাৰ লগতে নিৰপেক্ষতা বৰ্তাই ৰখাৰ এক বৃহৎ প্ৰত্যাহ্বান আহি পৰিছে। ব্যৱসায়িক দৃষ্টিভংগী আৰু সামাজিক দায়বদ্ধতাৰ মাজত এক ভাৰসাম্য ৰক্ষা কৰাটো অতি কঠিন হৈ পৰিছে। বহু সময়ত দেখা যায় যে ব্যৱসায়িক স্বাৰ্থ সিদ্ধিৰ বাবে সংবাদ মাধ্যমে বাতৰিৰ গুণাগুণৰ লগত আপোচ কৰিবলগীয়া হয়। জনপ্ৰিয়তা বৃদ্ধি কৰাৰ স্বাৰ্থত অতিৰঞ্জিত আৰু সস্তীয়া বাতৰি পৰিৱেশন কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। ইয়াৰ ফলত প্ৰকৃত আৰু নিৰ্ভৰযোগ্য বাতৰিসমূহ তল পৰি যায়। সমাজৰ বাবে প্ৰয়োজনীয় বিষয়বোৰৰ পৰিৱৰ্তে বিতৰ্কিত আৰু চাঞ্চল্যকাৰী বিষয়বোৰে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰা দেখা যায়। এনে পৰিস্থিতিত সংবাদ মাধ্যমৰ মূল উদ্দেশ্য ব্যাহত হয় আৰু জনসাধাৰণৰ ইয়াৰ ওপৰত থকা বিশ্বাস ক্ৰমান্বয়ে হ্ৰাস পায়। এখন সুস্থ সমাজৰ বাবে এয়া এক অতি উদ্বেগজনক বিষয়। সংবাদ মাধ্যমৰ পৰিচালন সমিতিৰ এই ক্ষেত্ৰত এক গধুৰ দায়িত্ব আছে। তেওঁলোকে মুনাফা অৰ্জনৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে সংবাদ মাধ্যমৰ সামাজিক দায়বদ্ধতাৰ প্ৰতিও সমানে গুৰুত্ব দিব লাগে। সাংবাদিকসকলক মুক্ত আৰু নিৰপেক্ষভাৱে কাম কৰাৰ সুযোগ প্ৰদান কৰিব লাগে। তেওঁলোকৰ ওপৰত কোনোধৰণৰ ৰাজনৈতিক বা ব্যৱসায়িক হেঁচা প্ৰয়োগ কৰাৰ পৰা বিৰত থাকিব লাগে। এগৰাকী সাংবাদিকে নিজৰ বিবেক আৰু পেছাদাৰী নৈতিকতাৰ ওপৰত ভিত্তি কৰি বাতৰি প্ৰস্তুত কৰিব পাৰিলেহে সমাজৰ প্ৰকৃত ছবিখন পোহৰলৈ আহে। নৈতিকতা বিহীন সাংবাদিকতাই সমাজৰ কোনো উপকাৰ কৰিব নোৱাৰে, বৰঞ্চ ই সমাজৰ অপকাৰহে কৰে। সাংবাদিকতা এক মহান বৃত্তি, য'ত সমাজ সেৱাৰ মনোভাৱ নিহিত হৈ থাকে। এই বৃত্তিৰ মৰ্যাদা ৰক্ষা কৰাটো প্ৰতিগৰাকী সাংবাদিকৰ কৰ্তব্য। তেওঁলোকে কোনো লোভ বা ভয়ৰ বশৱৰ্তী নোহোৱাকৈ সত্যৰ সন্ধানত ব্ৰতী হ'ব লাগে। সমাজৰ বিভিন্ন স্তৰৰ মানুহে সাংবাদিকসকলক সন্মানৰ চকুৰে চায় আৰু তেওঁলোকৰ পৰা বহু আশা কৰে। এই আশা আৰু বিশ্বাসৰ মৰ্যাদা ৰক্ষা কৰিবলৈ সাংবাদিকসকলে সদায় জনসাধাৰণৰ স্বাৰ্থৰ হকে মাত মাতিব লাগে। অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ লগতে সমাজৰ গঠনমূলক দিশবোৰৰ প্ৰতিও দৃষ্টি নিবদ্ধ কৰিব লাগে। সংবাদ মাধ্যমৰ প্ৰতিটো খোজতে সমাজৰ প্ৰতি থকা দায়বদ্ধতা প্ৰতিফলিত হ'ব লাগে। নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ জৰিয়তেহে সংবাদ মাধ্যমে সমাজৰ এক সঁচা দাপোণ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিব।

সমাজৰ পৰিৱৰ্তনৰ লগে লগে সংবাদ মাধ্যমৰ ধৰণ আৰু পৰিসৰো সলনি হৈছে। নতুন প্ৰযুক্তিৰ আগমনে তথ্য প্ৰসাৰণৰ প্ৰক্ৰিয়াক ক্ষিপ্ৰ আৰু সহজ কৰি তুলিছে। ইয়াৰ লগতে সংবাদ মাধ্যমৰ দায়িত্ব আৰু অধিক বৃদ্ধি পাইছে। প্ৰতিটো মুহূৰ্ততে পৃথিৱীৰ ক'ৰবাত নহয় ক'ৰবাত কিবা এটা ঘটি আছে আৰু সেই খবৰ তৎক্ষণাত মানুহৰ হাতত পৰিছেহি। এনে পৰিস্থিতিত তথ্যৰ শুদ্ধতা নিৰূপণ কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। ভুল তথ্যই সমাজত দ্ৰুতগতিত বিৰূপ প্ৰভাৱ পেলাব পাৰে। সেয়েহে, বাতৰি প্ৰচাৰ কৰাৰ আগতে তাৰ সত্যতা ফঁহিয়াই চোৱাটো সংবাদ মাধ্যমৰ এক অপৰিহাৰ্য কৰ্তব্য। ভাষাৰ ব্যৱহাৰ আৰু উপস্থাপন শৈলীয়ে বাতৰি এটাৰ মানদণ্ড নিৰ্ণয় কৰে। আৱেগবৰ্জিত, পোনপটীয়া আৰু মননশীল ভাষাৰে বাতৰি পৰিৱেশন কৰিলে ই পঢ়ুৱৈৰ মনত সহজে প্ৰৱেশ কৰে আৰু সঠিক বাৰ্তা প্ৰেৰণ কৰে। অযুক্তিকৰ আৰু উত্তেজনাপূৰ্ণ ভাষাৰ প্ৰয়োগে সংবাদ মাধ্যমৰ গাম্ভীৰ্য হ্ৰাস কৰে। এখন সমাজৰ বৌদ্ধিক আৰু সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰতো সংবাদ মাধ্যমৰ এক বিশেষ ভূমিকা আছে। ভাষা, সাহিত্য, কলা আৰু সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ জৰিয়তে সংবাদ মাধ্যমে সমাজৰ গঠনমূলক দিশবোৰক সমৃদ্ধ কৰিব পাৰে। সমাজৰ বিশিষ্ট ব্যক্তিসকলৰ চিন্তা আৰু আদৰ্শ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাৰ লগতে নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰিব পৰা লেখাসমূহ প্ৰকাশ কৰাত গুৰুত্ব দিব লাগে। এক সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত সংবাদ মাধ্যম আৰু জনসাধাৰণৰ মাজত এক পাৰস্পৰিক সুসম্পৰ্ক থকাটো প্ৰয়োজন। জনসাধাৰণেও সংবাদ মাধ্যমৰ পৰা মনোৰঞ্জন নিবিচাৰি সমাজৰ প্ৰকৃত খবৰ আৰু বিশ্লেষণাত্মক লেখা পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে। মানুহৰ সজাগতা আৰু সচেতনতাই সংবাদ মাধ্যমক নিজৰ দায়িত্ব পালনত অধিক বাধ্য কৰি তোলে। সমাজৰ প্ৰতিটো ইতিবাচক পৰিৱৰ্তনৰ আঁৰত সংবাদ মাধ্যমৰ অৱদান স্বীকাৰ কৰিবই লাগিব। এখন সমাজৰ সামগ্ৰিক বিকাশৰ যাত্ৰাত সংবাদ মাধ্যম সদায় এক নিৰ্ভৰযোগ্য সংগী হৈ থকাটো বাঞ্ছনীয়। সমাজৰ প্ৰতি থকা নিজৰ কৰ্তব্য আৰু দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ জৰিয়তে সংবাদ মাধ্যমে এক সুস্থ, সুন্দৰ আৰু প্ৰগতিশীল সমাজ নিৰ্মাণত গুৰুত্বপূৰ্ণ বৰঙণি যোগাব পাৰে। সমাজৰ মংগলৰ বাবে কাম কৰাৰ এই নিৰন্তৰ প্ৰচেষ্টাই সংবাদ মাধ্যমক সদায় জীয়াই ৰাখিব আৰু ইয়াৰ প্ৰাসংগিকতা কেতিয়াও ম্লান পৰিব নিদিব।

সংবাদ মাধ্যমক ইতিহাসৰ প্ৰথম খচৰা হিচাপে অভিহিত কৰা হয়। আজিৰ যি ঘটনা সংবাদ মাধ্যমৰ পাতত প্ৰকাশ পায়, সেয়াই ভৱিষ্যতৰ প্ৰজন্মৰ বাবে ইতিহাস হৈ পৰে। সেয়েহে, বাতৰি এটা লিপিবদ্ধ কৰোঁতে সাংবাদিকে এক ঐতিহাসিক দায়িত্ববোধ অনুভৱ কৰা উচিত। তথ্যৰ শুদ্ধতা আৰু নিৰপেক্ষ বিশ্লেষণৰ অবিহনে প্ৰস্তুত কৰা বাতৰিয়ে ভৱিষ্যতৰ গৱেষক আৰু সমাজতাত্ত্বিকসকলক বিভ্ৰান্ত কৰিব পাৰে। এখন সমাজৰ বৌদ্ধিক আৰু নৈতিক স্বাস্থ্য কেনেকুৱা, সেয়া সেই সমাজৰ সংবাদ মাধ্যমৰ মানদণ্ডৰ পৰাই অনুমান কৰিব পাৰি। যিখন সমাজৰ সংবাদ মাধ্যম সাহসী, যুক্তিনিষ্ঠ আৰু সত্যনিষ্ঠ, সেইখন সমাজ সহজে বিপথগামী হ'ব নোৱাৰে। সংবাদ মাধ্যমে জনসাধাৰণক প্ৰশ্ন সুধিবলৈ শিকাব লাগে। ক্ষমতাশালী শ্ৰেণীক তেওঁলোকৰ কাম-কাজৰ বাবে উত্তৰদায়ী কৰিব পৰা পৰিৱেশ এটা গঢ়ি তোলাত সংবাদ মাধ্যমৰ ভূমিকা অনস্বীকাৰ্য। সাধাৰণ জনতাৰ মনত চলি থকা সন্দেহ, শংকা আৰু প্ৰত্যাশাবোৰক এক বৌদ্ধিক মাত্ৰা প্ৰদান কৰি সংবাদ মাধ্যমে সমাজৰ চিন্তাধাৰাক এক সঠিক দিশলৈ লৈ যায়। জনসাধাৰণৰ বৌদ্ধিক বিকাশৰ বাবে বাতৰিকাকতৰ সম্পাদকীয় পৃষ্ঠাসমূহে এক মুকলি মঞ্চৰ কাম কৰে, য'ত সমাজৰ ভিন ভিন মতাদৰ্শৰ সুস্থ আলোচনা সম্ভৱপৰ হয়। এনে আলোচনাই সমাজত সহনশীলতা আৰু গণতান্ত্ৰিক মূল্যবোধ প্ৰতিষ্ঠা কৰাত সহায় কৰে। সংবাদ মাধ্যমৰ অবিহনে এখন সমাজ অন্ধ আৰু স্থবিৰ হৈ পৰাৰ আশংকা থাকে। সেয়েহে, যিকোনো পৰিস্থিতিতে সংবাদ মাধ্যমে নিজৰ সততা আৰু নিৰপেক্ষতা বজাই ৰাখিব লাগে। সমাজৰ মংগলকামী প্ৰতিটো শক্তিক একত্ৰিত কৰি কু-প্ৰভাৱসমূহক উৎখাত কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যম সদায় আগৰণুৱা হোৱা উচিত। সকলো বাধা-বিঘিনি নেওচি সত্যক প্ৰতিষ্ঠা কৰাৰ যি সংগ্ৰাম, সেই সংগ্ৰামত সংবাদ মাধ্যম জনতাৰ চিৰস্থায়ী মিত্ৰ হৈ ৰোৱাটোৱেই সামাজিক দায়বদ্ধতাৰ মূলমন্ত্ৰ।

ভাৰ্চুৱেল শৈশৱ অন্য এক আতংক

নিবেদিতা হাজৰিকা

বৰ্তমান যুগটো হ'ল তথ্য প্ৰযুক্তিৰ যুগ বা ডিজিটেল যুগ। ইয়াৰ অবিহনে যেন সকলো অচল। শিশু সকলো ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা পৰিলক্ষিত হৈছে। ভাৰ্চুৱেল শৈশৱৰ আতংক বৰ্তমান সময়ৰ এক ডাঙৰ সমস্যালৈ পৰিণত হৈছে। ইয়াৰ নেতিবাচক প্ৰভাৱ চিন্তাজনক। আগৰ দৰে শিশু সকলে সমনীয়াৰ লগত খেলাৰ পৰিৱৰ্তে হাতত সেই নীৰৱ ঘাটক স্বৰূপ ম'বাইল ফোনটোৰ লগত চকুৰ টিপ নমৰাকৈ একাত্ম হৈ এখন অন্য জগত বিচৰণ কৰে, যিখন জগতৰ বাস্তৱৰ লগত কোনো সম্পৰ্ক নাই। প্ৰাকৃতিক খেল-ধেমালিৰ পৰিৱৰ্তে ম'বাইল, ইণ্টাৰনেট তথা বিভিন্ন ৱেবছাইটৰ মাজত সময় অতিবাহিত কৰাটো আজিৰ সময়ৰ এটি পৰিচিত দৃশ্য। এই আসক্তিয়ে সন্তানক বহুত ক্ষতি কৰিছে। ভাৰ্চুৱেল পৃথিৱীৰ গ্ৰাসৰ পৰা শিশু, সন্তানক উলিয়াই আনিব পৰাটো অভিভাৱকৰ বাবে এক প্ৰত্যাহ্বান যদিও সঠিক ৰূপত নিৰ্দেশনা দিব পাৰিলে বা জানিলে শিশু সকলক নিশ্চয়কৈ এই আসক্তিৰ পৰা ৰক্ষা কৰিব পৰা যাব। সঠিক পথত শিশু সকলক পৰিচালনা কৰাৰ সময় আহি পৰিছে। শিশু সকলক সঠিক পথ নিৰ্দেশনা দিয়াৰ প্ৰয়োজন আৰু সময় আহি পৰিছে। এই ক্ষেত্ৰত শিশু সকলৰ অনলাইন একটিভিটি মনিটৰ কৰা উচিত। শিশু সকলক অনলাইন ছেফটিৰ বিষয়ে শিক্ষা দিয়া উচিত, শিকোৱা উচিত। শিশু সকলক সঠিক ভাবে পৰিচালনা নকৰিলে এক ভয়ানক সংকট নামি আহিব। শিশু সকলক ভাৰ্চুৱেল জগতৰ লোভনীয় প্ৰলোভনৰ পৰা ৰক্ষা কৰিবলৈ অভিভাৱক সকল তথা সমাজৰ অন্য লোক সকলো সজাগ-সচেতন হ'ব লাগিব। বৰ্তমান সময়ত শিশু সকলৰ ভাৰ্চুৱেল প্ৰীতি বা আগ্ৰহ এক আসক্তিলৈ পৰিণত হৈছে বুলি ক'ব পাৰি। যিয়ে উঠি অহা শিশু সকলৰ যথেষ্ট ক্ষতি সাধন কৰিছে। শাৰীৰিক, মানসিক তথা মানসিক দিশত বিশেষ ভাবে প্ৰভাৱিত কৰা পৰিলক্ষিত হৈছে। সেয়ে সময় থাকোঁতেই ভাৰ্চুৱেল পৃথিৱী খনৰ পৰা শিশু সকলক উদ্ধাৰ কৰিবলৈ সকলোৰে যত্ন পৰ হোৱা উচিত।



ভাৰ্চুৱেল পৃথিৱী, বাস্তৱ পৃথিৱীৰ পৰা সম্পূৰ্ণ পৃথক। সেয়ে শৈশৱ কালত এই পৃথিৱীখনৰ পৰা আঁতৰাই নাৰাখিলে আমাৰ সম্পদ সমূহ কলিতেই মৰহি যাব। ভাৰ্চুৱেল শৈশৱ বা ম'বাইল - ইণ্টাৰনেটৰ অতিমাত্ৰা নিৰ্ভৰশীলতাৰ আতংক আঁতৰ কৰিবলৈ হ'লে শিশু সকলক প্ৰাকৃতিক পৰিৱেশ আৰু মুকলি খেল-ধেমালিৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। অভিভাৱকে হাজাৰ ব্যস্ততাৰ মাজতো সন্তানক সময় দিয়া উচিত। সন্তানক আজৰি সময় উলিয়াই অলপ প্ৰকৃতিৰ সান্নিধ্য দিবলৈ যত্ন কৰা উচিত। বিভিন্ন সৃজনাত্মক কাম আৰু ঘৰুৱা সৰু-সুৰা কাৰ্যত তেওঁলোকক ব্যস্ত ৰাখিবলৈ যত্ন কৰিব লাগিব। পৰিয়ালৰ সদস্য সকলেও শিশুটিৰ লগত বেছিকৈ মানসন্মত সময় অতিবাহিত কৰক, যাতে তেওঁলোকে ভাৰ্চুৱেল জগতৰ পৰিৱৰ্তে বাস্তৱিক মৰম আৰু নিৰাপত্তা অনুভৱ কৰে। ভয়ানক ব্যাধি স্বৰূপ হৈ পৰা এই ৰোগাক্ৰান্ত শিশু সকলক ইয়াৰ ভয়াবহতাৰ পৰা ৰক্ষা কৰিবলৈ হ'লে আমি অভিভাৱক সকল সৰ্বতো প্ৰকাৰে সচেতন হ'ব লাগিব, প্ৰয়োজনত কিছু কঠোৰ হ'ব লাগিব।

শিশু সকলৰ শৈশৱ কালতো খেল-ধেমালি, প্ৰকৃতিৰ লগত, সমনীয়াৰ লগত অতিবাহিত হ'লে যি আনন্দ পোৱা যায় সেই আনন্দৰ পৰা আজিৰ শিশু সকলৰ যেন বহুতেই বঞ্চিত। ৰুটিনবদ্ধ জীৱনে শিশু সকলৰ শৈশৱৰ হাঁহি-ধেমালি সমূহটো কাঢ়ি নিয়াৰ দৰে হৈছে, ইয়াৰ লগতে ভাৰ্চুৱেল জগতৰ ত্ৰাস। ম'বাইল বা স্ক্ৰীণৰ মাজত সৰুৰে পৰা সময় কটোৱাৰ ফলত শিশু সকলৰ শাৰীৰিক-মানসিক দুয়ো দিশৰে ব্যাপক ক্ষতি সাধন হৈছে। সমাজ আৰু মুকলি পৰিৱেশৰ পৰা দূৰ হৈ পৰিছে, সামাজিক বিচ্ছিন্নতাৰ ভাব গঢ় লৈ উঠিছে। ভয়, উদ্বেগ, খিংখিঙীয়া স্বভাৱ আৰু একাকিত্ব ভাব বৃদ্ধি পাব ধৰিছে। এই বিষয় সমূহ একেবাৰেই উলাই কৰা উচিত নহয়। ভাৰ্চুলেল জগতখনৰ পৰা শিশুক সম্পূৰ্ণ ৰূপে আঁতৰাই ৰখাটো সম্ভৱ নহয়, কিন্তু সঠিক নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ জৰিয়তেহে শিশু সকলক ইয়াৰ কু-ফলৰ পৰা ৰক্ষা কৰি এক সুস্থ ভৱিষ্যত তথা সুস্থ জীৱন প্ৰদান কৰিব পৰা যাব। সেয়ে অভিভাৱক সকল সতৰ্ক আৰু সচেতন হোৱাটো বৰ্তমান সময়ৰ এক বিশেষ আহ্বান।

ডুমডুমাৰ বাইপাছত ভয়ংকৰ পথ দুৰ্ঘটনা; মটৰ চাইকেল, কেঁচা চাহপাত কঢ়িওৱা ডিআই আৰু জিম'নী বাহনৰ সংঘৰ্ষ

জ্বলি উঠিল মটৰচাইকেল আৰু ডিআই; চাৰিজনৰ মৃত্যু

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ অক্টোবৰ ঃ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত চামডাং বাইপাছত আজি সন্ধিয়া সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিজনকৈ লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে এজন লোকৰ চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হোৱাৰ উপৰিও কেইবাজনো লোক আহত হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিষয়ে জানিব পৰা মতে উক্ত বাইপাছৰ চামডাং নতুন লাইনৰ সমীপত কেঁচা চাহপাত কঢ়িওৱা তীব্ৰবেগী AS 23 DC 5936 নম্বৰৰ ডিআই বাহনখনে উক্ত পথেৰে খোজকাঢ়ি গৈ থকা দুজন ব্যক্তিক খুন্দিওৱাৰ পাছত মটৰচাইকেলখনত খুন্দিয়াই আৰু তাৰ পাছতে জিম'নী বাহনখনক খুন্দিয়াই জ্বলি উঠে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে এই দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে কেঁচা চাহপাত কঢ়িওৱা ডিআই বাহনখন আৰু মটৰচাইকেলখন দাউ দাউকৈ জ্বলি উঠে। যাৰ ফলত ডিআই বাহনখনৰ চালকজন নিজৰ আসনতে বহি থকা অৱস্থাতে সম্পূৰ্ণ জ্বলি ছাই হৈ যোৱাৰ লগতে মটৰচাইকেল আৰোহীজন আৰু এজন পথচাৰীৰ থিতাতে মৃত্যু হয়। আনহাতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত আনজন পথচাৰীৰ চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হয়। এই দুৰ্ঘটনাত মৃত্যু হোৱা ব্যক্তি কেইজনৰ তিনিজন পিণ্টু তাঁতী, সুব্ৰত ভক্ত আৰু গণেশ প্ৰজা বুলি জানিব পৰা গৈছে। আনহাতে অগ্নিদগ্ধ হৈ মৃত্যু হোৱা ডিআই বাহনখনৰ চালকজনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। এই দুৰ্ঘটনাৰ খবৰ পোৱাৰ পাছতে অগ্নিনিৰ্বাপক বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপণৰ চেষ্টা চলোৱাৰ লগতে আৰক্ষীয়ে আহত সকলক চিকিৎসালয়লৈ পঠিওৱাৰ ব্যৱস্থা কৰে। অৱশ্যে এই দুৰ্ঘটনাত ৪ জনকৈ লোক আহত হোৱাৰ সন্দেহ কৰা হৈছে যদিও সেই বিষয়ে এই বাতৰি লিখা পৰলৈকে সঠিককৈ জানিব পৰা হোৱা নাই। উল্লেখযোগ্য যে অঞ্চলটোত সঘনাই সংঘটিত হৈ থকা পথ দুৰ্ঘটনাই স্থানীয় ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। পথ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰশাসনক জৰুৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ বাৰে বাৰে দাবী জনাই অহাৰ পিছতো এনে দুৰ্ঘটনা সংঘটিত হৈ থকাটো চিন্তাৰ বিষয় হৈ পৰিছে বুলি স্থানীয় দল-সংগঠনে মত প্ৰকাশ কৰিছে।

নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ, পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ ল'লৈ স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে; জিলা স্বাস্থ্য বিভাগৰ কাম-কাজৰো পৰ্যালোচনা

অতিশীঘ্ৰেই ৰাইজৰ সেৱাত মুকলি হ'ব বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়



অসম বাৰ্তা, বিহালী, ২৪ অক্টোবৰ ঃ ৰাজ্যৰ চিকিৎসা শিক্ষা আৰু স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ দিশত আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অতি শীঘ্ৰেই ৰাইজৰ সেৱাত মুকলি হ'ব বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়। নৱনিৰ্মিত চিকিৎসা প্ৰতিষ্ঠানটোৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত আজি প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰি সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয় ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে। এই প্ৰতিষ্ঠানটো আনুষ্ঠানিকভাৱে মুকলি হ'লেই অসমৰ ১৬সংখ্যক চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় হিচাপে আত্মপ্ৰকাশ কৰিব। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ শৈক্ষিক ভৱন, প্ৰশাসনিক ভৱন, পুথিভঁৰাল, ছাত্ৰ-ছাত্ৰীৰ আৱাস, নাৰ্ছৰ আৱাস, চিকিৎসকৰ আৱাসকে ধৰি বিভিন্ন আন্তঃগাঁথনিমূলক সুবিধা পৰিদৰ্শন কৰে। লগতে চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে গ্ৰহণ কৰা প্ৰস্তুতি আৰু প্ৰতিষ্ঠানটোৰ কাৰ্যকৰীকৰণৰ সৈতে জড়িত বিভিন্ন দিশৰ বিষয়ে পাৱাৰপইণ্ট উপস্থাপনৰ জৰিয়তে বিতংভাৱে বুজ লয়। এইক্ষেত্ৰত প্ৰয়োজনীয় দিহা-পৰামৰ্শও আগবঢ়ায় মন্ত্ৰীগৰাকীয়ে। পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মন্ত্ৰী অশোক সিংহলে কয় যে বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে আৰু অতি কম সময়ৰ ভিতৰতে প্ৰতিষ্ঠানটো ৰাইজৰ সেৱাত মুকলি কৰাৰ বাবে সাজু হৈ উঠিব। এই নতুন চিকিৎসা প্ৰতিষ্ঠানটোৰ আৰম্ভণিয়ে ৰাজ্যৰ চিকিৎসা শিক্ষা আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব। বিশেষকৈ বিশ্বনাথ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজে উন্নত চিকিৎসা সেৱা লাভ কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ৰাজ্যত চিকিৎসা শিক্ষাৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ চৰকাৰী প্ৰচেষ্টাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান ৰাজ্যৰ ১০খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য চলি আছে আৰু আন চাৰিখন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য অতি সোনকালে আৰম্ভ কৰা হ'ব। শেহতীয়াকৈ বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ে ৰাজ্যৰ ১৫সংখ্যক চিকিৎসা মহাবিদ্যালয় হিচাপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ পিছতে বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ো অতি সোনকালে ৰাইজৰ সেৱাত মুকলি কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে নতুন চিকিৎসা মহাবিদ্যালয়সমূহে ৰাজ্যত অধিক চিকিৎসক আৰু দক্ষ মানৱ সম্পদ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ ফলত ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থা অধিক শক্তিশালী হ'ব আৰু অসমৰ প্ৰতিটো চুকে-কোণে থকা স্বাস্থ্য উপকেন্দ্ৰসমূহত একোজনকৈ চিকিৎসক নিযুক্তি দিয়াৰ মুখ্যমন্ত্ৰীৰ লক্ষ্য বাস্তৱায়িত কৰাৰ ক্ষেত্ৰতো সহায়ক হ'ব। চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শনৰ পাছত মন্ত্ৰী অশোক সিংহলে বিশ্বনাথৰ আৱৰ্ত ভৱনত অনুষ্ঠিত জিলা স্বাস্থ্য বিভাগৰ এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। বৈঠকত জিলাখনৰ স্বাস্থ্যসেৱাৰ বিভিন্ন সূচক, মাতৃ স্বাস্থ্য, মাতৃ মৃত্যুৰ হাৰ, শিশু মৃত্যুৰ হাৰ আৰু স্বাস্থ্য খণ্ডৰ সামগ্ৰিক অগ্ৰগতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত স্বাস্থ্য সূচকসমূহৰ বৰ্তমানৰ অৱস্থা, সংশ্লিষ্ট ক্ষেত্ৰসমূহত দেখা দিয়া প্ৰত্যাহ্বান আৰু উন্নয়নৰ সম্ভাৱনাসমূহ পৰ্যালোচনা কৰি নিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণৰ জৰিয়তে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ মাতৃ আৰু শিশু মৃত্যুৰ হাৰ হ্ৰাস কৰা, উচ্চ বিপদাশংকাপূৰ্ণ গৰ্ভধাৰণৰ ঘটনা সময়মতে চিনাক্ত কৰা, গুণগত প্ৰসূতি সেৱা নিশ্চিত কৰা আৰু চিকিৎসালয়ত প্ৰসৱৰ হাৰ বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। স্বাস্থ্যসেৱাৰ মান উন্নত কৰাৰ বাবে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ তথা জিলা প্ৰশাসনে সমন্বয়ৰে কাম কৰি যাব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। চৰকাৰী স্বাস্থ্য আঁচনিসমূহৰ সুফল যাতে প্ৰকৃত হিতাধিকাৰীসকলে লাভ কৰে, তাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক দায়বদ্ধতাৰে কাম কৰিবলৈও তেওঁ আহ্বান জনায়। এই পৰ্যালোচনা বৈঠকত বিশ্বনাথ সমষ্টিৰ বিধায়ক পল্লৱ লোচন দাস, গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ চৌধুৰী, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ যোগেন চন্দ্ৰ বে, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ হিৰণ্য বৰা, বিশ্বনাথ জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ ৰিপন চুতীয়া প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

সভাপতি হিচাপে পুনৰ নিৰ্বাচিত দুৰ্গা দলৈ, কাৰ্যকৰী সভাপতি পুলিন কুমাৰ কাকতি

ভূৰবন্ধা আঞ্চলিক ৰাস মহোৎসৱৰ নতুন সমিতি গঠন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৪ অক্টোবৰ ঃ মৰিগাঁও জিলাৰ ভূৰবন্ধা আঞ্চলিক ৰাস মন্দিৰ প্ৰাঙ্গণত শনিবাৰে দিনৰ ১১ বজাত ৭২ সংখ্যক বৃহত্তৰ ভূৰবন্ধা আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত এখন বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত পুৰণি সমিতিখন বিধিগতভাৱে ভংগ কৰি আগন্তুক ৭৩ সংখ্যক বৃহত্তৰ ভূৰবন্ধা আঞ্চলিক ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে নতুন সমিতি গঠন কৰা হয়। ৭২ সংখ্যক বৃহত্তৰ ভূৰবন্ধা আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ সভাপতি দুৰ্গা দলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক পুলিন কুমাৰ কাকতিয়ে। সভাত বিগত বৰ্ষৰ ৰাস মহোৎসৱৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে হিচাপ পৰীক্ষকৰ জৰিয়তে আয়-ব্যয়ৰ হিচাপ-নিকাচ উপস্থিত ৰাইজৰ সন্মুখত দাঙি ধৰা হয়। এবছৰীয়া কাৰ্যকালত সমিতিখনে সম্পন্ন কৰা কাম-কাজৰ প্ৰতিবেদন আৰু বিত্তীয় হিচাপ দাঙি ধৰাৰ পিছত পুৰণি সমিতিখনে আনুষ্ঠানিকভাৱে বিদায় লয়। ইয়াৰ পিছতে আগন্তুক ৭৩ সংখ্যক ভূৰবন্ধা আঞ্চলিক ৰাস মহোৎসৱ সুচাৰুৰূপে উদযাপনৰ লক্ষ্যৰে দুৰ্গা দলৈক পুনৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে, প্ৰাক্তন সম্পাদক পুলিন কুমাৰ কাকতিক কাৰ্যকৰী সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। প্ৰাঞ্জল ডেকা আৰু চিন্ময় ভৰদ্বাজক যুটীয়া সম্পাদক হিচাপে লৈ এখন নতুন উদ্‌যাপন সমিতি গঠন কৰা হয়। ইফালে এই সভাতে ভূৰবন্ধা আঞ্চলিক ৰাস মন্দিৰৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু সামগ্ৰিক বিকাশৰ উদ্দেশ্যে আগন্তুক তিনি বছৰৰ বাবে এখন ৰাস মন্দিৰ উন্নয়ন সমিতিও গঠন কৰা হয়। সমাজকৰ্মী ধনবৰ বৰাক সভাপতি, ভূৰবন্ধা শতদল শাখা সাহিত্য সভাৰ সভাপতি মণি কুমাৰ ডেকাক কাৰ্যকৰী সভাপতি আৰু গাঁও পঞ্চায়তৰ সভাপতি অমৰেন্দ্ৰ কোঁৱৰক সম্পাদক হিচাপে লৈ এই উন্নয়ন সমিতিখন গঠন কৰা হয়। নতুন উদযাপন সমিতি আৰু উন্নয়ন সমিতি গঠনৰ জৰিয়তে ভূৰবন্ধা আঞ্চলিক ৰাস মহোৎসৱৰ পৰম্পৰা অক্ষুণ্ণ ৰখাৰ লগতে ৰাস মন্দিৰৰ উন্নয়ন আৰু সাংস্কৃতিক পৰিৱেশ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত নতুন উদ্যমেৰে কাম কৰাৰ আশা প্ৰকাশ কৰা হয়।

২-০ গ'লৰ ব্যৱধানত চেম্পিয়নৰ খিতাপ অৰ্জন

জলাইগাঁও ধনসৰাং বি.চি.ৰ হাতত পৰাস্ত ছিৰামপুৰ



অসম বাৰ্তা, গোলোকগঞ্জ, ২৪ অক্টোবৰ ঃ ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত, বিছনদই ভীম ভাৰত ফুটবল এছ'চিয়েচনৰ উদ্যোগত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখনত জলাইগাঁও ধনসৰাং বি.চি. দলে ছিৰামপুৰ দলক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে। উত্তেজনাপূৰ্ণ ফাইনেল খেলখনত দুয়োটা দলে উন্নত প্ৰদৰ্শন দাঙি ধৰাৰ মাজতে জলাইগাঁও ধনসৰাং বি.চি. দলে দুটা গ'ল কৰিবলৈ সক্ষম হয়। আনহাতে, ছিৰামপুৰ দলে কোনো গ'ল কৰিবলৈ সক্ষম নহ'ল। অৱশেষত ২-০ গ'লৰ ব্যৱধানত জলাইগাঁও ধনসৰাং বি.চি. দল বিজয়ী হয়। এই ফাইনেল খেলখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ। আনহাতে, প্ৰতিযোগিতাখনৰ 'মেন অৱ দ্য ছিৰিজ' বঁটাটি প্ৰয়াত ভাৰতী বালা মহন্তৰ স্মৃতিত তেখেতৰ পুত্ৰ দীপ মহন্তই প্ৰদান কৰে। মাতৃৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে আগবঢ়োৱা এই পদক্ষেপে অনুষ্ঠানটোত এক বিশেষ তাৎপৰ্য বহন কৰে। বিছনদই ভীম ভাৰত ফুটবল এছ'চিয়েচনৰ এই উদ্যোগে স্থানীয় অঞ্চলত ফুটবল খেলৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে যুৱ প্ৰতিভাসমূহক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

২০২৭ চনৰ এপ্ৰিলত মুখ্যমন্ত্ৰীৰ হাতত শুভাৰম্ভ হ'ব বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় ঃ স্বাস্থ্য মন্ত্ৰী অশোক সিংহাল

অসম বাৰ্তা, জিনজিয়া, ২৪ অক্টোবৰ ঃ অসমৰ ১৬ নম্বৰ চিকিৎসা মহাবিদ্যালয় হিচাপে নিৰ্মীয়মান বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়খন ২০২৭ চনৰ এপ্ৰিল মাহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতেৰে শুভাৰম্ভ কৰা হ'ব বুলি মন্তব্য কৰিছে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে। শণিবাৰে স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে নিৰ্মাণাধীন বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত সাংবাদিকৰ আগত তেওঁ কয় যে নিৰ্ধাৰিত সময়ৰ ভিতৰত মহাবিদ্যালয়খনৰ কাম সম্পূৰ্ণ কৰি ২০২৭ চনৰ এপ্ৰিলত ৰাইজৰ বাবে মুকলি কৰাৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এই পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ লগত বিশ্বনাথৰ বিধায়ক পল্লৱ লোচন দাস, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, জিলা আয়ুক্ত কৰবী শইকীয়াৰ লগতে স্বাস্থ্য বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়খন আৰম্ভ হ'লে উত্তৰ অসমৰ ৰাইজে উন্নত স্বাস্থ্য সেৱা লাভ কৰাৰ লগতে অঞ্চলটোৰ যুৱক-যুৱতীসকলে নিজৰ ঠাইতে চিকিৎসা বিজ্ঞান অধ্যয়ন কৰাৰ সুযোগ পাব বুলি মন্ত্ৰী সিংহালে আশা প্ৰকাশ কৰে। উল্লেখ্য যে, অসম চৰকাৰে ৰাজ্যৰ প্ৰতিটো জিলাত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লক্ষ্য লৈ বিশ্বনাথত এই ১৬নম্বৰ চিকিৎসা মহাবিদ্যালয়খন নিৰ্মাণ কৰি আছে।

২৫ লাখ টকাৰে উন্নীতকৰণ হ'ব হাউলীৰ প্ৰতিমা বিসৰ্জনস্থলী

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ অক্টোবৰ ঃ বৰপেটা জিলাৰ হাউলী চহৰৰ প্ৰতিমা বিসৰ্জন-স্থলীৰ উন্নয়নৰ বাবে ২৫ লাখ টকা ব্যয় কৰা হ'ব। অসম বিধানসভাৰ অধ্যক্ষ তথা স্থানীয় বিধায়ক ৰণজিৎ কুমাৰ দাসে হাউলীৰ প্ৰতিমা বিসৰ্জনস্থলী পৰিদৰ্শন কৰি এই উন্নয়নমূলক কামৰ কথা ঘোষণা কৰে। উল্লেখ্য যে হাউলী চহৰৰ প্ৰতিমা বিসৰ্জনস্থলীখন দুৰ্গা পূজাকে ধৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত এক গুৰুত্বপূৰ্ণ স্থান। প্ৰতিবছৰে ইয়াত প্ৰতিমা বিসৰ্জন কৰিবলৈ বহু লোকৰ সমাগম হয়। সেয়েহে বিসৰ্জন-স্থলীখনৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে ৰাইজৰ সুবিধাৰ্থে উপযুক্ত ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজনীয়তা দীৰ্ঘদিন ধৰি অনুভৱ কৰা হৈছিল। এই পৰিপ্ৰেক্ষিতত বিসৰ্জনস্থলী-খনৰ পকীকৰণৰ কামৰ বাবে ২৫ লাখ টকা ব্যয় কৰাৰ কথা ঘোষণা কৰাত স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে যে উন্নয়নমূলক কাম সম্পূৰ্ণ হ'লে প্ৰতিমা বিসৰ্জনৰ সময়ত ৰাইজে অধিক সুবিধা লাভ কৰিব। স্থানীয় বিধায়কগৰাকীৰ এই ঘোষণাই হাউলী চহৰৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এক নতুন আশাৰ সৃষ্টি কৰিছে। অৱশ্যে প্ৰকল্পটোৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব আৰু কিমান সময়ৰ ভিতৰত সম্পূৰ্ণ হ'ব, সেই বিষয়ে সবিশেষ জানিব পৰা হোৱা নাই।

নিহত ধিং খৰ্গেশ্বৰ বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ

বটদ্ৰৱাৰ ৰাইডঙীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা

অসম বাৰ্তা, নগাঁও, ২৪ অক্টোবৰ ঃ নগাঁও জিলাৰ বটদ্ৰৱাৰ ৰাইডঙীয়াৰ গংগা ধাবাৰ সমীপত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে ধিং খৰ্গেশ্বৰ বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ কুমাৰ দেৱনাথে। অধ্যক্ষগৰাকীৰ আকস্মিক মৃত্যুৰ খবৰে ধিং আৰু বটদ্ৰৱা অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য অনুসৰি, ধিঙৰ বাসিন্দা প্ৰদীপ কুমাৰ দেৱনাথে নগাঁৱৰ পৰা ধিং অভিমুখে গৈ থকা অৱস্থাত নগাঁও-বটদ্ৰৱা সংযোগী পথৰ ৰাইডঙীয়াৰ গংগা ধাবাৰ সমীপত বিপৰীত দিশৰ পৰা অহা এখন বেটাৰীচালিত যাত্ৰীবাহী বাহনৰ সৈতে তেওঁৰ বাহনখনৰ মুখামুখি সংঘৰ্ষ হয়। AS-02-EC-8613 আৰু AS-02-CR-6877 নম্বৰৰ বাহন দুখনৰ মাজত হোৱা এই সংঘৰ্ষৰ ফলত ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকী থিতাতে নিহত হয়। ইফালে, দুৰ্ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে স্থানীয় আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। লগতে দুৰ্ঘটনাটোৰ কাৰণ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। এগৰাকী শিক্ষাবিদ তথা বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ এনে আকস্মিক বিয়োগত শিক্ষানুষ্ঠানখনৰ লগতে সমগ্ৰ ধিং আৰু বটদ্ৰৱা অঞ্চলত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে।

শৰাই, গামোচা আৰু ১০ লাখ টকাৰে সন্মান প্ৰদৰ্শন

স্বৰ্ণকন্যা লাভলীনাক দুলীয়াজানত অইলৰ সম্বৰ্ধনা

অসম বাৰ্তা, দুলীয়াজান, ২৪ অক্টোবৰ ঃ জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত ২০২৬ চনৰ এছিয়ান গেমছত মহিলাৰ ৭৫ কিলোগ্ৰাম বক্সিং শাখাত সোণৰ পদক অৰ্জন কৰি অসম তথা দেশৰ নাম উজলোৱা লাভলীনা বৰগোঁহাইক আজি অইল ইণ্ডিয়া লিমিটেডৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। দুলীয়াজানৰ অইলৰ ক্ষেত্ৰ মুখ্য কাৰ্যালয়ৰ অন্তৰ্গত ক্লাব প্ৰেক্ষাগৃহত আয়োজিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অইল কৰ্তৃপক্ষই তাৰকা খেলুৱৈগৰাকীক এখন শৰাই, এখন ফুলাম গামোচা আৰু নগদ ১০ লাখ টকাৰ আৰ্থিক অনুদান প্ৰদান কৰি সন্মান জনায়। আজি বিয়লি দুলীয়াজান ক্লাবৰ হুঁচৰি দলেৰে খেলুৱৈগৰাকীক প্ৰেক্ষাগৃহলৈ আদৰি অনাৰ লগে লগে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। অইলৰ আৱাসিক মুখ্য বিষয়া সঞ্জয় বাৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত অইলৰ সঞ্চালক ক্ৰমে ত্ৰৈলোক্য বৰগোঁহাই (অপাৰেশ্যন) আৰু অভিজিৎ মজুমদাৰ (বিত্ত) অংশগ্ৰহণ কৰি ভাষণ আগবঢ়ায়। এই সম্বৰ্ধনা সভাত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্যসভাৰ সাংসদ তেৰাশ গোৱালা, নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ আৰু নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোঁহাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি লাভলীনাক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত দুলীয়াজান ক্লাব মিউজিক একাডেমীৰ পৰিচালনাত দলীয় নৃত্য আৰু ডিব্ৰুগড়ৰ 'দ্য আইকনি" বেণ্ডৰ দ্বাৰা বাদ্যযন্ত্ৰৰ ফিউজন সংগীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। ইয়াৰ উপৰিও, এই বিশেষ দিনটোৰ স্মৃতি স্বৰূপে লাভলীনা বৰগোঁহাইয়ে দুলীয়াজান ক্লাব প্ৰাংগণত এটি গছপুলিও ৰোপণ কৰে। শেষত খেলুৱৈ গৰাকীয়ে নিজৰ অনুভৱ ব্যক্ত কৰি উপস্থিত ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে আৰু অইলৰ মুখ্য মহা প্ৰবন্ধক দিগন্ত কুমাৰ বৰাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি মাৰে।

কথমপি ৰক্ষা পৰিল হোটেলসহ কাষৰীয়া প্ৰতিষ্ঠান

দেৰগাঁও চাৰিআলিৰ ৰাজেশ হোটেলত অগ্নিকাণ্ড

অসম বাৰ্তা, দেৰগাঁও, ২৪ অক্টোবৰ ঃ গোলাঘাট জিলাৰ দেৰগাঁও চাৰিআলিৰ কেন্দ্ৰস্থলত অৱস্থিত ৰাজেশ হোটেলত আজি গেছৰ জুইক কেন্দ্ৰ কৰি এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে, সৌভাগ্যক্ৰমে কোনো ধৰণৰ ক্ষয়-ক্ষতি নোহোৱাকৈ ৰক্ষা পৰে হোটেলখনৰ লগতে কাষৰীয়া ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ। প্ৰাপ্ত তথ্য অনুসৰি, হোটেলখনত জেলেপী প্ৰস্তুত কৰাৰ বাবে যাৱতীয় প্ৰস্তুতি চলি থকাৰ সময়তে এই ঘটনা সংঘটিত হয়। জুইশলা কাঠিৰে গেছ ষ্টোভ জ্বলাবলৈ লওঁতেই জুইৰ চিটিকনি চিলিণ্ডাৰৰ বাৰ্নাৰৰ ওচৰত লাগি হঠাৎ জুইৰ সূত্ৰপাত ঘটে। ঘটনাটোৱে হোটেলখনৰ লগতে দেৰগাঁও চাৰিআলিত উপস্থিত লোকসকলৰ মাজত আতংকৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে, জেলেপী প্ৰস্তুত কৰাৰ পূৰ্বে প্ৰয়োজনীয় সামগ্ৰীসমূহ পৰিষ্কাৰ কৰি লোৱা হৈছিল। আনহাতে, হোটেলখনৰ গেছ চিলিণ্ডাৰ আৰু গেছ ষ্টোভৰ সামগ্ৰীসমূহ হোটেলখনৰ বাহিৰৰ ফুটপাথত ৰখা হৈছিল। ফলত জুই হোটেলখনৰ ভিতৰলৈ বিয়পি পৰিব নোৱাৰিলে। একেদৰে কাষৰীয়া দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহলৈও জুই বিয়পি নোযোৱাত এক বৃহৎ অঘটনৰ পৰা ৰক্ষা পৰে অঞ্চলটো। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হয়। দেৰগাঁৱৰ ব্যস্ততম চাৰিআলিৰ মাজমজিয়াত সংঘটিত এই ঘটনাই কিছু সময়ৰ বাবে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। অৱশ্যে, এই ঘটনাত হোটেলখনৰ কোনো সামগ্ৰীৰ ক্ষতি হোৱা নাই বুলি জানিব পৰা গৈছে। ব্যস্ত ব্যৱসায়িক এলেকাত সংঘটিত এই ঘটনাই গেছ চিলিণ্ডাৰ আৰু ষ্টোভ ব্যৱহাৰৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰাৰ প্ৰয়োজনীয়তাক পুনৰবাৰ স্পষ্ট কৰি তুলিছে।

বিহুবৰ আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযানত সাফল্য

নম্বৰ প্লেটবিহীন বাইকসহ ১০ গ্ৰাম ড্ৰাগছ আৰু নগদ ৭৭ হাজাৰ টকা উদ্ধাৰ

অসম বাৰ্তা, গেলেকী, ২৫ অক্টোবৰ ঃ ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত থকা কঠোৰ অভিযানৰ মাজতে শিৱসাগৰ জিলাৰ বিহুবৰ আৰক্ষীয়ে এক বিশেষ সফলত লাভ কৰিছে। আৰক্ষীৰ নাকা তালাচীৰ সময়ত এখন নম্বৰ প্লেটবিহীন 'ডিউক ২৫০' (KTM Duke 250) বাইকৰ পৰা ১০ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ আৰু নগদ ৭৭, ০০০ হাজাৰ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, আৰক্ষীয়ে চলোৱা অভিযানত বাইকখনত লুকাই থোৱা অৱস্থাত দুটা কণ্টেইনাৰত ভৰ্তি এই সন্দেহযুক্ত ড্ৰাগছখিনি জব্দ কৰা হয়। প্ৰাথমিক তদন্তত পোহৰলৈ অহা মতে, শিৱসাগৰৰ দিব্যজ্যোতি দাস আৰু মানস প্ৰতীম গগৈ নামৰ দুজন ব্যক্তিৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি নাগালেণ্ডৰ দিশৰ পৰা ড্ৰাগছ সৰবৰাহ চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বনাঞ্চল বা আন্তঃৰাজ্যিক সীমান্তৰ কাষৰীয়া অঞ্চলটোত নম্বৰ প্লেটবিহীন বাইক ব্যৱহাৰ কৰি চলি অহা এই অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ এই সফল অভিযানে অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৰ্তমান ঘটনা সন্দৰ্ভত বিহুবৰ আৰক্ষীয়ে অধিক তথ্য প্ৰকাশৰ বাবে আৰু সৰবৰাহ চক্ৰটোৰ মূলমূল অভিযুক্তক আটক কৰিবলৈ তীব্ৰ তদন্ত অব্যাহত ৰাখিছে।

স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান স্মৃতিগ্ৰন্থ উপ-সমিতিৰ

নামখলা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন

অসম বাৰ্তা, খৈৰাবাৰী, ২৪ অক্টোবৰ ঃ দৰং জিলা ছিপাঝাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত নামখলাত ১৯৭৬ চনৰ ১ মাৰ্চত স্থাপিত নামখলা প্ৰাথমিক বিদ্যালয়ৰ অহা ২০২৭ বৰ্ষৰ জানুৱাৰী মাহত অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী উদ্‌যাপন উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ বাবে সম্পানা সমিতিৰ তৰফৰ পৰা লেখা আহ্বান কৰা হৈছে। স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি প্ৰসন্ন চহৰীয়া আৰু সম্পাদক অজয় বৰুৱাই লেখা আহ্বান কৰি কাকতলৈ প্ৰেৰণ কৰা প্ৰেছ বিবৃতিত উল্লেখ কৰা অনুসৰি ২০২৭ বৰ্ষৰ জানুৱাৰী মাহত হবলগীয়া নামখলা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনত প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থত গৰিমামণ্ডিত শিক্ষানুষ্ঠান খনৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ বিভিন্ন দিশ সামৰি লৈ প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেয়ে স্মৃতিগ্ৰন্থখন সমৃদ্ধিশালী আৰু তথ্যসমৃদ্ধ কৰি তোলাৰ উদ্দেশ্যে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰতিষ্ঠা কালৰ ব্যক্তি, স্থানীয় ৰাইজ লগতে আগ্ৰহী ব্যক্তিৰ পৰা প্ৰাসংগিক বিষয়ৰ লেখা, শিক্ষা, সমাজ, সংস্কৃতি, ক্ৰীড়াৰ লগতে বিদ্যালয়ৰ সোঁৱৰণী, অঞ্চলটোৰ আৰ্থ-সামাজিক দিশৰ উপৰিও ইতিহাসৰ লেখাসমূহ প্ৰকাশ কৰিব পাৰিব। ইচ্ছুক ব্যক্তি সকলে চলিত বৰ্ষৰ ২০ নৱেম্বৰ ২০২৬ৰ ভিতৰত পোৱাকৈ লেখাসমূহ স্পষ্ট আখৰেৰে হাতে লিখি নতুবা PMD (DTP) ফাইল কৰি 9707730427/ 9854750668 Whatsaap No আৰু ajoysid28@gmail.com এই ই-মেইলত পঠাবলৈ আহ্বান জনোৱা হৈছে।

ৰাজ্যৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত কংগ্ৰেছে

আৰু যোগাযোগ বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই এই সিদ্ধান্ত সদৰি কৰে। সংবাদমেলত বেদব্ৰত বৰাই কয় যে ভাৰতীয় নিৰ্বাচন আয়োগৰ কৰ্মকাণ্ড লৈ বৰ্তমান দেশৰ ভিতৰতেই নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো গুৰুত্বপূৰ্ণ আলোচনা আৰু তৰ্ক চলি আছে। এই প্ৰসংগত অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰিপুণ বৰা, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা আৰু বিধায়ক একে ৰছিদ আলম উপস্থিত থাকে। বৈঠকত আয়োগৰ সংশোধন প্ৰক্ৰিয়া সম্পৰ্কে দলটোক অৱগত কৰা হয় বুলি তেওঁ উল্লেখ কৰে। প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই প্ৰ ফেব্ৰুৱাৰীত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশৰ আঠ মাহৰ ভিতৰতে নিৰ্বাচন আয়োগে পুনৰ এছআইআৰ কৰাৰ সিদ্ধান্তক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে ভাৰতীয় ৰাজনীতিত এনে পদক্ষেপ বিৰল। ইয়াৰ ফলত নাগৰিক, যুৱক-যুৱতী আৰু ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচন আয়োগৰ ওপৰত আস্থা হ্ৰাস পাইছে। তেওঁ মন্তব্য কৰে, "সাধাৰণতে এনেধৰণৰ সংশোধন চাৰি, পাঁচ বা দহ বছৰৰ মূৰত হয়; কিন্তু নাগৰিক, যুৱ প্ৰজন্ম আৰু ৰাজনৈতিক দলসমূহে আয়োগৰ ওপৰত আস্থা হেৰুওৱা তথা উচ্চতম ন্যায়ালয়লৈকে গৈ থকা ধাৰাবাহিক আন্দোলনৰ বাবে আয়োগে এই পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।" কলিতাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষ্যৰ উদ্ধৃতি দি কয় যে ভাৰতৰত্নৰ বাবে যোগ্য বুলি অভিযোগ উত্থাপিত জ্ঞানেশ কুমাৰে পুনৰ এছআইআৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বাধ্য হৈছিল। তেওঁ লগতে কয় যে নৱেম্বৰৰ ভিতৰত সংশোধিত তালিকা চূড়ান্ত কৰি প্ৰকাশ কৰাটোৱেই আয়োগৰ লক্ষ্য। তেওঁ সকলো যোগ্য নাগৰিক, বিশেষকৈ ১৮ বছৰ সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীক প্ৰ-পত্ৰ ছ পূৰণ কৰি পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়। চক্ৰ বিষয়াৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ দায়িত্ব কেন্দ্ৰীভূত কৰাৰ কাৰ্যক তেওঁ সমালোচনা কৰি কয় যে ইয়াৰ ফলত সাধাৰণ নাগৰিক আৰু গাঁওবুঢ়াসকলে অসুবিধাৰ সন্মুখীন হৈছে। তেওঁ নিৰ্বাচন আয়োগৰ প্ৰচাৰ অভিযানকো সমালোচনা কৰে। জনসচেতনতা সৃষ্টিৰ বাবে প্ৰতিটো সমষ্টিত কমেও ১০খনকৈ হৰ্ডিং স্থাপনৰ দাবী উত্থাপন কৰা হৈছিল যদিও আয়োগে বাজেটৰ নাটনিৰ অজুহাতত প্ৰচাৰ কেৱল সংবাদমেল আৰু সামাজিক মাধ্যমত সীমিত ৰখাৰ সিদ্ধান্ত লৈছে বুলি তেওঁ কয়। তেওঁৰ মতে, এনে হৰ্ডিং স্থাপন হ'লে ৰাজ্যত প্ৰায় ১২, ০০০ হৰ্ডিং হ'লহেঁতেন। সংবাদমেলত প্ৰাক্তন বিধায়কগৰাকীয়ে সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যু আৰু ইয়াৰ তদন্ত সম্পৰ্কতো চৰকাৰৰ বিৰুদ্ধে প্ৰশ্ন তোলে। শেহতীয়াকৈ দুজন অভিযুক্তক জামিন প্ৰদান কৰা কাৰ্যক তেওঁ পৰিকল্পিত ষড়যন্ত্ৰ বুলি অভিহিত কৰে। তেওঁ স্মৰণ কৰে যে মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ মজিয়াত ঘোষণা কৰিছিল যে এজন ব্যক্তিয়ে হত্যাকাণ্ড সংঘটিত কৰিছিল আৰু আন চাৰিজনে তেওঁক সহায় কৰিছিল। ইপিনে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক শচপ্ৰশাসনম্ৰ বিপুল গগৈয়ে দলটোৰ সাংগঠনিক কৌশল ব্যাখ্যা কৰি কয় যে সমগ্ৰ দেশৰ লগতে অসমৰ, প্ৰুখন জিলা আৰু ৩০১টা ব্লকত "ভোট বাচাও, দেশ বাচাও" অভিযান অব্যাহত আছে। এই অভিযান পৰ্যবেক্ষণৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে অসমত ৭জন জ্যেষ্ঠ পৰ্যবেক্ষক নিয়োগ কৰিছে। জনসচেতনতা সংগঠিত কৰিবলৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ১০২জন পৰ্যবেক্ষক নিযুক্তি দিছে। তেওঁ কয় যে অসমৰ ৬৬৯টা পৌৰসভাৰ ৱাৰ্ড আৰু ৩১, ৪৮৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰতিটোতে কংগ্ৰেছে 'ভোটৰক্ষক' নিযুক্তি দিব। এই নেতাসকলে ভোটাৰৰ নামভৰ্তিৰ ওপৰত নজৰ ৰাখিব। প্ৰৱঞ্চনামূলক পৰিৱৰ্তনৰ পৰা ৰক্ষা কৰা আৰু নিৰ্বাচনী অখণ্ডতা ৰক্ষাৰ বাবে তেওঁলোকে বুথ, মণ্ডল আৰু ব্লক সভাপতিৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিব বুলিও বিপুল গগৈয়ে উল্লেখ কৰে।

বদৰপুৰত বিহু দলৰ ওপৰত বৰ্বৰ আক্ৰমণক

প্ৰকাশ কৰি কয়, "অসমত অসমীয়াৰ বাবে অন্য কোনো ঠাই আছে নেকি? অসমৰ মাটিতে অসমীয়া গীত-মাত পৰিৱেশন কৰাৰ বাবে শিল্পীক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰিবলৈ দুৰ্বৃত্তই সাহস পালে কেনেকৈ?" তেওঁ ঘটনাটোক কোনো কাৰণতে সমৰ্থন কৰিব নোৱাৰি বুলি উল্লেখ কৰি দোষীৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়। লগতে কোনোবা আশীৰ্বাদ বা পৃষ্ঠপোষকতাৰ বলত দুৰ্বৃত্তসকলে এনে কাণ্ড সংঘটিত কৰিবলৈ সাহস পালে, সেই সম্পৰ্কেও প্ৰশ্ন উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তাৎক্ষণিক হস্তক্ষেপ কামনা কৰে। উল্লেখ্য যে ২৩ অক্টোবৰৰ নিশা শ্ৰীভূমি জিলাৰ বদৰপুৰৰ বিসৰ্জন ঘাটত স্থানীয় 'হিন্দুস্তান ক্লাৱ'ৰ উদ্যোগত আয়োজিত এক সাংস্কৃতিক অনুষ্ঠানত বিহু পৰিৱেশন কৰিবলৈ গৈ 'বৰগুল-আদৰকোনা বিহু দল' আক্ৰমণৰ সন্মুখীন হয়। অভিযোগ অনুসৰি, অসমীয়া গীত পৰিৱেশনক কেন্দ্ৰ কৰি একাংশ লোকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ পাছতে বাঁহ আৰু লাঠিৰে বিহু দলটোৰ সদস্যসকলক নিৰ্মমভাৱে প্ৰহাৰ কৰে। আক্ৰমণকাৰীয়ে শিল্পীসকলক মাৰপিট কৰাৰ লগতে বিহুৰ বাদ্যযন্ত্ৰসমূহো ভাঙি তহিলং কৰে। এই ঘটনাক তীব্ৰ গৰিহণা দি আছু সভাপতি উৎপল শৰ্মাই কয়, "যি বৰ্বৰ কাণ্ড সংঘটিত হৈছে, সেই কাণ্ড অসমৰ্থনীয় আৰু ক্ষমাৰ অযোগ্য। আমি ছাত্ৰ সন্থাই ঘটনাটোৰ বিষয়ে জানিব পৰাৰ লগে লগে বিহু দলটোৰ সদস্যসকলৰ সৈতে যোগাযোগ কৰিছোঁ। ছাত্ৰ সন্থাৰ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ বিষয়ববীয়াসকলেও সেই সন্মানীয় শিল্পীসকলৰ সৈতে যোগাযোগ কৰিছে আৰু তেওঁলোকৰ খবৰ লৈ আছে।" তেওঁ লগতে কয়, "বিহুগীত পৰিৱেশন কৰাৰ বাবে শিল্পী দলটোক প্ৰহাৰ কৰা হৈছে। অসমৰ স্বাভিমানৰ প্ৰতীক মৰমৰ ঢোল ভাঙি টুকুৰা-টুকুৰ কৰি পেলোৱা হৈছে। আনকি বিহু দলটোৰ সৈতে থকা যুৱতীসকলো ৰক্ষা পৰা নাই; তেওঁলোককো অপদস্থ কৰা হৈছে। কোনোমতেহে আৰক্ষীৰ সহায়ত শিল্পীসকলে প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছে।" আৰক্ষীৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰি আছুৰ সভাপতিগৰাকীয়ে কয়, "ইয়াৰ পাছত যি অভিযোগ উত্থাপন হৈছে, সেয়া অতি গুৰুতৰ। আৰক্ষীয়ে দোষীক কৰায়ত্ত কৰাৰ পাছতো নিশাৰ ভিতৰতে এৰি দিয়া বুলি অভিযোগ উঠিছে। এয়া কেনেকৈ সম্ভৱ হ'ব পাৰে? কোনোবা ডাঙৰ মানুহৰ আশীৰ্বাদপুষ্ট নহ'লে আৰক্ষীয়ে ধৰাৰ পাছত এনেদৰে ওলাই যাব পাৰে নেকি?" এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কঠোৰ হস্তক্ষেপ দাবী কৰি উৎপল শৰ্মাই কয়, "আমি মুখ্যমন্ত্ৰীগৰাকীৰ তাৎক্ষণিক হস্তক্ষেপ আৰু কঠোৰ পদক্ষেপ কামনা কৰিছোঁ। ব্যৱস্থাটো এনে দৃষ্টান্তমূলক হ'ব লাগিব, যাতে ভৱিষ্যতে কোনেও এনেধৰণৰ ঘটনা সংঘটিত কৰিবলৈ সাহস নকৰে। অসমত সকলো জাতি-জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকে মিলাপ্ৰীতিৰে বসবাস কৰি আহিছে। এনে ঘটনাই আমাৰ সমাজৰ সমন্বয় বিনষ্ট কৰিব নালাগে। সেয়েহে দোষীক কঠোৰ শাস্তি প্ৰদান কৰি এক দৃষ্টান্ত স্থাপন কৰিবলৈ আমি মুখ্যমন্ত্ৰীক আহ্বান জনাইছোঁ।" অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানে জনোৱা অনুসৰি, ঘটনা সন্দৰ্ভত ইতিমধ্যে গোচৰ ৰুজু কৰি ১৩জন লোকক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱা হৈছে। ঘটনাৰ সৈতে জড়িত আন ব্যক্তিসকলক চিনাক্ত কৰাৰ বাবে তদন্ত অব্যাহত আছে। অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে জড়িত এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে এতিয়া দোষীৰ বিৰুদ্ধে চৰকাৰ তথা প্ৰশাসনে কেনেধৰণৰ দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰে, সেয়া লক্ষণীয় হৈ পৰিছে।

পুনৰ ১,০০০ কোটি টকাৰ ঋণ ল'ব ৰাজ্য

টকা। এই হিচাপত ২৭ অক্টোবৰৰ ঋণসহ চলিত বৰ্ষত লোৱা ঋণৰ মুঠ পৰিমাণ ১১,৮৫০ কোটি টকা হ'ব। ছেপ্টেম্বৰ মাহত ৰাজ্য চৰকাৰে সৰ্বাধিক ৩, ১০০ কোটি টকাৰ ঋণ লৈছিল। বিত্ত বিভাগৰ জাননী অনুসৰি ২৭ অক্টোবৰৰ ঋণৰ জৰিয়তে ৰাজ্যৰ ঋণ লোৱাৰ ধাৰা আৰু অধিক সম্প্ৰসাৰিত হ'ব। ইফালে ৰাজ্যৰ মুঠ ঋণৰ বোজা ইতিমধ্যে উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। তথ্য অনুসৰি বৰ্তমান ৰাজ্যবাসীৰ ওপৰত থকা মুঠ ঋণৰ বোজা ২ লাখ ১৪ হেজাৰ কোটি টকাত উপনীত হৈছে। জনমূৰি ঋণৰ পৰিমাণ প্ৰায় ৪২,৫০০ টকালৈ বৃদ্ধি পাইছে। ঐতিহাসিক তথ্য অনুসৰি ২০১৬ চনৰ মাৰ্চলৈকে ৰাজ্যৰ সমুদায় ঋণৰ পৰিমাণ আছিল প্ৰায়৪১,৯৬৪ কোটি টকা। ইয়াৰ পিছত সৰ্বানন্দ সোণোৱাল চৰকাৰৰ সময়ত এই পৰিমাণ ৮৯,৭০৯ কোটি টকালৈ বৃদ্ধি পায়। ২০২১ চনত হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছৰ পৰা ঋণ লোৱাৰ প্ৰক্ৰিয়া অধিক গতি লাভ কৰে আৰু ২০২৫ চনৰ মাৰ্চলৈকে ৰাজ্যৰ ঋণৰ বোজা ১,৭৭,৯৮৩ কোটি টকা হয়। বৰ্তমান এই পৰিমাণে দুই লাখ কোটি টকা অতিক্ৰম কৰিছে। ৰাজ্য চৰকাৰে বহুকেইটা কল্যাণমুখী আঁচনি ৰূপায়ণ কৰিবলৈ ঋণৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা বুলি উল্লেখ কৰা হৈছে। লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাপ্য ধনসমূহ সময়মতে নোপোৱাৰ অভিযোগো ৰাজ্য চৰকাৰে কৰি আহিছে। আনহাতে 'কেগ'ৰ প্ৰতিবেদন আৰু বিভিন্ন অৰ্থনৈতিক বিশ্লেষণে ৰাজ্যৰ ঋণৰ বৃদ্ধিক লৈ উদ্বেগ প্ৰকাশ কৰিছে। সৰ্বোপৰি, চলিত বৰ্ষত মাহে মাহে হাজাৰ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ ফলত ৰাজ্যৰ ধাৰৰ বোজা ক্ৰমাৎ বৃদ্ধি পাইছে। ২৭ অক্টোবৰৰ নতুন ঋণৰ জৰিয়তে এই বোজা আৰু অধিক বৃদ্ধি হ'ব বুলি বিত্তীয় মহলত আশংকা প্ৰকাশ পাইছে।

ভাৰতীয় নিৰ্বাচন আয়োগে ECINET

বাবে আয়োগে যি ছফ্টৱেৰৰ ব্যৱহাৰ কৰিছে, সেই ছফ্টৱেৰৰ নাম আৰু সংস্কৰণ প্ৰকাশ কৰিবলৈ আয়োগে অস্বীকৃতি জনাইছে। তথ্যৰ অধিকাৰ (আৰটিআই) আইনৰ অধীনত দিয়া সঁহাৰিত "বাণিজ্যিক আস্থা, বাণিজ্যিক গোপনীয়তা আৰু বৌদ্ধিক সম্পত্তি"ৰ দৰে যুক্তি দেখুৱাই তথ্য প্ৰদান কৰাৰ পৰা বিৰত থকা হৈছে বুলি ৰমেশে উল্লেখ কৰে। তেওঁ কয় যে এখন আগশাৰীৰ ৰাষ্ট্ৰীয় দৈনিক কাকতে প্ৰকাশ কৰা তথ্য অনুসৰি, আৰটিআই আবেদনৰ উত্তৰত নিৰ্বাচন আয়োগে এছআইআৰত ব্যৱহৃত ছফ্টৱেৰৰ নাম উল্লেখ কৰিবলৈ অস্বীকৃতি জনাইছে। ইয়াৰ লগতে এআই ব্যৱহাৰ কৰা হৈছে নেকি আৰু কি কি সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেই সম্পৰ্কেও আয়োগে স্পষ্ট কৰিবলৈ অমান্তি হৈছে। ৰমেশে মন্তব্য কৰে যে ECINET ছফ্টৱেৰৰ বিষয়ে স্বচ্ছতাৰ অভাৱ আৰু এআইৰ ব্যৱহাৰে নাগৰিকসকলৰ মাজত সমগ্ৰ প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্যতা ক্ষতিগ্ৰস্ত কৰিছে। কংগ্ৰেছ নেতাগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰি কয় যে টাটা কনচালটেন্সি চাৰ্ভিছেছ (TCS)য়ে ECINET ছফ্টৱেৰ উন্নয়ন কৰাৰ কথা জনসাধাৰণে জানিব পাৰিছিল যদিও নিৰ্বাচন আয়োগে এই তথ্য স্বচ্ছভাৱে প্ৰকাশ কৰা নাই। একেদৰে এছআইআৰ আৰু নিৰ্বাচনী তালিকা পুনৰীক্ষণত এআই ব্যৱহাৰ কৰা হৈছে বুলি স্পষ্ট হোৱাৰ পিছতো আয়োগে বাৰে বাৰে ইয়াৰ ব্যৱহাৰ অস্বীকাৰ কৰি অহা বুলি তেওঁ অভিযোগ কৰে। ৰমেশে আঙুলিয়াই দিয়ে যে ECINET ছফ্টৱেৰ আৰু নিৰ্বাচন আয়োগৰ আইটি বিভাগৰ ওপৰত নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সন্ধু আৰু বিবেক যোশীয়ে কেইবাটাও আপত্তি উত্থাপন কৰিছিল। এই আপত্তিসমূহ প্ৰধানমন্ত্ৰীৰ অধীনস্থ কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগ (DoPT)লৈকেও গৈছিল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে জনসাধাৰণে ইতিমধ্যে ব্যাপক হেতালি খেলা হোৱাৰ বিষয়ে জানে; সেয়ে জ্ঞানেশ কুমাৰক অপসাৰণ কৰি এছআইআৰ তৎক্ষণাত নিলম্বন কৰা উচিত।

জুবিন গাৰ্গৰ ন্যায় আন্দোলনত গৰিমা শইকীয়া

প্ৰতিবাদক সমুখৰ পৰা নেতৃত্ব দিয়াৰ সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত সভাত চাৰিটাকৈ মূল প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত বিধায়ক অখিল গগৈ, জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল ফুকন, আইনজীৱী নেকিবুৰ জামান, সমাজসেৱিকা সুমিত্ৰা হাজৰিকা, বিশিষ্ট শিক্ষাবিদ ড° ঘনশ্যাম নাথ, জ্যেষ্ঠ শিল্পী লোহিত গগৈ আৰু বহুসংখ্যক দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে। সভাৰ অন্তত সংবাদমেল সম্বোধন কৰি বিধায়ক অখিল গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰাপ্তিৰ স্বাৰ্থত ৰাজ্যবাসীক ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়। তেওঁ কয়, "এই সংগ্ৰামখন অধিক শক্তিশালী কৰি তুলিবলৈ সকলো পক্ষই একত্ৰিতভাৱে আগবাঢ়ি অহাটো অত্যন্ত প্ৰয়োজন। সংগ্ৰামখনৰ সঠিক দিশ নিৰ্ণয়ৰ বাবে গৰিমা শইকীয়া গাৰ্গক নেতৃত্ব দিবলৈ দিয়া আৰু ৰাইজে তেওঁক সহযোগ কৰিব লাগিব।" সভাত গৃহীত চাৰিটা প্ৰস্তাৱৰ প্ৰথমটোত এখন এনে সমিতি গঠনৰ কথা উল্লেখ কৰা হয়, য'ত কোনো ৰাজনৈতিক আদৰ্শ জড়িত থাকিব নালাগে। দ্বিতীয় প্ৰস্তাৱ অনুসৰি আন্দোলনৰ সম্পূৰ্ণ নেতৃত্ব জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হাতত দিব লাগে আৰু তেওঁৰ লগতে ৰাইজৰ সহযোগ থাকিব লাগে। তৃতীয় প্ৰস্তাৱত গৰিমা শইকীয়া গাৰ্গ আৰু প্ৰতিবাদীসকলৰ মাজত সু-সম্পৰ্ক স্থাপনৰ বাবে মধ্যস্থতাকাৰী হিচাপে ৰাহুল গৌতম শৰ্মাক দায়িত্ব অৰ্পণ কৰাৰ কথা কোৱা হয়। চতুৰ্থ প্ৰস্তাৱত গৰিমা শইকীয়া গাৰ্গৰ নেতৃত্বত এক প্ৰতিবাদ আৰম্ভ কৰাৰ কথা উল্লেখ কৰা হয়, য'ত সকলো দল-সংগঠনক নিমন্ত্ৰণ দি একত্ৰিতভাৱে সংগ্ৰাম কৰিব পৰা যায়। বিধায়ক অখিল গগৈয়ে লগতে কয়, "যদি গৰিমা বৌৱে প্ৰতিবাদটো সমুখৰ পৰা নেতৃত্ব নিদিয়ে, তেন্তে আমি পৰাস্ত হ'ম। তেওঁ সমুখৰ পৰা প্ৰতিবাদৰ নেতৃত্ব দিলে আমি জিকিম। এতিয়া বৌৱে কৌশলী স্থিতি গ্ৰহণ কৰিলে নহ'ব।"

জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত প্ৰতিবাদী

পোৱা পৰামৰ্শৰ আধাৰত এই সিদ্ধান্ত লোৱা হৈছে বুলি গৰিমা শইকীয়া গাৰ্গে সদৰি কৰিছে। তেওঁ স্পষ্ট কৰিছে যে পৰিয়ালে প্ৰতিটো শান্তিপূৰ্ণ, অহিংস আৰু গণতান্ত্ৰিক কাৰ্যসূচীক সম্পূৰ্ণ সমৰ্থন কৰি আছে। ন্যায়ৰ দাবীত এনে কাৰ্যসূচী নিৰন্তৰভাৱে চলি থকাটোও তেওঁ কামনা কৰিছে। কিন্তু বিচাৰ প্ৰক্ৰিয়া চলি থকা সময়ছোৱাত পৰিয়ালে প্ৰত্যক্ষভাৱে ৰাজহুৱা প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ নকৰাটোৱেই আইনী দৃষ্টিকোণৰ পৰা বাঞ্ছনীয় বুলি তেওঁ মন্তব্য কৰিছে। উল্লেখ্য, দেওবাৰে সোণাপুৰৰ জুবিন ক্ষেত্ৰত 'জুবিন গাৰ্গ ন্যায় দাবী সমিতি'ৰ আহ্বানত অনুষ্ঠিত হ'বলগীয়া আলোচনা সভালৈ বিধায়ক অখিল গগৈয়ে গৰিমা শইকীয়া গাৰ্গক উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনাইছিল। ইয়াৰ পূৰ্বে শনিবাৰে জুবিন ফেন ক্লাবৰ আহ্বানত গুৱাহাটীৰ চচলত অনুষ্ঠিত হ'বলগীয়া শান্তিপূৰ্ণ প্ৰতিবাদ কাৰ্যসূচীলৈ গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমযোগে সমৰ্থন জনাই সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। কিন্তু দেওবাৰে পুনৰ এটা ফেচবুক পোষ্টত তেওঁ এই সিদ্ধান্ত সদৰি কৰে। গৰিমা শইকীয়া গাৰ্গে লিখিছে যে জুবিন গাৰ্গৰ ন্যায়প্ৰাপ্তিৰ বাবে আয়োজন কৰা প্ৰতিটো শান্তিপূৰ্ণ আৰু অহিংস গণতান্ত্ৰিক কাৰ্যসূচীলৈ পৰিয়ালৰ সমৰ্থন আছে। মহামান্য আদালতত বিচাৰাধীন গোচৰটোত পৰিয়াল পক্ষ হোৱাৰ বাবে ৰাজহুৱা প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থকাটো উচিত নহ'ব বুলি অভিজ্ঞ অধিবক্তাসকলে পৰামৰ্শ দিছে। সেই পৰিপ্ৰেক্ষিতত ২৫ অক্টোবৰৰ ন্যায়ৰ দাবীত অনুষ্ঠিত হ'বলগীয়া সভাখনলৈও পৰিয়ালৰ সম্পূৰ্ণ সমৰ্থন থাকিলেও তেওঁলোকে তাত প্ৰত্যক্ষভাৱে উপস্থিত নাথাকিব। তেওঁ আৰু লিখিছে যে ন্যায়পালিকা আৰু ভাৰতীয় ন্যায় ব্যৱস্থাৰ ওপৰত পৰিয়ালৰ সম্পূৰ্ণ আস্থা আছে। গোচৰৰ গতিবিধি আৰু পৰৱৰ্তী পদক্ষেপ সম্পৰ্কে চৰকাৰে নিৰ্ধাৰিত সময়ৰ অন্তৰে অন্তৰে ব্যাখ্যা প্ৰদান কৰিব বুলি পৰিয়াল আৰু ৰাইজে আশা কৰিছে। লগতে তেওঁ সকলোকে জুবিন গাৰ্গক মৰম দিবলৈ অনুৰোধ জনাইছে। ইফালে, অখিল গগৈয়ে সামাজিক মাধ্যমত জনাইছিল যে জুবিন গাৰ্গৰ আদৰ্শৰ সৈতে একমত হৈ তেওঁ ন্যায়ৰ দাবীত স্বাৰ্থবিহীনভাৱে ওলাই আহিছে আৰু কোনো ৰাজনৈতিক উদ্দেশ্য নাই। তেওঁ সকলোকে একগোট কৰি জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অব্যাহত থাকিব বুলি মন্তব্য কৰিছিল। শনিবাৰে গৰিমা শইকীয়া গাৰ্গে কৰা ফেচবুক পোষ্ট, অখিল গগৈয়ে কৰা পোষ্ট আৰু দেওবাৰে গৰিমা শইকীয়া গাৰ্গে কৰা শেহতীয়া পোষ্টৰ পাছত অনুৰাগীসকলৰ মাজত কিছু বিভ্ৰান্তিৰ সৃষ্টি হোৱাৰ দৰে হৈছে। ৩০ অক্টোবৰত জুবিন ফেন ক্লাবে আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীত গৰিমা শইকীয়া গাৰ্গ উপস্থিত থাকিব নে নাই, নে কেৱল ২৫ অক্টোবৰৰ আলোচনা সভাত তেওঁ উপস্থিত নাথাকিব, সেই লৈ এতিয়া প্ৰশ্ন উত্থাপিত হৈছে।

মাজুলীৰ প্ৰায় ৬৫খন মঞ্চত ৰাসলীলাৰ

অৰ্ধশতাধিক মঞ্চত পৰম্পৰাগত ভাৱে পৰৱৰ্তী পূৰ্ণিমা তিথিত অনুষ্ঠিত হ'ব লগা শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা 'নাট মেলা পৰ্ব' মাংগলীক বিধি অনুসৰি অনুষ্ঠিত কৰা হৈছে। শাৰদীয় মুখ্য উৎসৱ হিচাপে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদযাপনৰ বাবে আজিৰ পৰা অনাগত এমাহৰ বাবে সমগ্ৰ মাজুলী লুইতৰ পাৰৰ বৃন্দাবনলৈ পৰ্যবসিত হ'ব। গীত-মাতে, খোলে-তালে চলি থাকিব কংস বধৰ আখৰা। শৰতৰ চন্দ্ৰাৱলী ৰাতি হৰ অতি বিতোপন। বাহীঁৰ মাত শুনি ঘৰৰ কাম বন একাষৰীয়া কৰি ঢপলিয়াই আহিব ৰাসৰ আখৰালৈ। দুপৰ নিশালৈকে চলিব ৰাসৰ আখৰা। সেই অনুসৰি সন্মিলিত শিল্পী সমাজ, মাজুলীয়ে এই বৰ্ষটো আগন্তুক ২৩, ২৪ আৰু ২৫ নৱেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা আয়োজন কৰিছে। সেই উপলক্ষে আজি পৰম্পৰা অনুসৰি লক্ষ্মী পূৰ্ণিমাৰ পৱিত্ৰ ক্ষণতে শিল্পী সমাজে কমলাবাৰীৰ হৰিমন্দিৰত পৰৱৰ্তী পূৰ্ণিমা তিথিত অনুষ্ঠিত হ'ব লগা শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা 'নাট মেলা পৰ্ব' আধ্যাত্মিক পৰিৱেশত মাংগলীক বিধি অনুসৰি অনুষ্ঠিত কৰে। ইয়াৰ উপৰিও গড়মূৰ খোনাচুক স্থিত মাধৱদেৱ কৃষ্টি কেন্দ্ৰ, মাজুলী মিলন সংঘ, নামনি মাজুলীৰ গোৱাল গাঁৱৰ তৰুণ নাট্য সংঘ, বালিচাপৰি মিলিত কৃষ্টি সংঘ, খাৰজান পাৰ কৃষ্টি সংঘ, গড়মূৰ সত্ৰৰ বংশী গোপাল নাট্য মন্দিৰ, গড়মূৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘ, পুৰণিবাৰী লোহিত পৰিয়া আঞ্চলিক ৰাস মঞ্চ, চিতাদাৰচুক আঞ্চলিক ৰংগমঞ্চ, উত্তৰ কমলাবাৰী সত্ৰ, ভোগপুৰ সত্ৰ, অভয়পুৰীয়া নৰসিংহ সত্ৰ শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰ, চুমৈমাৰী মিছিং কৃষ্টি সংঘ, কমাৰগাঁও ৰূপালী যুৱক সংঘ, কমাৰগাঁও কৃষ্টি বিকাশ কেন্দ্ৰ, বিহিমপুৰ সত্ৰ, চামগুৰি সত্ৰ, নতুন চামগুৰি সত্ৰ, প্ৰাচীন চামগুৰি সত্ৰ, দক্ষিণপাট সত্ৰ, কাল গাঁও, শালমৰা, বনগাওঁ ৰংঘৰ, গায়নগাঁও, বাঘৰ গাওঁ, ৰতনপুৰ কৃষ্টিসংঘ, মধ্য মাজুলীৰ মাধৱদেৱ কৃষ্টি কেন্দ্ৰ, শেনচোৱা অঞ্চলিক ৰাসমঞ্চ, সোণাৰিআটী নৱজ্যোতি ৰংগমঞ্চ, প্ৰগতি ৰংগমঞ্চ, ফুলনি আঞ্চলিক ৰংগমঞ্চ, চিৰাম আঞ্চলিক ৰংগমঞ্চ, মুদৈবিল আঞ্চলিক কৃষ্টি সংঘ, জেংৰাইমুখ ৰংগমঞ্চ, নতুন বজাৰ আঞ্চলিক ৰংগমঞ্চ আদি প্ৰায় ৬৫টা স্থানৰ ৰাস সমিতিয়ে নিজৰ নিজৰ নাট্য মন্দিৰত পালন কৰে নাট মেলা পৰ্ব। আজিৰ পৰা প্ৰায় ১০৫ বছৰৰ পূৰ্বে স্বাধীনতা সংগ্ৰামী সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে মুকলি মঞ্চ নিৰ্মাণ কৰি মহিলাই অভিনয় কৰিব পৰা ব্যৱস্থা কৰিছিল আৰু উক্ত আদৰ্শ আগত ৰাখি অৰ্ধশতাধিক মঞ্চই ৰাস উদযাপন কৰে। ইফালে আজিৰে পৰাই ব্যস্ততা বাঢ়িব ৰাসৰ লগত জড়িত প্ৰতিগৰাকী শিল্পীৰ পৰা মুখা শিল্পীলৈ, আয়োজকৰ পৰা ৰাসমেলাৰ খুচুৰা ব্যৱসায়ীলৈ। ব্যস্ততাৰ শেষত অহা ২৩, ২৪ আৰু ২৫ নৱেম্বৰত অনুষ্ঠিত হ'ব ৰাসোৎসৱ। যাৰ বাবে ২৬ শতাধিক শিল্পী কলা কুশলীৰ লগতে পৰোক্ষ পত্যক্ষভাৱে মাজুলীৰ ৰাইজ ব্যস্ত হ'ব ৰাসত। নতুন কমলাবাৰী সত্ৰয়ো দুদিনীয়া কাৰ্যসূচীৰে এইবাৰ ৰাসোৎসৱ উদযাপন কৰিব বুলি জানিব পৰা গৈছে। ঐতিহাসিক আউনীআটী, দক্ষিণপাট, চামগুৰি সত্ৰই ৰাস পূজা কৰাৰ লগতে উত্তৰ কমলাবাৰী সত্ৰই শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপালৰ আধাৰত ৰাস উদ্যাপন কৰিব। তাৰ সমান্তৰালকৈ ৰচ-ৰছ নৱেম্বৰলৈকে শ্ৰী শ্ৰী আউনীআটী সত্ৰৰ ঐতিহাসিক পালনাম। উদূলি-মুদূলি মাজুলী আনন্দ উৎসৱেৰে লোকাৰণ্য হৈ পৰিব। শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা নাট মেলা পৰ্ব আৰু লক্ষ্মী পূজাৰ আজিৰ দিনটো মাজুলীৰ বাবে এটা বিশেষ দিন।

শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ ১৮৭ সংখ্যক "ৰাস পূজা" নাটক মেলা সম্পন্ন ঃ

৩৭৩ বছৰীয়া ইতিহাসে গৰকা শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰত আজি দিন ধৰি উদযাপিত হৈ অহা "ৰাসোৎসৱ" নদীদ্বীপ মাজুলীৰ অন্যতম এক আধ্যাত্মিক উৎসৱ। ১৮৪০ খ্ৰীষ্টাব্দ, ১৭৬২ শকৰ পৰা আৰম্ভ হোৱা ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰৰ ৰাসোৎসৱৰ পূজা বিধিৰ এক উৎসৱ। সম্প্ৰতি সত্ৰখনিৰ উক্ত উৎসৱটিয়ে ঐতিহাসিক ১৮৬টিকৈ বছৰ অতিক্ৰম কৰি আগন্তুক ৰাস পুৰ্নিমা তিথি অৰ্থাৎ ২৩ নৱেম্বৰত ১৮৭ বছৰত পদাৰ্পণ কৰিব। সত্ৰখনৰ দশম গৰাকী ধৰ্মাধিকাৰ প্ৰয়াত বাসুদেৱ গোস্বামীয়ে স্বপ্নাৱিষ্ট হৈ প্ৰণয়ন কৰা ৰাস বিধি অনুসৰি প্ৰতিবছৰে তিনিদিনীয়াকৈ উক্ত কাৰ্যসূচী মহাপয়োভৰে উদযাপন কৰি আহিছে। বিধি মতে প্ৰতিবছৰে পৱিত্ৰ শ্ৰীশ্ৰী লক্ষ্মী পুৰ্নিমা তিথিত "ৰাস নাটক মেলা" পৰ্ব অনুষ্ঠিত হয়। সেই অনুসৰি আজি ২৫ অক্টোবৰ দিনা সত্ৰখনৰ নিত্য নৈমিত্তিক কৰ্মাদিৰ অন্ততঃ বিয়লি সত্ৰাধিকাৰৰ চ'ৰাত ১৮৭ সংখ্যক ৰাস পূজা উৎসৱৰ ৰাস নাটক মেলা পৰ্ব হযোৰ্লাসৰ মাজত সম্পন্ন হয়। জিলাখনৰ চৌদিশে সিঁচৰতিঁ হৈ থকা বহু সংখ্যক ৰাস মঞ্চত ৰাস নাটক মেলা পৰ্ব আনন্দ উল্লাসৰে সম্পন্ন হৈছে। আজি বিয়লিৰ পৰা নাটক মেলা পৰ্ব আৰম্ভ হোৱাৰ লগে-লগে জিলাখন দ্বিতীয় গকুল-বৃন্দাবনলৈ পৰ্যবসিত হ'ল। ১৮৪০ খ্ৰীষ্টাব্দ, ১৭৬২ শকৰ পৰা নিৰৱিচ্ছন্নভাৱে তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা দক্ষিণ পাট সত্ৰৰ ৰাসোৎসৱটিৰ ২৩ নৱেম্বৰ (৬ আঘোণ)প্ৰথম দিনা অধিবাস, ২৪ নৱেম্বৰ উৎসৱৰ মুখ্য ও প্ৰধান দিন। পুৱাৰ নিত্য নৈমিত্তিক কৰ্মাদিৰ উপৰি ৰাস পুৰ্নিমা তিথিৰ লগত সংগতি ৰাখি দিনৰ ভাগত ভালে কেইটি মাংগলিক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশালৈ "ৰাস নাটক" অভিনয় আৰু ২৫ নৱেম্বৰ তৃতীয় অন্তিম দিৱস ইন্দ্ৰাভিষেকৰে সামৰণি পৰিব ৰাসোৎৱৰ। মাজুলীবাসীৰ অতি আদৰৰ দুই আধ্যাত্মিক উৎসৱক আদৰণি জনাবলৈ ইতিমধ্যে সাজু সত্ৰনগৰী।

শ্ৰীভূমিত বিহু দলক আক্ৰমণকাৰীৰ বিৰুদ্ধে

হৈছে। এই দুৰ্ভাগ্যজনক ঘটনাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰি লিখিছে, "শ্ৰীভূমিত বিহু দলৰ ওপৰত হোৱা আক্ৰমণৰ খবৰ অত্যন্ত উদ্বেগজনক আৰু দুৰ্ভাগ্যজনক। বিহু হৈছে আমাৰ গৌৰৱ, অসমৰ আত্মা আৰু আমাৰ পৰিচয়। আমাৰ সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি কৰা কোনো অপমান আমি কেতিয়াও সহ্য নকৰোঁ। মই @DGPAssamPolice-ক দোষীসকলৰ বিৰুদ্ধে তৎকালীন ব্যৱস্থা গ্ৰহণ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছোঁ।" উল্লেখ্য যে শ্ৰীভূমিৰ 'হিন্দুস্তান ক্লাব'ৰ উদ্যোগত আয়োজিত পূজাৰ প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰাত এটা বিহু দলে অংশগ্ৰহণ কৰিছিল। অনুষ্ঠান চলি থকাৰ সময়ত কিছুমান লোকে বিহু দলটোৰ ওপৰত আক্ৰমণ চলায়। এই আক্ৰমণৰ ফলত কেইবাজনো বিহুৱা শিল্পী গুৰুতৰভাৱে আহত হয়।

ভোট চুৰিৰ অভিযোগত ১ নৱেম্বৰত

কৰিছে। এই সমাৰেশৰ প্ৰচাৰৰ বাবে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে বিজেপি আৰু ইয়াৰ মিত্ৰদলসমূহক ধন্যবাদ জ্ঞাপন কৰিছে। ৰাহুল গান্ধীয়ে ইতিমধ্যে ৰ নৱেম্বৰৰ সমাৰেশৰ ঘোষণা কৰি বিভিন্ন দল আৰু জনসাধাৰণক অংশগ্ৰহণৰ আহ্বান জনাইছে। সামাজিক মাধ্যম এক্সত দিয়া এক পোষ্টত তেওঁ কৈছে যে দেশত ভোট চুৰি হৈ আছে আৰু ইয়াক কোনো অৱস্থাত নীৰৱে সহ্য কৰা নহ'ব। ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা হৈছে, নীতি-নিয়ম উলংঘন কৰা হৈছে আৰু প্ৰশ্ন উত্থাপন কৰা লোকসকলৰ ওপৰত লাঠিচালনা কৰা হৈছে। এতিয়া এই বিষয়ত দেশে উত্তৰ দিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ ৰ নৱেম্বৰৰ 'চলো দিল্লী-ভোট বচাও, দেশ বচাও' জনমাৰ্চ আৰু মহাৰেলিৰ কথা উল্লেখ কৰি কয় যে ছাত্ৰ-ছাত্ৰী, কৃষক, শ্ৰমিক, মহিলা, যুৱক-যুৱতী আৰু ব্যৱসায়ীসহ গণতন্ত্ৰৰ প্ৰতি চিন্তিত সকলোৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা উচিত। তেওঁৰ ভাষাত, "ভোট আপোনাৰ, লড়াইও আপোনাৰ।" সমাৰেশস্থল হিচাপে ৰামলীলা ময়দান, নতুন দিল্লী উল্লেখ কৰা হৈছে। ৰাহুল গান্ধীয়ে নিজৰ পোষ্টত পোষ্টস্ক্ৰিপ্ট হিচাপে লিখিছে, "বিজেপি আৰু তেওঁলোকৰ সহযোগীসকলক আন্তৰিক ধন্যবাদ, যিসকলে এই কাৰ্যসূচীৰ এনে উৎসাহেৰে প্ৰচাৰ কৰি অধিক সংখ্যক লোকৰ মাজলৈ লৈ গৈছে। অহা সাত দিনতো এই একে উদ্যম আৰু নিষ্ঠা বজাই ৰাখক।" এই মন্তব্যৰ জৰিয়তে তেওঁ সমাৰেশৰ প্ৰচাৰত বিজেপি আৰু মিত্ৰদলসমূহে আগবঢ়োৱা সহযোগিতাক কটাক্ষ কৰিছে। ইফালে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেও ভোট চুৰিৰ অভিযোগত প্ৰস্তাৱিত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে ৩০ অক্টোবৰৰ পৰা ৰ নৱেম্বৰলৈ দলৰ সকলো সাংসদক দিল্লীত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে। এই ঘোষণাৰ পিছত ৰ নৱেম্বৰৰ সমাৰেশক লৈ ৰাজনৈতিক মহলত উৎকণ্ঠা বৃদ্ধি পাইছে। উল্লেখ্য, এছআইআৰ আৰু নিৰ্বাচন আয়োগৰ ভূমিকা লৈ বিৰোধী দলসমূহে একাধিকবাৰ প্ৰশ্ন উত্থাপন কৰি আহিছে। শেহতীয়া প্ৰতিবাদী কাৰ্যসূচীত বিজেপি আৰু ইয়াৰ মিত্ৰদলসমূহক ধন্যবাদ জনোৱাৰ ৰাহুল গান্ধীৰ এই মন্তব্যে ৰ নৱেম্বৰৰ সমাৰেশৰ প্ৰতি ৰাজনৈতিক বিতৰ্কক আৰু অধিক তীব্ৰ কৰি তুলিছে।

'মন কী বাত' মোৰ বাবে তীৰ্থযাত্ৰাৰ সমান ঃ

অনুষ্ঠানটোৰে নিৰৱচ্ছিন্নভাৱে যাত্ৰা অব্যাহত ৰাখিছে। তেওঁ কয়, "১২ বছৰ পূৰ্বে বিজয়া দশমীৰ পৱিত্ৰ উপলক্ষত আমি 'মন কী বাত' আৰম্ভ কৰিছিলোঁ। তেতিয়াৰ পৰা আমাৰ এই যাত্ৰা নিৰৱচ্ছিন্নভাৱে অব্যাহত আছে। আপোনালোক সকলোৱে এই যাত্ৰাত সহযাত্ৰী হোৱাৰ লগতে পথপ্ৰদৰ্শকৰ ভূমিকাও পালন কৰিছে।" তেওঁ উল্লেখ কৰে যে এই অনুষ্ঠানৰ জৰিয়তে দেশৰ সাধাৰণ লোকসকলৰ কঠোৰ পৰিশ্ৰম, সাহস, দায়বদ্ধতা, নিষ্ঠা আৰু সেৱাৰ মনোভাৱক সন্মুখলৈ অনাৰ এক সুন্দৰ সুযোগ লাভ কৰিছে। মোদীয়ে কয়, "আমাৰ দেশৰ সাধাৰণ মানুহৰ কঠোৰ পৰিশ্ৰম, সাহস, দায়বদ্ধতা, নিষ্ঠা আৰু সেৱাৰ মনোভাৱ উদযাপন কৰাৰ বাবে 'মন কী বাত' মোৰ বাবে এক সুন্দৰ সুযোগ হৈ আহিছে।" ভাৰতৰ শতিকাজুৰি চলি অহা তীৰ্থযাত্ৰাৰ পৰম্পৰাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে 'মন কী বাত'ৰ জৰিয়তে তেওঁ দেশবাসীৰ প্ৰচেষ্টাক ওচৰৰ পৰা বুজি পোৱাৰ লগতে তেওঁলোকৰ অৱদানৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ সুযোগ লাভ কৰিছে। তেওঁ কয়, "আমাৰ দেশত শতিকাজুৰি তীৰ্থযাত্ৰাৰ পৰম্পৰা চলি আহিছে। মোৰ বাবে 'মন কী বাত' কোনো তীৰ্থযাত্ৰাতকৈ কম নহয়। এয়া দেশৰ মানুহৰ প্ৰচেষ্টাক ওচৰৰ পৰা বুজি পোৱা আৰু তেওঁলোকৰ অৱদানৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ এক যাত্ৰা।" অনুষ্ঠানটোৰ এই খণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে পঞ্জাৱ আৰু উত্তৰাখণ্ডত স্থানীয় লোকসকলৰ উদ্যোগত গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ কথাও উল্লেখ কৰে। পঞ্জাৱৰ প্ৰসংগত তেওঁ পৰম্পৰাগত কৃষি পদ্ধতি পুনৰুজ্জীৱিত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এক পদক্ষেপৰ কথা কয় আৰু ইয়াক অনুপ্ৰেৰণাদায়ক প্ৰচেষ্টা বুলি অভিহিত কৰে। ইফালে উত্তৰাখণ্ডত হেৱাল নদী পুনৰুজ্জীৱিত কৰা আৰু প্ৰাকৃতিক জল উৎসসমূহ পুনৰুদ্ধাৰৰ বাবে স্থানীয় লোকসকলে গ্ৰহণ কৰা সামূহিক উদ্যোগৰ বিষয়েও তেওঁ আলোকপাত কৰে। এই পদক্ষেপসমূহৰ জৰিয়তে পৰম্পৰাগত পদ্ধতি সংৰক্ষণ, প্ৰাকৃতিক সম্পদৰ সুৰক্ষা আৰু সমাজৰ সামূহিক প্ৰচেষ্টাৰ গুৰুত্বক 'মন কী বাত'ৰ মজিয়াত বিশেষভাৱে

বাৰাণসীত প্ৰধানমন্ত্ৰী মোদীৰ নতুন পোছাক

ইয়াৰ উপৰি তেওঁ নমো ঘাটত ভাৰতীয় বায়ুসেনাৰ ৯৪সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত 'উইংছ অভাৰ গংগেছ' (Wings over Ganges) শীৰ্ষক এয়াৰ ডিছপ্লে-২০২৬ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক কেন্দ্ৰ কৰি বাৰাণসীত ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰা হৈছিল। আৰক্ষী লাইনছৰ পৰা কালচাৰেল কমপ্লেক্স আৰু চৌকাঘাট হৈ নমো ঘাটলৈকে ৰোড শ্ব'ৰ পৰিকল্পনা কৰা হৈছিল। চহৰখনৰ বিভিন্ন স্থানত প্ৰধানমন্ত্ৰীক আদৰণি জনোৱাৰ বাবেও বিশেষ ব্যৱস্থা কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰাণসীত অৰবিন্দ লিমিটেডৰ নতুন পোছাক নিৰ্মাণ কাৰখানাটো উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত তেওঁ মহিলা কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰে। অনুষ্ঠানটোত প্ৰধানমন্ত্ৰীৰ সৈতে উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দীবেন পেটেল আৰু মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ উপস্থিত থাকে। চৰকাৰী বিবৃতি অনুসৰি, আধুনিক উৎপাদন পদ্ধতিৰ আধাৰত নিৰ্মাণ কৰা এই কাৰখানাটোৱে নিয়োগৰ নতুন সুযোগ সৃষ্টি কৰিব। বিশেষকৈ মহিলাসকলৰ কৰ্মসংস্থাপনৰ ক্ষেত্ৰত এই উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। একে সময়তে কাৰখানাটোৱে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নতো সহায় কৰিব বুলি আশা কৰা হৈছে। বিবৃতিত লগতে উল্লেখ কৰা হৈছে যে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ গ্ৰাহকসকলৰ বাবেও এই কাৰখানাত পোছাক নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত বাৰাণসীত উৎপাদিত পোছাক বিশ্বৰ বিভিন্ন বজাৰত উপলভ্য হোৱাৰ সুযোগ সৃষ্টি হ'ব। মহিলাৰ নেতৃত্বত পৰিচালিত এই উদ্যোগে মহিলা সবলীকৰণ আৰু নাৰী-নেতৃত্বাধীন উন্নয়নৰ ওপৰত চৰকাৰৰ গুৰুত্বকো প্ৰতিফলিত কৰিছে। লগতে ঔদ্যোগিক বিনিয়োগ আৰু উৎপাদন খণ্ডত উত্তৰ প্ৰদেশৰ ক্ৰমবৰ্ধমান ভূমিকাৰো প্ৰতিফলন ঘটাইছে এই প্ৰকল্পই। ইপিনে, বাৰাণসীৰ নমো ঘাটত ভাৰতীয় বায়ুসেনাৰ ৯৪সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে 'উইংছ অভাৰ গংগেছ' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সংবাদ সংস্থা এএনআইৰ তথ্য অনুসৰি, দেওবাৰৰ অনুষ্ঠানৰ পূৰ্বে বাৰাণসীৰ আকাশত বায়ুসেনাৰ সূৰ্য কিৰণ এৰ'বেটিক দলে অনুশীলন চলায়। প্ৰদৰ্শনীত সূৰ্য কিৰণ দলৰ লগতে ছাৰং হেলিকপ্টাৰ ডিছপ্লে দলেও অংশগ্ৰহণ কৰাৰ কথা। এই এয়াৰ শ্ব'ত তেজছ, এলচিএইচ প্ৰচণ্ড, আইএল-৭৬, আইএল-৭৮, চি-২৯৫ আৰু এএন-৩২ৰ দৰে বিমান দেখা পোৱাৰ কথা। ইয়াৰ উপৰি ছুখয়-৩০ এমকেআই আৰু ৰাফেলৰ দৰে যুদ্ধবিমানেও প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিব পাৰে। এএনআইৰ তথ্য অনুসৰি, ভাৰতীয় নৌসেনা আৰু স্থলসেনাৰ বিমানেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা। ইয়াৰ জৰিয়তে তিনিওটা প্ৰতিৰক্ষা বাহিনীৰ মাজৰ সমন্বয়ৰ ছবিও তুলি ধৰা হ'ব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক কেন্দ্ৰ কৰি বাৰাণসীৰ বিভিন্ন স্থানত আদৰণি জনোৱাৰ পৰিকল্পনা কৰা হৈছিল। এএনআইৰ তথ্য অনুসৰি, কাশীৰ জেনেৰেচন জেড-ৰ সদস্যসকলে গোলাপৰ পাহি ছটিয়াই প্ৰধানমন্ত্ৰীক আদৰণি জনোৱাৰ উদ্যোগ গ্ৰহণ কৰে। শনিবাৰে বিজেপিৰ মহানগৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক জগদীশ পেটেল উপস্থিত থাকে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাশীৰ সাংসদ হোৱাৰ বাবে ইয়াৰ বাসিন্দাসকলৰ বাবে এয়া গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰীক আদৰণি জনাবলৈ সকলোকে আগবাঢ়ি আহিবলৈও তেওঁ আহ্বান জনায়। আনহাতে, কাশী অঞ্চলৰ দায়িত্বত থকা ৰমেশ সিঙে জানিবলৈ দিয়ে যে চহৰখন সজাই তোলাৰ লগতে বিভিন্ন বুথ আৰু বিভাগীয় পৰ্যায়ৰ বিষয়ববীয়াসকলক আদৰণি অনুষ্ঠানৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

২৯ অক্টোবৰত ৰাজ্যজুৰি আছুৰ মমশিখা

ধাৰাবাহিক শুনানি চলি আছে। এনে পৰিস্থিতিত গোচৰটোৰ দুগৰাকী অভিযুক্ত-অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গে জামিন লাভ কৰিছে। অভিযুক্তসকলৰ জামিন লাভৰ ফলত শিল্পীগৰাকীৰ ন্যায়ক লৈ ৰাজ্যবাসী তথা অনুৰাগীসকলৰ মাজত শংকা আৰু ক্ষোভ বৃদ্ধি পাইছে। ইয়াৰ প্ৰতিক্ৰিয়া হিচাপে বিভিন্ন সংগঠনে প্ৰতিবাদ আৰম্ভ কৰিছে। এইবাৰ ৰাজ্যৰ আটাইতকৈ বৃহৎ ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাই (আছু) জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত ৰাজপথত নামিব। আছুৱে অহা ২৯ অক্টোবৰত ৰাজ্যজুৰি মমশিখা সমদলৰ আয়োজন কৰিব। ৰাজ্যৰ প্ৰতিখন জিলা সদৰত শান্তিপূৰ্ণ, অহিংস আৰু গণতান্ত্ৰিক প্ৰতিবাদ অনুষ্ঠিত কৰাৰ ঘোষণা সংগঠনটোৱে কৰিছে। এই প্ৰতিবাদ সম্পৰ্কত আছুৰ সভাপতি উৎপল শৰ্মাই চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰি কয়, "জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুক স্বয়ং মুখ্যমন্ত্ৰীয়ে 'হত্যা' বুলি অভিহিত কৰিছিল। কিন্তু আজিলৈকে দোষীয়ে উপযুক্ত শাস্তি পোৱা নাই। বৰঞ্চ ইজনৰ পিছত সিজন অভিযুক্তই জামিন লাভ কৰিবলৈ ধৰিছে। ইয়াৰ ফলত সমগ্ৰ অসমৰ ৰাইজ এতিয়া শংকিত হৈ পৰিছে।" সভাপতিগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে জুবিন গাৰ্গ আঁতৰি যোৱাৰ দিনৰ পৰাই অসমৰ ৰাইজে ন্যায়ৰ দাবী জনাই আহিছে। গোচৰটো ফাষ্টট্ৰেক আদালতত বিচাৰাধীন হৈ থকাৰ বাবে ৰাজপথৰ প্ৰতিবাদ কিছু স্তিমিত হৈছিল যদিও মানুহৰ অন্তৰত ন্যায়ৰ বাবে জ্বলি থকা ক্ষোভ নিৰ্বাপিত হোৱা নাছিল। তেওঁ কয়, "বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজৰ মনৰ সেই ক্ষোভৰ বৰ্হিপ্ৰকাশ ঘটিবলৈ আৰম্ভ কৰিছে আৰু মানুহ পুনৰ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছে। আন্দোলনে আকৌ উকমুকনি দিছে।" জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত তদন্ত কৰা এছআইটিৰ প্ৰতিবেদনৰ প্ৰসংগ উত্থাপন কৰি আছুৰ সভাপতিগৰাকীয়ে কয়, "এছআইটিৰ প্ৰতিবেদনৰ আধাৰতেই মুখ্যমন্ত্ৰীয়ে ইয়াক হত্যাকাণ্ড বুলি কৈছিল। প্ৰতিবেদন অনুসৰি এজন মূল হত্যাকাৰী আছিল আৰু বাকী কেইজনে ইয়াত সহযোগ কৰিছিল। এতিয়া চৰকাৰৰ দায়িত্ব হ'ল এই সকলোবোৰ তথ্য-প্ৰমাণ সঠিকভাৱে আদালতত দাখিল কৰা, যাতে দোষীয়ে কঠোৰতম শাস্তি পায়।" চৰকাৰে এই ক্ষেত্ৰত কোনো ধৰণৰ গা এৰা দিয়া মনোভাৱ নলয়, তাৰ বাবে ছাত্ৰ সন্থাই চৰকাৰৰ ওপৰত তীব্ৰ হেঁচা সৃষ্টি কৰিব বুলিও তেওঁ সকীয়াই দিয়ে। তেওঁ কয় যে প্ৰাণৰ শিল্পীগৰাকীৰ ন্যায়ৰ দাবীক অধিক ক্ষিপ্ৰ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত অহা ২৯ অক্টোবৰত অসমৰ প্ৰতিখন জিলাৰ সদৰ স্থানত এক বৃহৎ মমশিখা সমদল উলিওৱা হ'ব। এই প্ৰতিবাদ সম্পূৰ্ণ শান্তিপূৰ্ণ, অহিংস আৰু গণতান্ত্ৰিক হ'ব বুলি তেওঁ ঘোষণা কৰে। তেওঁ লগতে কয় যে ইয়াৰ পিছতো যদি চৰকাৰে ন্যায় প্ৰক্ৰিয়াত অৱহেলা কৰে, তেন্তে অসমৰ ৰাইজে তাক কোনো কাৰণতে সহ্য নকৰিব।

১০ বছৰৰ হিচাপ-নিকাচক লৈ তীব্ৰ বহস্য; উচ্চ পর্যায়ৰ তদন্তৰ দাবী স্থানীয় ৰাইজৰ

গহপুৰৰ মিছামাৰী গাঁও পঞ্চায়তত কৰ সংগ্ৰহৰ ধন আত্মসাতৰ অভিযোগ

অসম বার্তা, গহপুৰ, ২৫ অক্টোবৰ ঃ গহপুৰ সমজিলাৰ ছয়দুবাৰ উন্নয়ন খণ্ডৰ অন্তর্গত মিছামাৰী গাঁও পঞ্চায়তত স্থানীয় কৰ সংগ্ৰহৰ ধন আত্মসাতৰ অভিযোগক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পঞ্চায়ত কার্যালয়টোত কৰ সংগ্ৰাহক হিচাপে নিয়োজিত তুলশী শর্মাৰ বিৰুদ্ধে যোৱা প্ৰায় ১০ বছৰত সংগ্ৰহ কৰা স্থানীয় কৰৰ লাখ লাখ টকাৰ হিচাপ-পত্ৰৰ কোনো স্পষ্ট তথ্য উপলব্ধ নহয়। আনকি কৰ সংগ্ৰহৰ বহি-পত্ৰ অক্তিকৈ চলিও প্ৰশ্ন উত্থাপন হৈছে। এই দীর্ঘ সময়ছোৱাত স্থানীয় বাইজৰ পৰা কিমান পৰিমাণৰ কৰ সংগ্ৰহ কৰা হৈছিল, সংগৃহীত ধন চকবাগী কার্যালয়ত সংলগ্ন কৰি ৰখা হৈছে বুলি জানিব পৰা গৈছে। অৱশ্যে, কেৱল দায়িত্বৰ পৰা অঁতৰাই ৰখাটোৱেই যথেষ্ট নহয় বুলি মত প্ৰকাশ কৰি স্থানীয় বাইজে সমগ্ৰ বিষয়টোৰ নিৰপেক্ষ তদন্ত আৰু প্ৰকৃত সত্য উদ্ঘাটনৰ দাবী জনাইছে। দহ বছৰৰ কৰ সংগ্ৰহৰ হিচাপ ক'ত? এই প্ৰশ্নই এতিয়া মিছামাৰী অঞ্চলত বিশেষ চর্চা লাভ কৰিছে। সংগৃহীত ধনৰ পৰিমাণ, চকবাগী কোষাগাৰত জমা হোৱা ধন আৰু সংশ্লিষ্ট নথি-পত্ৰৰ বিসংগতিৰ বিষয়ে স্পষ্ট তথ্য পোহৰলৈ নাহিলে বাইজৰ মাজত সৃষ্টি হোৱা সন্দেহ দূৰ কৰাটো কঠিন হ'ব'। সেয়েহে মিছামাৰী গাঁও পঞ্চায়তৰ বিগত ১০ বছৰৰ কৰ সংগ্ৰহৰ নথি-পত্ৰ, বহিদ বহী, নগদ বহী, বেংক জমাৰ তথ্য আৰু সংশ্লিষ্ট বিভীয় হিচাপ পৰীক্ষা কৰি এক উচ্চ পর্যায়ৰ নিৰপেক্ষ তদন্ত চলোৱাৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে। এই সন্দর্ভত গহপুৰ সমজিলা আয়ুক্ত আৰু বিশ্বনাথ জিলাৰ জিলা আয়ুক্তৰ হস্তক্ষেপ কামনা কৰিছে তেওঁলোকে। জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা কৰৰ প্ৰতিটো টকাৰ হিচাপ দিয়াৰ দায়িত্ব সংশ্লিষ্ট কর্তৃপক্ষৰ। অভিযোগৰ সত্যতা নিৰূপণ কৰি দোষী সাব্যস্ত হোৱা ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চকবাগী ৰাজহৰ ধনৰ হিচাপ ৰাইজৰ সম্মুখত স্পষ্ট কৰাৰ দাবী এতিয়া সর্বত্ৰে উত্থাপিত হৈছে। উল্লেখযোগ্য যে তুলশী শর্মাৰ পৃষ্ঠপোষকতাত সংঘটিত হোৱা উক্ত কৰ সংগ্ৰহৰ কলেংকাৰীৰ ওপৰত এক উচ্চ পর্যায়ৰ তদন্ত হ'লে কৰ সংগ্ৰাহক গৰাকী যে জালত পৰিব সেই কথা নিশ্চিত।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৭ সংখ্যক অধিৱেশন; নাজিৰাত জাগৰণ সভা

এই অধিৱেশন সংঘৰ ইতিহাস সমৃদ্ধ আৰু মাইলৰ সুঁতি উপনীত হ'ব ঃ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া

অসম বার্তা, নামতি, ২৫ অক্টোবৰ ঃ জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধর্মীয় ৰীতি-নীতি, সাহিত্য-সংস্কৃতি, আধ্যাত্মিক দর্শনেৰে সংপৃক্ত অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আগশ্ৰুক ৯৭ সংখ্যক মূলক অধিৱেশন নাজিৰা জিলা শাখাৰ আতিথ্যত অনুষ্ঠিত হ'ব। ২০২৮ বর্ষৰ ফেব্ৰুৱাৰী মাহত নাজিৰাত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনৰ বাবে ইতিমধ্যে প্ৰাৰম্ভিক কার্যক্ৰমসমূহ আৰম্ভ হৈছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এই অধিৱেশন ভাগি সর্বত্ৰে প্ৰকাৰে সফল কৰি তোলাৰ লক্ষ্যৰে আজি নাজিৰা নগৰৰ মাজমজিয়াত অবস্থিত এম চি ক্লাৱৰ পাকিজা প্ৰেক্ষাগৃহত "জাগৰণ সভা" নামকৰণেৰে এখনি সভা অনুষ্ঠিত কৰা হয়। সংঘৰ নাজিৰা জিলা শাখাৰ সভাপতি ধ্ৰুবজ্যোতি খনিকৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ সূত্ৰ ধৰি পৰিকল্পনা আৰু প্ৰস্তুতিৰ বিষয়ে আলোকপাত কৰে জিলা শাখাৰ সম্পাদক কমল বৰগোহাঁয়ে। শিল্পী আধাকনা বৰবাৰ বৰগীতেৰে শুভাৰম্ভ কৰা সভাখনি উদ্বোধন কৰে সংঘৰ মূলৰ সদস্য যতীন লাহনে। সভাত আশগ্ৰহৰ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই ভাষণ প্ৰসংগত নাজিৰা জিলা শাখাৰ আতিথ্যত অনুষ্ঠিত হ'ব লগীয়া আগন্তুক ২০২৮ বর্ষৰ ৯৭ সংখ্যক বার্ষিক অধিৱেশন ভাগি সংঘৰ ইতিহাস সমৃদ্ধতাৰে মাইলৰ সুঁতিত উপনীত হ'ব। যিহেতু এই অধিৱেশনতেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শতবার্ষিকী কার্যক্ৰমিকাৰ দিক নির্ণয় কৰিব আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ শতবর্ষীয় অনুষ্ঠান আৰম্ভণিৰ পৰা পৰিসমাপ্তি লৈকে কার্যপন্থা গ্ৰহণ কৰা হ'ব। সেয়ে এই অধিৱেশন ভাগি সর্বতো সমৃদ্ধতাৰে সফলতাৰ বাবে আজিৰ পৰাই নাজিৰা বাসীৰ লগতে সমীৰ শিৰসাগৰ, ছবাইডেউ আৰু যোৰহাট জিলা শাখাৰ প্ৰতি গৃহস্থৰ লগতে জনগণৰ মাজত ভক্তিময় পৰিবেশ গঢ়ি তুলিব লাগিব। আজিৰ পৰাই কোনেওঁ যাতে আশান্তি - কষ্টকৰ জীবন ভোগ কৰিব লগা নহয় তাৰ ওপৰত গুৰুত্ব দি গুৰুজনাৰ কৃষ্ণ সংস্কৃতিৰ জৰিয়তে প্ৰতিজনকে সংপৃক্ত কৰি তোলাৰ প্ৰয়াস গঢ়িব লাগিব। পৃথিৱীৰ সর্বশ্ৰেষ্ঠ বিকৃষ্ণ সংস্কৃতিৰ জৰিয়তে মানুহৰ আদ্ধাৰৰ পৰা পোহৰলৈ, অসত্যৰ পৰা সত্য পথত নিমজীও হোৱাৰ পথ প্ৰশস্ত কৰে, সেই কৃষ্ণ সংস্কৃতিৰ জৰিয়তে প্ৰতিজনকে আধ্যাত্মিক চেতনা জাগ্ৰত কৰি তুলি লাগিব বুলি প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই মত পোষণ কৰে। সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মানস পুত্ৰ সেবা বাহিনীৰ মুখ্য অধিনায়ক সঞ্জীব বৰা, মূলৰ পৰিষদ্ধান আৰু যোগাযোগ বিভাগৰ যোগল গগৈ, শৰণ সদস্য প্ৰমোদ তামোলী, শিশু আৰু আই মাতৃ কল্যাণ সমিতিৰ কেন্দ্ৰীয় সদস্যা বেখা তামোলী, মূলৰ প্ৰাক্তন যুটীয়া সম্পাদক কুমুদ শইকীয়া, দেৱেন কোঁৱৰ, মহেন্দ্ৰ গগৈ, মোহন বৰুৱা, পোনাৰাম শইকীয়া, বলোৱাম গগৈ, প্ৰদীপ গগৈ, শ্ৰীমন্ত বৰগোহাঁই, নৰজ্যোতি শইকীয়া আদিকে ধৰি ভালেকেই জন সংগীয়ে আগন্তুক ৯৭ সংখ্যক নাজিৰা অধিৱেশন ভাগি সাফল্যমণ্ডিত কৰি তোলাৰ লক্ষ্যবে বক্তব্য দাঙি ধৰে।

মঙলদৈত আর্থিকভাৱে পিছপৰা ৰোগাক্ৰান্ত ৩২৭ গৰাকী লোকক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ

অসম বার্তা, মঙলদৈ, ২৫ অক্টোবৰ ঃ মঙলদৈ বিধানসভা সমষ্টিত আজি এক আর্তজনৰ সহায়ৰ বাবে আয়োজিত অনুষ্ঠানত ৩২৭ গৰাকী আর্থিকভাৱে পিছপৰা আৰু গুৰুতৰ ৰোগত আক্ৰান্তভুক্ত ব্যক্তিলৈ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কৰা হয়। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী শ্ৰীমতী নীলিমা দেৱীয়ে নিজ হাতে এই চেকসমূহ বিতৰণ কৰে। এইবাৰ মুঠ ২৭ লাখ টকাৰ ৩২৭খন চেক বিতৰণ কৰা হয়। চৰকাৰী সাহায্য লাভ কৰি ৰোগাক্ৰান্ত পৰিয়ালসমূহে সকাহ পোৱা বুলি জানিবলৈ দিয়ে। আজি মঙলদৈত অনুষ্ঠিত এই চেক বিতৰণ কার্যসূচীত কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ উপৰিও উপস্থিত থাকে মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৱজ্যোতি দাস, দৰং জিলা বিজেপিৰ সভাপতি মুকন্দ ডেকা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নির্মলী দেবী শর্মা, জোন্ত বিজেপি নেতা গৌৰব কুমাৰ ডেকাবাজা, গীতিমা দাসৰ লগতে বিজেপি দলৰ বহু দলীয় কর্মকর্তা। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বাধীন চৰকাৰে দুখীয়া আৰু আর্ত্তজনৰ কাষত থিয় দিয়াটোৱেই প্ৰধান লক্ষ্য হিচাপে চিলে। কাৰো চিকিৎসাৰ অভাবত যাতে কোনো লোকৰ প্ৰাণ হানি নহয়, তাৰ বাবে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ জৰিয়তে এনেদৰে সহায় আগবঢ়োৱা হৈছে। তেওঁ লগতে বাইজক চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। চেক লাভ কৰা হিতাধিকাৰীসকলে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

আহমেদাবাদত জাহ্নৱী কাশ্যপৰ প্ৰথম দিনা দুটা স্বর্ণ বিজয় আৰু দুটাকৈ ৰাষ্ট্ৰীয় অভিলেখ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ অক্টোবৰ ঃ গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত প্ৰথম ছিনিয়ৰ ৰাষ্ট্ৰীয় চৰ্ট কোৰ্চ সাঁতোৰ চেম্পিয়নশ্বিপত অসমৰ সাঁতোৰবিদ জাহ্নৱী কাশ্যপে প্ৰথম দিনাই দুটাকৈ সোণৰ পদক অর্জন কৰাৰ লগতে দুটাকৈ নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। আহমেদাবাদৰ ৰীৰ সাভাৰকাৰ স্পৰ্টছ কমপ্লেক্সত ২৫ অক্টোবৰৰ পৰা ২৮ অক্টোবৰলৈ অনুষ্ঠিত প্ৰতিযোগিতাখনৰ প্ৰথম দিনা জাহ্নৱীয়ে ২০০ মিটাৰ ফ্ৰীষ্টাইল শাখাত ২.০৩.১২ মিনিট সময়েৰে সোণৰ পদক অর্জন কৰাৰ লগতে নতুন ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰে। একেদৰে ১০০ মিটাৰ বাটাৰফ্লাই শাখাত ১.০২.১৫ মিনিট সময়েৰে দ্বিতীয়টো সোণৰ পদক লাভ কৰি আন এটা ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হয়। জাহ্নৱীৰ এই দুর্দান্ত প্ৰদর্শনে অসমৰ সাঁতোৰ জগতলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। তেওঁৰ এই উল্লেখযোগ্য সাফল্যত অসম সাঁতোৰ সম্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে অভিনন্দন জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় পর্যায়ত জাহ্নৱীৰ এই সাফল্যই অসমৰ সাঁতোৰ খেলৰ ক্ৰমবর্ধমান সম্ভাবনাক পুনৰ প্ৰতিফলিত কৰিছে।

নাৰী নির্যাতনৰ বিৰুদ্ধে ডুমডুমাত বাইকাৰ্ছৰ সজাগতা ৰেলী



অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ অক্টোবৰ ঃ নাৰীৰ সুৰক্ষা আৰু ন্যায় প্ৰতিষ্ঠাৰ আহ্বানেৰে দেওবাৰে ডুমডুমাত 'বাইড এগেইনষ্ট ম'লেষ্টেচন— (আখিৰ গলতি কিস্কি হোঃ ?)' শীর্ষক দেশজোৰা সজাগতামূলক অভিযানৰ অংশ হিচাপে এক বাইক ৰেলী উলিওৱা হয়। অসম আৰু অৰুণাচল প্ৰদেশৰ প্ৰায় ৫০গৰাকী বাইকাৰ্ছে অংশগ্ৰহণ কৰা এই ৰেলীৰ জৰিয়তে নাৰীৰ বিৰুদ্ধে নির্যাতন আৰু ভুক্তভোগীক দোষাৰোপ কৰাৰ প্ৰবণতাৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। ইণ্ডিগেপেণ্ডেণ্ট বাইকার্স প্ৰিগেড আৰু ই'ণ্ডিপেণ্ডেণ্ট বাইডাৰ্ছ গ্ৰুপৰ উদ্যোগত আয়োজিত এই কার্যসূচীৰ আতিথ্য বহন কৰে বাই ড আল কু ইনহ আছাম মটৰচাইকেল ক্লাবে (RAQ Assam MC)। ডুমডুমা পৌৰসভাৰ মৌপথাৰি কান্তা ভট্টাচার্যই ৰেলীটো ফ্লেগ জোকাৰি আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পিছতে ৰূপাই ছাইডিঙৰ লাৰ্লাই হাইস্কুলত এখন সজাগতামূলক সভাও অনুষ্ঠিত হয়। সভাত ছাত্ৰ-ছাত্ৰী আৰু বাইকার্ছসকলক নাৰীৰ বিৰুদ্ধে শ্লীলতাহানি প্ৰতিৰোধৰ বাবে থকা আইন আৰু দোষাৰোপ কৰাৰ প্ৰবণতাৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ আহ্বান জনায়। আয়োজকসকলে কয় যে নাৰীৰ সুৰক্ষা আৰু মর্যাদা ৰক্ষা কৰাটো কেৱল কোনো ব্যক্তি বা সংগঠনৰ দায়িত্বনহয়; ই সমগ্ৰ সমাজৰ সামূহিক দায়িত্ব। আইনৰ প্ৰতি সজাগতা বৃদ্ধি, নির্যাতনৰ বিৰুদ্ধে দৃঢ় স্থিতি গ্ৰহণ আৰু ভুক্তভোগীৰ প্ৰতি সংবেদনশীল মনোভাৱ গঢ়ি তোলাৰ জৰিয়তেহে এখন সুৰক্ষিত সমাজ নির্মাণ সম্ভৱ বুলি তেওঁলোকে মত প্ৰকাশ কৰে।


বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ কঠোৰ নির্দেশনাকো কেৱেপ নকৰি বিহালী অভয়াৰণ্যত অব্যাহত একাংশ অৰুণাচলী দুস্কৃতিকাৰীৰ বন ধ্বংস অভিযান

অব্যাহত আছে বিভিন্ন কৃষি কার্যৰ প্ৰক্ৰিয়া

অসম বার্তা, বিহালী, ২৫ অক্টোবৰ ঃ বিহালী অভয়াৰণ্যত দীর্ঘ দীন ধৰি চলি অহা অৰুণাচলী দুস্কৃতিকাৰীৰ অসমৰ বন ধ্বংস আৰু মাটি বেদখলৰ সন্দর্ভত চৰম অবাজকতাৰ বাবে বিভিন্ন সময়ত গুলীয়াগুলীৰ ঘটনাৰ ধাৰাবাহিক বাতৰি প্ৰকাশৰ পিছত বনমন্ত্ৰী গৰাকীয়ে বিহালী অভয়াৰণ্য সন্দর্ভত এক্সন মুডত গ্ৰহণ কৰিছিল কেবাটাও গুৰুত্বপূর্ণ সিদ্ধান্ত আৰু কঠোৰ নির্দেশনাআহাৰত এই কঠোৰ নির্দেশনাৰ পিছত সাময়িক ভাৱে পৰিৱেশ কিছু শান্ত হৈছিল যদিও অসমৰ মাটিৰ লোভ সামৰিব পৰানাছিল দুস্কৃতিকাৰীয়ে যাৰ ফলস্বৰূপে বনমন্ত্ৰীৰ কঠোৰ নির্দেশনা কো কেৱেপ নকৰি পুনৰ বিহালী অভয়াৰণ্যত নাহৰজনাত অৰুণাচলী দুর্বৃত্তৰ আগ্ৰাসন। অভিযোগ অনুসৰি ৰাতিটোৰ ভিতৰতে ট্ৰেক্টৰে হাল বহি খেতি কৰাৰ লগতে জংঘল কাটি চহিল কৰা হৈছে। আনহাতে এতিয়াও অব্যাহত আছে কেবাহেক্টৰ ভূমিত ৰাবাৰ বাগান, বিঘাই বিঘাই তামোলৰ খেতি, পাম অইলৰ খেতি, সৰিয়হ খেতি কৰি আছে। উল্লেখ্য যে শোণিতপুৰ বন সংৰক্ষণৰ অধীনৰ বিহালীৰ বন বিভাগৰ নাকৰ তলেদী ৰাতি চাৰি ভিতৰতে টেক্টৰেৰে হাল বহি বিঘদ মান নাহৰ জান অঞ্চলত চহাইছে মাটি। সমান্তৰাল ভাৱেই অব্যাহত আছে অৰুণাচলী দুস্কৃতিকাৰীৰ নতুন নতুন ঘৰ সজাৰ প্ৰক্ৰিয়াও উল্লেখ্য যে এই সন্দর্ভত অৰুণাচল লীৰ এই আগ্ৰাসনত বন বিভাগৰ নীৰৱ ভূমিকা গ্ৰহণ কৰা বুলি স্থানীয় বাইজে খোভ প্ৰকাশ কৰিছে।

জংগম গোষ্ঠীৰ সংবাদমেল; সদৌ অসম জংগম একাংক নাট প্ৰতিযোগিতাৰ বিশাল আয়োজন

২৮, ২৯ আৰু ৩০ ডিচেম্বৰত আৰম্ভ হ'ব জংগম একাংক নাট প্ৰতিযোগিতা



অসম বার্তা, ছয়গাঁও, ২৫ অক্টোবৰ ঃ অসমৰ ভিতৰতে উল্লেখযোগ্য অনুষ্ঠান হৈছে সদৌ অসম জংগম একাংক নাট প্ৰতিযোগিতা। বিগত কেইবেলি দৰে এইবেলিও ২০২৬ চনৰ ২৮, ২৯ আৰু ৩০ ডিচেম্বৰত তিনিদিনীয়া বর্ণাঢ্য কার্যসূচীৰে অনুষ্ঠিত হ'ব সদৌ অসম জংগম একাংক নাট প্ৰতিযোগিতা। এই উপলক্ষে আজি জংগমৰ সভাপতি গোলাপ মেধি আৰু সাধাৰণ সম্পাদক ভাবত গোস্বামী সহিতে তেওঁলোকৰ বিষয়বৰীয়া সকলে জংগমৰ কার্যালয়ত আয়োজন কৰে এখন সাংবাদিকসন্মেলন। এইবেলি তেওঁলোকে ২৮ সংখ্যক বৰ্ষত প্ৰদাপ কৰিব। সাংবাদিকসন্মেলন তেওঁলোকে জংগমৰ নিয়মাৱলী তথা পুৰস্কাৰ সম্পর্কে অৱগত কৰে। শ্ৰেষ্ঠ নাট্যদল প্ৰদান কৰা হ'ব ট্ৰফী, মানপত্ৰ আৰু নগদ ৩০, ০০০ টকা। দ্বিতীয় শ্ৰেষ্ঠ নাট্যদলক প্ৰদান কৰা হ'ব ট্ৰফী, মানপত্ৰ আৰু নগদ ১৫, ০০০ টকা। শ্ৰেষ্ঠ অভিনেতা অভিনেত্ৰীক ট্ৰফী, মানপত্ৰ আৰু নগদ ৫, ০০১ টকা। দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা অভিনেত্ৰীক ট্ৰফী, মানপত্ৰ আৰু ৪, ০০১ টকা। তৃতীয় শ্ৰেষ্ঠ অভিনেতা অভিনেত্ৰীক ট্ৰফী, মানপত্ৰ আৰু নগদ ৩০০১ টকা। শ্ৰেষ্ঠ শিশু শিল্পীক ট্ৰফী, মানপত্ৰ আৰু নগদ ৪০০১ টকা। শ্ৰেষ্ঠ কৌতুক অভিনেতাক ট্ৰফী, মানপত্ৰ আৰু নগদ ৪০০১ টকা। শ্ৰেষ্ঠ পাণ্ডুলিপিৰ সন্মান লাভ কৰা দলক ট্ৰফী, মানপত্ৰ আৰু নগদ ৪০০১ টকা। শ্ৰেষ্ঠ মঞ্চসজ্জাক ট্ৰফী, মানপত্ৰ আৰু নগদ ৪০০১ টকা। শ্ৰেষ্ঠ আবহসঙ্গীতৰ বঁটা লাভ কৰা দলক ট্ৰফী, মানপত্ৰ আৰু নগদ ৪০০১ টকা। শ্ৰেষ্ঠ শুংখলাবদ্ধ দলক ট্ৰফী, মানপত্ৰ আৰু নগদ ৪০০১ টকা প্ৰদান কৰা হ'ব বুলি সভাপতি গোলাপ মেধিয়ে জানিবলৈ দিয়ে। ই ছদ্ধ ক প্ৰতিযোগীসকলে দুটাকৈ পাণ্ডুলিপি, নাটকাৰৰ অনুমতি পত্ৰ সহ ৫০১ টকাৰে যোগদান কৰিব পাৰে। অধিক জানিবলৈ যোগাযোগ কৰিব পাৰে ৯৮৫৪৪৪০০৩০ আৰু ৯৮৫৪৪৮৯৬১৭ নম্বৰত।

লাহৰীঘাটত অবৈধ ম'হ সৰবৰাহৰ অভিযোগত গ্ৰেপ্তাৰ ৭

দুখন বাহনসহ জব্দ ছটা ম'হ

অসম বার্তা, ডুৰাগাঁও, লাহৰীঘাট, ২৫ অক্টোবৰ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত অবৈধভাৱে ম'হ সৰবৰাহৰ অভিযোগত আৰক্ষীয়ে ৭ জনকৈ লোকক গ্ৰেপ্তাৰ কৰে। লগতে ম'হ সৰবৰাহ কৰা দুখন বাহনসহ ছটা ম'হ জব্দ কৰে। পাছত আজি লাহৰীঘাট আৰক্ষীয়ে ধৃত ৭ হ'ব সৰবৰাহকাৰী কেইজনক মৰিগাঁও আদালতত হাজিৰ কৰায়। ঘটনাৰ সম্বন্ধত জানিব পৰা মতে, কালি সন্ধিয়া প্ৰায় ৭:২০ বজাত লাহৰীঘাট আৰক্ষী থানাৰ সম্মুখত আৰক্ষীয়ে নাকা তালচী চলাই থকাৰ অবস্থাত টেঙাগুৰিৰ পৰা থিং অভিমুখে গৈ থকা এজষ্ট০১ চি ২৬৪০ আৰু এএছ০১ এনচি ২৯২৮ নম্বৰৰ বলেৰ' পিকআপ বাহন দুখন ৰখাই তালাচী চলায়। পাছত তালাচীৰ সময়ত আৰক্ষীয়ে এখন বাহনত ৫টা আৰু আনখন বাহনত ১টাসহ মুঠ ৬টা ম'হ উদ্ধাৰ কৰে। ইফালেবাহন দুখনত থকা ব্যক্তি কেই জনে ম'হ কেই টা থাকপেটীয়াত বিক্রীৰ বাবে লৈ যোৱা বুলি আৰক্ষীক জানিবলৈ দিয়ে যদিও ম'হ কেইটাৰ মালিকানা সম্পর্কীয় বৈধ নথি-পত্ৰ আৰু প্ৰয়োজনীয় পৰিবহণ অনুমতি-পত্ৰ দেখুৱাবলৈ ব্যর্থ হয়। ফলত আৰক্ষীয়ে ম'হ কেইটাসহ বাহন দুখন জব্দ কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰে। লগতে বাহন দুখনৰ পৰা থিং আৰক্ষী থানাৰ অন্তর্গত ইমবাদুল আলী, আমিনুল হক, নাজিকল ইছলাম, অসীম উদ্দিন, গাজিবুৰ ৰহমান, আয়ুব আলী আৰু মজিনুল হকনামৰ লোক কেইজনক আটক কৰে। ই ফালে এই সন্দর্ভত লাহৰীঘাট আৰক্ষী থানাত ৰুজু হোৱা ১৯১/২৬নং গোচৰৰ ভিত্তিত আজি উক্ত লোক কেইজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৰিগাঁও আদালতত হাজিৰ কৰে।

'২৯ৰ ভিতৰত দেশত চাৰিটা কার্যক্ষম

উৎক্ষেপণ মঞ্চ, ৰে'লপথ ব্যৱস্থা, টেলিমেট্ৰি, ট্ৰেকিং আৰু কমাণ্ড চিষ্টেমৰ দৰে গুৰুত্বপূর্ণ আন্তঃগাঁথনি নির্মাণ কৰা হ'ব। অৱশ্যে অন্য তিনিটা প্ৰস্তাৱিত উৎক্ষেপণ কেন্দ্ৰৰ বিষয়ে তেওঁ বিতংভাৱে তথ্য প্ৰকাশ কৰা নাই। ইছৰোৰ মুৰব্বীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ বাজিগতকৰণ কৰা হোৱা নাই। কিন্তু ঘৰকা আৰু আন্তৰ্জাতিক পর্যায়ত মহাকাশ অভিযানৰ চাহিদা বৃদ্ধি পোৱাৰ বাবে ব্যক্তিগত প্ৰতিষ্ঠানক সৈতে অংশীদাৰিত্ব কৰাটো প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ইছৰোৰে ষ্টাৰআপ আৰু ব্যক্তিগত প্ৰতিষ্ঠানসমূহক প্ৰয়োজনীয় কাৰিকৰী সহায় আগবঢ়োৱাৰ লগতে প্ৰযুক্তিত জ্ঞান হস্তান্তৰ কৰিব। ইয়াৰ ফলত অর্থনৈতিক বিকাশৰ লগতে উচ্চ প্ৰযুক্তিৰ ক্ষেত্ৰত হাজাৰ হাজাৰ কর্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব। নাৰায়ণনে জনায় যে চৰকাৰে মহাকাশ খণ্ডত সংস্কাৰৰ ঘোষণা কৰিছে আৰু ইছৰোৱে এই কার্যকলাপত সহায়তা আগবঢ়াই আছে। তেওঁৰ মতে, ২০২৯ চনৰ ভিতৰত চাৰিটা কার্যক্ষম উৎক্ষেপণ কেন্দ্ৰৰ জৰিয়তে ভাৰতৰ মহাকাশ কার্যকলাপ যথেষ্ট সম্পসাৰিত হ'ব আৰু বাণিজ্যিক কার্যকলাপ পৰিচালনা কৰিবলৈ ব্যক্তিগত উদ্যোগৰ অংশীদাৰিত্বৰ ওপৰত নির্ভৰশীলতাও ক্ৰমাং বৃদ্ধি পাব। ইছৰোৰ মুৰব্বীগৰাকীয়ে ভাৰতৰ মানৰ মহাকাশ অভিযান 'গগনযান' সম্পর্কেও গুৰুত্বপূর্ণ ঘোষণা কৰে। তেওঁ জনায় যে অহা দুমাহৰ ভিতৰত গগনযানৰ প্ৰথম মানৰহীন পৰীক্ষামূলক অভিযান সম্পন্ন কৰাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ পিছত মহাকাশচাৰীসহ অভিযানৰ পূর্বে আন দুটা মানৰহীন পৰীক্ষণ সম্পন্ন কৰা হ'ব। এই পৰীক্ষাসমূহে পৰিবেশ নিয়ন্ত্ৰণ, সুৰক্ষা ব্যৱস্থা, মহাকাশচাৰীৰ উদ্ধাৰৰ ব্যৱস্থা আৰু মডিউলৰ ভিতৰৰ অংশসমূহ ভিন্ন চাপ, উষ্ণতা আৰু আৰ্দ্রতাৰ পৰিস্থিতিত মূল্যায়ন কৰিব। তেওঁ লগতে উল্লেখ কৰে যে ভাৰতে জাপানৰ মহাকাশ সংস্থাৰ সৈতে যৌথভাৱে চন্দ্রযান-৫ অভিযানৰ পৰিকল্পনা কৰিছে।

মৃতকৰ পৰিয়ালক ক্ষতিপূৰণ, কেঁচা চাহপাত কঢ়িওৱা বাহনৰ চলাচল বন্ধসহ ছয় দফীয়া দাবীৰে জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰেৰণ

ডুমডুমাৰ চামডাং বাইপাছত সংঘটিত পথ দুৰ্ঘটনাত চাৰিজনৰ মৃত্যুক লৈ উত্তাল প্ৰতিবাদ; আৰক্ষী চকী স্থাপনৰ দাবী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ অক্টোবৰ ঃ ডুমডুমাৰ সমীপৰ চামডাং নতুন লাইনৰ কাষত তিনিচুকীয়া-ডুমডুমা সংযোগী বাই পাছত কালি সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত চাৰিজনকৈ লোকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দুৰ্ঘটনাটোৰ প্ৰতিবাদত আজি পুৱা প্ৰায় দুই শতাধিক স্থানীয় লোক আৰু বিভিন্ন চাহ বাগিচাৰ শ্ৰমিক ৰাজপথলৈ ওলাই আহি মৃতদেহ লৈ পথ অৱৰোধ কৰে। প্ৰতিবাদকাৰীসকলে মৃতকৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদান, চামডাং এলেকাত এটা আৰক্ষী চকী স্থাপন আৰু পথটোত দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলে চামডাং বাইপাছত শীঘ্ৰে এটা আৰক্ষী চকী স্থাপন, দুৰ্ঘটনাত নিহত চাৰিজনৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদান, বাইপাছটোৰে কেঁচা চাহপাত কঢ়িওৱা বাহনৰ চলাচল বন্ধ, সমগ্ৰ পথছোৱাত ষ্ট্ৰীট লাইট স্থাপন আৰু পথৰ কাষত অবৈধভাৱে গঢ়ি উঠা সুৰাৰ দোকানসমূহ বন্ধ কৰাৰ দাবী জনায়। লগতে প্ৰতিটো দুৰ্ঘটনাতে চাহ শ্ৰমিকৰ প্ৰাণহানি হোৱা ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ ফলপ্ৰসূ পদক্ষেপ গ্ৰহণৰ দাবী তুলি ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাকো প্ৰতিবাদস্থলীত উপস্থিত হ'বলৈ আহ্বান জনায়। ইফালে, মৰণোত্তৰ পৰীক্ষাৰ পিছত নিহতসকলৰ মৃতদেহ নিজ নিজ গৃহলৈ নিয়াৰ সময়ত প্ৰতিবাদস্থলীত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। পৰৱৰ্তী সময়ত জিলা আয়ুক্তলৈ সম্বোধন কৰা ছয় দফীয়া দাবীসম্বলিত এখন স্মাৰক-পত্ৰ ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত কৃতাৰ্থ নেওগৰ হাতত অৰ্পণ কৰাৰ পিছত প্ৰতিবাদকাৰীসকলে পথ অৱৰোধ কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। উল্লেখযোগ্য যে কালি সন্ধিয়া প্ৰায় ৫ বজাত চামডাং নতুন লাইনৰ সমীপত AS-23DC-5936 নম্বৰৰ কেঁচা চাহপাত কঢ়িওৱা এখন মহিন্দ্ৰা ব'লেৰ মে' বাহনে AS-01GQ-3998 নম্বৰৰ এখন মহিন্দ্ৰা থাৰ ৰক্স বাহনক অভাৰটেক কৰিবলৈ চেষ্টা কৰাৰ সময়তে AS-01FU-2469 নম্বৰৰ এখন মটৰচাইকেল আৰু কেইবাজনো পথচাৰীক খুন্দা মাৰে। ইয়াৰ ফলত সংঘটিত ভয়াৱহ দুৰ্ঘটনাটোত চাৰিজন লোকৰ মৃত্যু হয়। দুৰ্ঘটনাটোত চামডাং নতুন লাইনৰ জিতেন তাঁতীৰ পুত্ৰ পিণ্টু তাঁতী আৰু ৰাজেশ কিষাণৰ ঘটনাস্থলীতে মৃত্যু হয়। আনহাতে, একে অঞ্চলৰ চৈতন্য ভক্তৰ পুত্ৰ সুব্ৰত ভক্ত (১৯) আৰু জিতেন প্ৰজাৰ পুত্ৰ গণেশ প্ৰজা (২০)ৰ তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। দুৰ্ঘটনাটোত নিহত ব'লেৰ মে' বাহনখনৰ সহযোগী ৰাজেশ কিষাণৰ সম্পূৰ্ণ পৰিচয় আৰু ঠিকনা বাতৰি যুগুত কৰা পৰলৈকে নিশ্চিত হোৱা নাই বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত বাহনখনৰ চালক মনোৰঞ্জন মৰাণ, সহযোগী মনীষ তাঁতী আৰু পৱন কৰ্মকাৰক প্ৰথমে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছিল। পিছত চিকিৎসকে মনোৰঞ্জন মৰাণ আৰু পৱন কৰ্মকাৰক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি, দুৰ্ঘটনাৰ পিছতে ব'লেৰ মে' বাহনখন আৰু মটৰচাইকেলখনত জুই লাগে। ইয়াৰ ফলত পিণ্টু তাঁতী, সুব্ৰত ভক্ত আৰু ৰাজেশ কিষাণ সম্পূৰ্ণৰূপে অগ্নিদগ্ধ হয়। আনহাতে, থাৰ ৰক্স বাহনখনৰ চালকজন আঘাতপ্ৰাপ্ত হোৱা নাই। দুৰ্ঘটনাত পতিত আটাইকেইখন বাহন ডুমডুমা আৰক্ষীয়ে জব্দ কৰি থানালৈ লৈ যায়। ঘটনাৰ পিছতে ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত আৰু ডুমডুমা আৰক্ষী থানাৰ পৰিদৰ্শক মনোজ্জ্বল গগৈ ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। পৰৱৰ্তী সময়ত তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱন আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰ ঝায়ো ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। দুৰ্ঘটনাৰ পিছত বাহনকেইখনত কেনেদৰে জুইৰ সূত্ৰপাত হ'ল, সেই সন্দৰ্ভত উচ্চস্তৰীয় তদন্ত কৰা হ'ব বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

জ্ঞানেশ কুমাৰৰ পুত্তলিকা দাহ কৰি বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ



অসম বাৰ্তা, অভয়াপুৰী, ২৫ অক্টোবৰ ঃ ৰঙাপানী আৰু টাপাট্টাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত আজি লেংটিছিঙা বজাৰ প্ৰাংগণত 'ভোট বচাও, দেশ বচাও' শীৰ্ষক এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীত কংগ্ৰেছৰ নেতৃবৰ্গ আৰু কৰ্মীসকলে অংশগ্ৰহণ কৰি নিৰ্বাচনী ব্যৱস্থাৰ স্বচ্ছতা আৰু ভোটাধিকাৰ সুৰক্ষাৰ দাবীত বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ সময়ছোৱাত কংগ্ৰেছৰ নেতা-কৰ্মীসকলে হাতে হাতে বেনাৰ, পোষ্টাৰ আৰু বিভিন্ন শ্লোগান সম্বলিত প্লে'কাৰ্ড লৈ লেংটিছিঙা বজাৰ প্ৰাংগণত সমবেত হয়। আমাৰ ভোট, আমাৰ অধিকাৰ ভোট চোৰ জ্ঞানেশ কুমাৰ হুচিয়াৰ নিৰ্বাচন আয়োগৰ পবিত্ৰতা ৰক্ষা কৰক' আৰু বিজেপি চৰকাৰ হায় হায় আদি শ্লোগানেৰে প্ৰতিবাদকাৰীসকলে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদৰ অন্তত কংগ্ৰেছৰ কৰ্মীসকলে জ্ঞানেশ কুমাৰৰ পুত্তলিকা দাহ কৰি নিজৰ ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে ৰঙাপানী ব্লক কংগ্ৰেছৰ সভাপতি মকিবুল ইছলামৰ সঞ্চালনাত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সভাখনত উপস্থিত থকা কংগ্ৰেছৰ নেতৃবৰ্গই দেশৰ গণতান্ত্ৰিক ব্যৱস্থা, নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু জনসাধাৰণৰ ভোটাধিকাৰ সুৰক্ষাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰে। সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক পৃথিৰাজ প্ৰভাকৰ সাথে, এপিচিচিৰ শান্তনু শৰ্মা, বিধায়ক নুৰুল ইছলাম, প্ৰাক্তন বিধায়ক আব্দুল বাতেন খন্দকাৰ, নাহিদা আক্তাৰ চৌধুৰী আৰু আক্ৰাম আলী ভূঞাকে ধৰি কেইবাগৰাকীও কংগ্ৰেছৰ নেতা উপস্থিত থাকে। সভাত ভাষণ প্ৰদান কৰি নেতাসকলে জ্ঞানেশ কুমাৰ আৰু বিজেপি চৰকাৰৰ বিভিন্ন কাৰ্যকলাপক তীব্ৰ সমালোচনা কৰে। তেওঁলোকে নিৰ্বাচনী ব্যৱস্থাৰ নিৰপেক্ষতা আৰু স্বচ্ছতা অক্ষুণ্ণ ৰখাৰ লগতে গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰতিবাদকাৰীসকলে নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্যতা বজাই ৰখাৰ দাবী জনাই সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰে। উল্লেখ্য যে ভোট বচাও, দেশ বচাও শীৰ্ষক এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে কংগ্ৰেছে নিৰ্বাচনী ব্যৱস্থাৰ স্বচ্ছতা আৰু ভোটাধিকাৰ সুৰক্ষাৰ প্ৰশ্নত নিজৰ প্ৰতিবাদী স্থিতি স্পষ্ট কৰে।

কলগাছিয়াত জ্যেষ্ঠ নাগৰিক মঞ্চ গঠন

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৫ অক্টোবৰ ঃ জ্যেষ্ঠ নাগৰিকসকলৰ বিভিন্ন সমস্যা সমাধান, অধিকাৰ সুৰক্ষা আৰু কল্যাণ সাধনৰ লক্ষ্যৰে কলগাছিয়াত গঠন কৰা হৈছে জ্যেষ্ঠ নাগৰিক মঞ্চ। জ্যেষ্ঠ নাগৰিকসকলৰ সামাজিক নিৰাপত্তা, মৰ্যাদা আৰু ন্যায্য অধিকাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই পদক্ষেপে অঞ্চলটোত বিশেষ তাৎপৰ্য বহন কৰিছে। এই উপলক্ষে গঠন কৰা ৫৫ জনীয়া সমিতিখনত ড° আৰছাদ আহমেদক সভাপতি, আব্দুল মালিকক কাৰ্যকৰী সভাপতি আৰু ডাঃ শহিদুল ইছলামক সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। জীৱনৰ অভিজ্ঞতাৰে সমৃদ্ধ জ্যেষ্ঠ নাগৰিকসকলৰ বহুতে বিভিন্ন সময়ত সামাজিক, আৰ্থিক আৰু স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। এনে পৰিস্থিতিত তেওঁলোকৰ সমস্যা চিনাক্ত কৰি সমাধানৰ ব্যৱস্থা কৰা, চৰকাৰী সা-সুবিধা লাভৰ ক্ষেত্ৰত সহায় কৰা আৰু সমাজত তেওঁলোকৰ প্ৰাপ্য মৰ্যাদা অক্ষুণ্ণ ৰখাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টা চলোৱাই হ'ব এই মঞ্চৰ অন্যতম লক্ষ্য। জ্যেষ্ঠ নাগৰিকসকলৰ অভিজ্ঞতা আৰু পৰামৰ্শক সমাজৰ উন্নয়নৰ কামত ব্যৱহাৰ কৰাৰ লগতে তেওঁলোকৰ ন্যায্য দাবীসমূহ উপযুক্ত মঞ্চত উত্থাপন কৰাৰ ক্ষেত্ৰতো এই মঞ্চই ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে এখন সুস্থ আৰু মানৱীয় সমাজ গঢ়ি তুলিবলৈ জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰতি সন্মান, সহমৰ্মিতা আৰু দায়িত্ববোধ অতি প্ৰয়োজনীয়। কলগাছিয়াত গঠন হোৱা এই জ্যেষ্ঠ নাগৰিক মঞ্চই অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিকসকলৰ সমস্যা সমাধান আৰু কল্যাণৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা পালন কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

মোৰাঝাৰত আত্মীয়ৰ দ্বাৰা মহিলাক প্ৰতাৰণা আৰু মাৰপিট; পিতা-পুত্ৰক জেললৈ প্ৰেৰণ

অসম বাৰ্তা, ডবকা, ২৫ অক্টোবৰ ঃ হোজাইৰ মোৰাঝাৰৰ শ্বপুৰ গাঁৱত এক চাঞ্চল্যকৰ ঘটনা সংগঠিত হৈছে। ঘটনা অনুসৰি নিজ আত্মীয়ৰ দ্বাৰা এগৰাকী মহিলা প্ৰতাৰণা আৰু মাৰপিটৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। ভুক্তভোগী মহিলাগৰাকীৰ অভিযোগৰ ভিত্তিত মোৰাঝাৰ আৰক্ষীয়ে অভিযান চলাই একে গাঁৱৰে দুজন অভিযুক্তক আটক কৰে। আটকাধীন লোক দুজন ছাদ্দাম হুছেইন আৰু তেওঁৰ পিতৃ নুৰ উদ্দিন বুলি জানিব পৰা গৈছে। উল্লেখ্যে যে দীৰ্ঘদিনৰ পৰা চাদ্দাম আৰু তেওঁৰ পত্নীসহ পৰিয়ালৰ লোকে মহিলা গৰাকীক টকা পইছা লুটি প্ৰতাৰণা কৰি শাৰীৰিক ভৱে প্ৰহাৰ কৰিছিল। উল্লেখ্য যে চাদ্দাম হুছেইনৰ বিৰুদ্ধে ভুক্তভোগী মহিলা গৰাকীয়ে চলাহি কথাৰে শাৰীৰিক সম্পৰ্ক স্থাপন কৰি অপকৰ্মত লিপ্ত হোৱাৰো অভিযোগ তুলিছে। ঘটনা সন্দৰ্ভত ভুক্তভোগীয়ে কালি মোৰাঝাৰ থানাত এজাহাৰ দাখিল কৰাৰ পাছতে মোৰাঝাৰ আৰক্ষীয়ে ভুক্তভোগীৰ এজাহাৰৰ ভিত্তিত ২১০/২৬ গোচৰ ৰুজু কৰি তৎপৰতাৰে দুয়োকে আটক কৰে। আজি আৰক্ষীয়ে তদন্তৰ অন্তত দুয়ো অভিযুক্তকে জেললৈ প্ৰেৰণ কৰে। ইপিনে এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱৰ প্ৰকল্প নিৰ্মাণৰ সাহায্যাৰ্থে বৰঙণি পত্ৰৰ কাৰ্যালয় মুকলি

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৫ অক্টোবৰ ঃ ঐতিহ্যমণ্ডিত ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত আধ্যাত্মিক তথা সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ সাহায্যাৰ্থে বৰঙণি পত্ৰৰ অস্থায়ী কাৰ্যালয় আজি মুকলি কৰা হ'ব। এই কাৰ্যসূচীক কেন্দ্ৰ কৰি পুৱাৰে পৰা কাৰ্যালয়ৰ সন্মুখত ৰাইজৰ ব্যাপক ভিৰ পৰিলক্ষিত হয়। বৰঙনি আগবঢ়াবলৈ অহা লোকৰ ভিৰৰ ফলত হাউলী নগৰত যান-জঁটৰ সৃষ্টি হয়। নগৰখনৰ ব্যস্ত পথসমূহত যান-বাহনৰ চলাচল কিছু পৰিমাণে ব্যাহত হোৱাও দেখা যায়। উল্লেখযোগ্য যে হাউলী ৰাস মহোৎসৱ কেৱল ধৰ্মীয় উৎসৱেই নহয়, ই অঞ্চলটোৰ এক সমৃদ্ধিশালী আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। ৰাস মহোৎসৱৰ ৯৯ সংখ্যক বৰ্ষত আধ্যাত্মিক তথা সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে ৰাইজৰ এই উৎসাহে বিশেষ তাৎপৰ্য বহন কৰিছে।

বঙাইগাঁও জিলাৰ লেংটিচিঙা বজাৰত কংগ্ৰেছৰ 'ভোট বচাও, দেশ বচাও' প্ৰতিবাদ



অসম বাৰ্তা, সৃজনগ্ৰাম, ২৫ অক্টোবৰ ঃ ভোটাৰ তালিকাৰ পৰা যোগ্য ভোটাৰৰ নাম কৰ্তন আৰু ভোট চুৰিৰ অভিযোগ কংগ্ৰেছৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী কংগ্ৰেছৰ আজি লেঙটিচিঙা বজাৰত। দেশত ভোটাৰ তালিকাৰ পৰা যোগ্য ভোটাৰৰ নাম কৰ্তন আৰু নিৰ্বাচনত ভোট চুৰিৰ অভিযোগক কেন্দ্ৰ কৰি পুনৰ সৰৱ হৈ পৰিছে কংগ্ৰেছ দল। নিৰ্বাচনী ব্যৱস্থাৰ স্বচ্ছতাক লৈ প্ৰশ্ন উত্থাপন কৰি বঙাইগাঁও জিলাৰ লেংটিচিঙা বজাৰত কংগ্ৰেছ দলে ৰূপায়ণ কৰে 'ভোট বচাও, দেশ বচাও' শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী। বঙাইগাঁও জিলা কংগ্ৰেছ কমিটিৰ নিৰ্দেশত ৰঙাপানী আৰু টাপাট্টাৰী ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত সৃজনগ্ৰাম বিধানসভা সমষ্টিভিত্তিত অনুষ্ঠিত হয় এইপ্ৰতিবাদী কাৰ্যসূচী। দেশৰ বিভিন্ন স্থানত যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা আৰু নিৰ্বাচনত ভোট চুৰি হোৱা বুলি অভিযোগ উত্থাপন কৰি নিৰ্বাচনী ব্যৱস্থাৰ স্বচ্ছতাক লৈ প্ৰশ্ন তুলিছে কংগ্ৰেছদলে। বঙাইগাঁও জিলা কংগ্ৰেছ কমিটিৰ নিৰ্দেশত ৰঙাপানী আৰু টাপাট্টাৰী ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত সৃজনগ্ৰাম বিধানসভা সমষ্টিভিত্তিত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰতিবাদস্থলীত 'জ্ঞানেশ কুমাৰ হায় হায়', 'জ্ঞানেশ কুমাৰ পদত্যাগ কৰক' আৰু 'বিজেপি চৰকাৰ হায় হায়' আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী উত্থাপন কৰি কংগ্ৰেছ কৰ্মীসকলে নিৰ্বাচনী ব্যৱস্থাত স্বচ্ছতা আৰু নিৰপেক্ষতা নিশ্চিত কৰাৰ আহ্বান জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে নিখিল ভাৰত কংগ্ৰেছ কমিটী, চমুকৈ AICCৰ সম্পাদক পৃথীৰাজ প্ৰভাকৰ চাথে, সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ বিধায়ক নুৰুল ইছলামকে ধৰি কংগ্ৰেছ দলৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীসকলে। ইফালে, অহা ১ নৱেম্বৰত দিল্লীত এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথাও সদৰী কৰিছে কংগ্ৰেছ দলে।

সাংবাদিক গণেশ দত্তক এনাজৰী ঐক্য মঞ্চ বিশেষ বঁটা প্ৰদান

এনাজৰী ঐক্য মঞ্চ, বলোপাৰাৰ প্ৰথম বৰ্ষপূৰ্তিত নয়নমণি ডেকা-গঙ্গাৰাম ডেকা সম্বৰ্ধিত



অসম বাৰ্তা, মঙলদৈ, ২৫ অক্টোবৰ ঃ গীত-মাত, অন্তৰংগ আলাপ আৰু সম্বৰ্ধনা অনুষ্ঠানেৰে আজি মঙলদৈ চহৰৰ পৰা ৯ কিলোমিটাৰ নিলগৰ বলোপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত এনাজৰী ঐক্য মঞ্চ, বলোপাৰাৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান হয়। বিয়লি ৩ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰা গীতিকাৰ, সুৰকাৰ ৰবচন লাল বৰুৱাই প্ৰায় ৩০ বছৰ কাল জুবিন গাৰ্গৰ লগত থকা সান্নিধ্য কথা উল্লেখ কৰি কয়- 'জুবিন গাৰ্গ যথেষ্ট জেদি, পৰিশ্ৰমী আৰু অধ্যয়নশীল আছিল। যাৰফলত তেওঁ যিটো কামত ধৰে তাক শেষ নকৰাকৈ এৰি দিয়া নাছিল।' জুবিন গাৰ্গ অসমীয়া-ইংৰাজীৰ শব্দৰ ভাণ্ডাৰ আছিল বুলি উল্লেখ কৰি তেওঁৰ গীতৰ শব্দতেই এই কথাটো পৰিস্ফুট হয় বুলি কয়। মঞ্চত হিন্দী গীত পৰিবেশন কৰা সম্পৰ্কত আলফাৰ পৰা ভাবুকি লাভ কৰা বুলি উল্লেখ কৰি জুবিন গাৰ্গৰ বন্ধু ৰবচন লাল বৰুৱাই কয়- জিণ্টু গগৈৰ সোঁৱৰণত গোলাঘাটত হোৱা অনুষ্ঠানত আলফাই জুবিন গাৰ্গক হত্যাৰ পৰিকল্পনা কৰিছিল। কিন্তু সেই পৰিকল্পনা সেনা বাহিনীৰ তৎপৰতাত ব্যৰ্থ হৈছিল বুলি তেওঁ চাঞ্চল্যকৰ বক্তব্য প্ৰদান কৰে। ঐক্য মঞ্চৰ সভাপতি কুমুদ চন্দ্ৰ ডেকা আৰু সম্পাদক কন্দৰ্প নাথে আঁত ধৰা এই অনুষ্ঠানত মানৱতাবাদী সংগঠন 'কৰুণাধাৰা'- দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব, 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে-, দৰং, অসমৰ সাধাৰণ সম্পাদক, মঙলদৈৰ জ্যেষ্ঠ সাংবাদিক গণেশ দত্তক উদ্যোক্তা সকলে 'এনাজৰী ঐক্য মঞ্চ বিশেষ বঁটা' প্ৰদান কৰে। আনহাতে ক্ৰীড়া সংগঠক, সাংস্কৃতিক কৰ্মী, শিক্ষক নয়নমণি ডেকাক এনাজৰী ঐক্য মঞ্চ যুৱ বঁটা আৰু বলোপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক, বলোপাৰা সমাজ কল্যাণ সংঘৰ প্ৰতিষ্ঠাপক সভাপতি, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গঙ্গাৰাম ডেকাক এই অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত যুৱনেতা হেমন্ত কুমাৰ বৰুৱা, ডেকাৰগাঁও হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মকিবৰ ৰহমানে বক্তব্য প্ৰদান কৰা এই অনুষ্ঠানত শিল্পী নৰমল্লিকা ডেকা, মৌচুমী বড়ো, খনিন্দ্ৰ বৰা, দ্বীপ চন্দন নাথে গীত পৰিবেশন কৰে। এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক গোপাল দেৱ শৰ্মা, জয়নুদ্দিন আহমেদ, গাঁওপ্ৰধান জয়ন্ত ডেকা, সমাজসেৱক আজিজুৰ ৰহমান, ডিম্বেশ্বৰ ডেকা, ৰামহৰি গাওঁ পঞ্চায়তৰ সদস্য বিপুল নাথ, আব্দুল জলিল, প্ৰাক্তন সৈনিক খবিৰুদ্দিন আহমেদ, আমজেদ আলী, হেমন্ত নাথ, পৰেশ ডেকা, গোবিন্দ ডেকা, হেমন্ত দাস, উপেন দাস, মাধৱ নাথ, ধ্ৰুৱজ্যোতি ডেকা, মুকুট শীল, কংকন নাথ, বিজয় বড়ো, লোহিত বড়ো, মুকুট চন্দ্ৰ নাথকে ধৰি শতাধিক লোক উপস্থিত থাকে।

ধোদাং গাঁৱত ২৪ অক্টোবৰত শিল্পী পেঞ্চনাৰ কেশৰ হাজৰিকাৰ সোঁৱৰণী এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান বঁটা

নাট্যকাৰ, কথাছবি পৰিচালক, লোককৃষ্টি গৱেষক দীনেশ গগৈলৈ, নাট্য শিল্পী প্ৰয়াত কেশৱ হাজৰিকা সোঁৱৰণী "জীৱন জোৰা শিল্প সাধনা বঁটা ২০২৬"



অসম বাৰ্তা, নুমলীগড়, ২৫ অক্টোবৰ ঃ শিল্পী পেঞ্চনাৰ তথা নাট্যশিল্পী প্ৰয়াত কেশৱ হাজৰিকাৰ স্মৃতি সশ্ৰদ্ধভাৱে সুঁৱৰি গত ২৪ অ'ােবৰ, শনিবাৰে ধোদাং বৰ নামঘৰত দিনজোৰা কাৰ্যসূচীৰে এক স্মৃতিচাৰণ তথা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সদৌ ধোদাং গাঁওবাসী ৰাইজ আৰু কেশৱ হাজৰিকা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদযাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত এই আয়োজনত স্মৃতিচাৰণ, নাম-প্ৰসংগ, বঁটা প্ৰদান আৰু নিশালৈ স্থানীয় যুৱক শিল্পী সকলৰ দ্বাৰা অভিনীত "শকুনিৰ প্ৰতিশোধ" মহাপুৰুষীয়া ভাঁওনা প্ৰদৰ্শনৰ জৰিয়তে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰা হ'য়। এই স্মাৰক অনুষ্ঠানৰ অন্যতম মুখ্য কাৰ্যসূচী হিচাপে প্ৰথিতযশা নাট্যকাৰ, অসমীয়া কথাছবিৰ পৰিচালক, বিহু তথা লোক-কৃষ্টিৰ গৱেষক আৰু গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ গগৈক, কৃষ্টি যাজ্ঞিক 'কেশৱ হাজৰিকা সোঁৱৰণী জীৱনজোৰা সাংস্কৃতিক শিল্প সাধনা বঁটা-২০২৬' প্ৰদান কৰা হ'য়। প্ৰয়াত নাট্যশিল্পী কেশৱ হাজৰিকা সোঁৱৰণী সাংস্কৃতিক ফাউণ্ডেশ্যন, অনুষ্ঠানৰ উদযাপন সমিতি, কেশৱ হাজৰিকাৰ পৰিয়াল বৰ্গ, লগতে ৰশ্মিৰেখা শিল্পী সমাজ, শংকৰজ্যোতি নাট্য মন্দিৰ, ৰশ্মিৰেখা মইনা পাৰিজাত, ধোদাং সন্মিলিত যুৱ মঞ্চ তথা সদৌ ধোদাং গাঁওবাসী ৰাইজে সহযোগিতা আগবঢ়োৱা এই বঁটাই অনাগত সময়ত সাংস্কৃতিক জীৱনৰ অনিৰুদ্ধ যাত্ৰা অব্যাহত ৰখাৰ নব প্ৰেৰণা লাভ কৰা হৈছে বুলি নাট্যকাৰ, বিষিষ্ঠ শিক্ষাবিদ, শৰীৰ চৰ্চাবিদ, সাহিত্যিক, লেখক তথা অসমীয়া কথাছবিৰ পৰিচালক দীনেশ গগৈয়ে বক্তব্যত প্ৰকাশ কৰে। বঁটা প্ৰদানৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত, সাংস্কৃতিক সেৱক তথা ৰংগশালাৰ উন্মোচক, পূৰ্ণ বৰুৱা, মধ্যমহুৰা গাঁও পঞ্চায়তৰ সভাপতি কৰৱি শইকীয়া, প্ৰাক্তন সভাপতি, প্ৰণৱ চেতীয়া, তেজস্বী ফুকন, কমাৰগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰিণ্টু দুৱৰা, সমাজ কৰ্মী ব্ৰজেন গগৈ, ৰৌদুৱাৰ পথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা অভিনেতা, সাংস্কৃতিক কৰ্মী অপূৰ্ব হাজৰিকা, বুধবাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, সাংস্কৃতিক সেৱক ৰূপা বৰা, বৰুৱা, সমাজ কৰ্মী বেদব্ৰত বৰুৱা, ৱাৰ্ড সদস্য পুষ্পা গগৈ বৰুৱা, আৰু অনেক গুনমুগ্ধ লোক উপস্থিত থাকে। অনুষ্ঠানটি সাফল্য মণ্ডিত কৰি তোলা সদৌ টি সুধীসমাজ লৈ উদযাপন সমিতিৰ সভাপতি প্ৰভাত হাজৰিকা আৰু সম্পাদকদ্বয় ক্ৰমে সোমেশ্বৰ গগৈ আৰু অচিন্ত্য বাঢ়ৈয়ে কৃতজ্ঞচিত্তে ধন্যবাদ জ্ঞাপন কৰে।

ভুৱনেশ্বৰত আৰবিআইৰ ডাটা চেণ্টাৰ

কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। দেওবাৰে ভুৱনেশ্বৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ১৬৯ কোটি টকাৰ ডাটা চেণ্টাৰ আৰু চাইবাৰ সুৰক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান উদ্বোধন কৰি তেওঁ এই কথা কয়। প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে এই প্ৰতিষ্ঠানে ওড়িশা আৰু দেশৰ জনসাধাৰণক যথেষ্ট উপকৃত কৰিব। তেওঁ কয়, "আমাৰ বাবে উন্নয়ন মানে ভাৰতৰ সুষম বিকাশ নিশ্চিত কৰা আৰু গাঁও তথা সৰু সৰু চহৰবোৰৰ বাবে নতুন সুযোগ সৃষ্টি কৰা।" ভাৰতৰ বেংকিং খণ্ড বৰ্তমান বিশ্বৰ ভিতৰতে অন্যতম কাৰ্যক্ষম খণ্ডত পৰিণত হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত দেশৰ জনসাধাৰণে ২৪ ঘণ্টাই বেংকিং সেৱাৰ সুবিধা লাভ কৰিছে। ক্ষুদ্ৰ উদ্যোগী, পৰম্পৰাগত শিল্পী, পদপথৰ ব্যৱসায়ী আৰু অসংগঠিত খণ্ডৰ শ্ৰমিকসকলেও প্ৰথমবাৰৰ বাবে আনুষ্ঠানিক বেংকিং সেৱাৰ জৰিয়তে লাভান্বিত হৈছে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে কংগ্ৰেছৰ শাসনকালত বেংকিং সুবিধা মূলতঃ মুষ্টিমেয় ধনী আৰু প্ৰভাৱশালী ব্যক্তিৰ মাজতে সীমিত আছিল। তেতিয়া সহজে ঋণ লাভ কৰা লোকসকলৰ বিপৰীতে দৰিদ্ৰ, মধ্যবিত্ত আৰু মহিলাসকলে এনে সুবিধাৰ পৰা বঞ্চিত হৈছিল। কিন্তু ২০১৪ চনৰ পিছত সুষম পন্থা গ্ৰহণ কৰাৰ ফলত পৰিস্থিতি সলনি হৈছে। তেওঁ কয় যে আগতে ডেবিট আৰু ক্ৰেডিট কাৰ্ড জনসাধাৰণৰ বাবে বিলাসী সামগ্ৰী আছিল, কিন্তু এতিয়া সেইবোৰ সকলোৰে বাবে উপলব্ধ হৈছে। তেওঁ উল্লেখ কৰে, "যোৱা দশকটো আছিল বেংকিং সেৱাক বঞ্চিতসকলৰ ওচৰলৈ লৈ যোৱাৰ দশক। আগন্তুক দশকটো হ'ব বেংকিং সেৱাক অধিক দক্ষ আৰু নিৰ্ভৰযোগ্য কৰি তোলাৰ দশক।" খনিৰ পৰা আৰম্ভ কৰি মাইক্ৰ'চিপলৈকে বিভিন্ন খণ্ডত ওড়িশাই নিজৰ ভৱিষ্যৎ গঢ়িব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলৰ বাবে বহু নতুন সুযোগৰ দুৱাৰ মুকলি হ'ব। উল্লেখ্য যে উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, আৰবিআইৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰা, ওড়িশাৰ ৰাজ্যপাল ব্ৰজমোহন ৰাম, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম, উপ-মুখ্যমন্ত্ৰী কনক বৰ্ধন সিং দেও আৰু প্ৰৱতী পৰিদা উপস্থিত থাকে। চৰকাৰী বিবৃতি অনুসৰি, নতুন ডাটা চেণ্টাৰত মিছন-ক্ৰিটিকেল পেমেণ্ট আৰু ছেটেলমেণ্ট চিষ্টেমৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ পদক্ষেপৰ আয়োজন কৰা হ'ব। এই প্ৰকল্পই ডিজিটেল বিত্তীয় সেৱাৰ প্ৰসাৰ, কাৰ্যক্ষমতা আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰাৰ লগতে ভাৰতৰ ক্ৰমবৰ্ধমান প্ৰযুক্তি-চালিত বিত্তীয় অৰ্থনীতিৰ বাবে সুৰক্ষিত ডিজিটেল ভেটি গঢ়ি তুলিব। মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে সামাজিক মাধ্যমত কয় যে এই ডাটা চেণ্টাৰে ওড়িশাৰ উন্নয়ন যাত্ৰাত আৰু অধিক গতি যোগ কৰিব। তেওঁ কয় যে উন্নয়নৰ অৰ্থ কেৱল ডাঙৰ চহৰৰ প্ৰগতি নহয়, বৰঞ্চ গাঁৱৰ পৰা চহৰলৈকে প্ৰতিজন নাগৰিকৰ ওচৰত সুযোগ পৌঁছাই দিয়া। সুষম বিকাশ, উন্নত যোগাযোগ ব্যৱস্থা আৰু সন্মানজনক জীৱনযাত্ৰাৰ সুবিধাৰ জৰিয়তে কাকো উন্নয়নৰ ধাৰাৰ পৰা বঞ্চিত কৰা নহ'ব-এইটোৱেই হৈছে সুশাসনৰ লক্ষ্য। ইপিনে, চাইবাৰ সুৰক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানে চাইবাৰ সুৰক্ষা আৰু উদ্যোগ-প্ৰযুক্তি প্ৰশিক্ষণ, গৱেষণা আৰু সামৰ্থ্য বিকাশৰ বাবে এক নিৰ্দিষ্ট প্ৰতিষ্ঠানিক মঞ্চ প্ৰদান কৰিব। ১৮.৫৫ একৰ ভূমিত বিস্তৃত আৰবিআইৰ এই প্ৰতিষ্ঠানৰ আধাৰশিলা ২০২৩ চনত স্থাপন কৰা হৈছিল।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন